# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS
UNDER SOVEREIGN DEMOCRATIC REPUBLICAN
CONSTITUTION OF INDIA.

## OCTOBER-NOVEMBER SESSION

NO. 4

**THE 3rd NOVEMBER, 1999**

PRICE : Rs. 29.90

## CONTENTS

## OCTOBER-NOVEMBER SESSION

## NO. 4

***Dated, the 3rd NOVEMBER, 1999***


| | | Page |
|---|---|---|
| 1. | *Questions and Answers.* | *1* |
| 2. | *Report of the Business Advisory Committee* | *42* |
| 3. | *Voting in Supplimentary Demands for Grants* | *43* |
| 4. | *Introduction, Consideration and Passing of Assam appropriation Bill.* | *73* |
| 5. | *Statement By the Chief Minister* | *80* |
| 6. | *Adjournment* | *81* |
| 7. | *Annexure — I to V* | *82* |

# Debates of the Assam Legislative Assembly

**Wednesday, the 3rd November, 1999**

**The House met at 4 P.M. of the clock in the Assembly Chamber, at Dispur with Hon'ble Shri Ganesh Kutum, Speaker in the chair.**

## STARRED QUESTIONS & ANSWERS

**(To which oral replies were given)**

**Mr. Speaker : Now, Starred question No. 61. Hon'ble Member Shri Sukhendu Shekhar Dutta :**

**Re. : Lownirpoa Block.**

**Shri Sukhendu Shekhar Dutta asked :**

* 61. Will the Minister of Border Areas Development be pleased to state:

(a) The reasons for keeping Lowanirpoa Block (Karimganj) out of the juridiction of Borders areas, Assam?

(b) Will the Govt. take immediate measures to extend the facilities of Border areas to Lowanirpoa Block?

**Shri Binod Gowala (Minister of Border Areas) replied :**

(a) The Lownirpoa block of Karimganj District was bifurated from Patharkandi Block subsequent to the approval of the planning Commission for implementation of BADP (SCA) in 13 nos. of Blocks including Patharkandi block which have touched the Internatioanl Border with Bangladesh. The newly created block is yet to be included in the approved list.

(b) State Govt. have taken up the issue with the Planning Commission of India.

* **Shri Sukhendu Shekhar Dutta :** Hon'ble Speaker Sir, I put this question because Lownirpoa Block is a new block and it was very much within the Patharkandi Development Block. Now, it has been bifurcated. Legally it appears that the benefit will go to the Lowairpoa Block because it is within the said block. I see no bar, even if there is a bar in that, the Govt. should try that at the earliest it is done. Moreover, it is the only block which touches the two states of Mizoram and Tripura with International Border of Bangladesh. So, benefit should go to this Block much. Whether the Hon'ble Minister will see that it will be done at the earliest.

* **শ্ৰী বিনোদ গোৱালা (সীমান্ত অঞ্চল উন্নয়ণ মন্ত্ৰী) ঃ** পাথাৰকান্দিৰ অন্তৰ্গত এই লৱাইপোৱা ব্লক সম্পৰ্কত ১৯৯৮ চনৰ পৰা ভাৰত চৰকাৰৰ প্লেনিং কমিচনৰ লগত যোগাযোগ কৰা হৈছে। প্লেনিং কমিচনে এই ব্লকটোৰ অনুমোদন জনাইছে। অহা বছৰৰ পৰা আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰা হ'ব।

* **Shri Sukhendu Shekhar Dutta :** I thank the Hon'ble Minister very much if it is already includede, So, thanks a lot.

## বিষয় ঃ টকা জমা দি বিজুলীৰ যোগান নোপোৱা।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

* ৬২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বিলাসীপাৰা মহকুমাত টকা জমা দি তথা নিয়মিতভাৱে বিল দি থকা ৰাইজেও বিজুলীৰ যোগান নাপায় সচাঁনে?

(খ) মহকুমাখনত প্ৰয়োজনীয় কিমান ভল্টেজ বিজুলীৰ বিপৰীতে বৰ্ত্তমান কিমান ভল্টেজ বিজুলী যোগানৰ ব্যৱস্থা আছে?

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তিমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা নহয়।

(খ) বিলাসীপাৰা মহকুমাত ২৩০ ভ'ল্ট নাইবা ৪০০ ভ'ল্ট বিদ্যুৎ বিভৱৰ বিপৰীতে দিনৰ ভাগত ২০০ ৰ পৰা ২৩০ ভ'ল্ট নাইবা ৩৫০ ৰ পৰা ৪০০ ভ'ল্ট বিদ্যুৎ বিভৱত বিজুলী সৰবৰাহ কৰা হয়। কিন্তু গধুলি সময়ত (Peack Load Hours) সকলো ঠাইতে সমপৰিমাণৰ বিদ্যুৎ বিভৱত বিজুলী যোগান ধৰা হৈ উঠা নাই। যিহেতু বিলাসীপাৰালৈ

* Speach not corrected

কোকৰাঝাৰৰ পৰা ১১ কেঃভিঃ লাইনৰ যোগেদি বিজুলী সৰবৰাহ কৰা হয় আৰু লাইটো দুৰণিবটীয়া।

* **শ্ৰী আলী আকবৰ মিঞা ঃ** মন্ত্ৰী মহোদয়ে প্ৰথম যিটো উত্তৰ দিছে সেইটো সঁচা নহয়। বিলাসীপাৰা মহকুমাত মই নিজে থাকো আৰু প্ৰতি মাহে নিয়মীয়াকৈ বিল দিওঁ। ১৮-৩-৯৮ তাৰিখে উত্তৰ দিছিল আৰু কৈছিল যে প্ৰয়োজন হ'লে জেনেৰেটৰ চলোৱা হ'ব। মই নিজে জেনেৰেটৰ চলাই আছো। মই থকা গাওঁখনত বিজুলী পামনে?

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তি মন্ত্ৰী) ঃ** মাননীয় সদস্য গৰাকীৰ কথাখিনি নুই কৰিব খোজা নাই। এইটো সত্য যে ১১ কেভি লাইনটো দূৰৰ পৰা অহা কাৰণে ষ্টেবল আৰু পাৱাৰ দিয়া সম্ভৱ নহয়। ৩৩ কেঃভিঃ লাইন অনাৰ কাৰণে ১ কোটি ২৯ লাখ টকাৰ প্লেন ঠিক কৰিছো। ১৯৯৬-৯৭ চনৰ পৰা পইচাৰ অভাৱৰ কাৰণে কাৰ্য্যকৰী কৰিব পৰা নাই। ৩৩ কেঃভিঃ লাইন কৰিব পাৰিলে বিদ্যুৎ যোগান সম্ভৱ হৈ উঠিব। তাৰ কাৰণে যত্ন কৰিব লাগিব। প্ৰকৃততে বিজুলী যোগান খৰচ হয় নিয়ম মতে মিটাৰত সেই বিল উঠিব লাগে। কেতিয়াবা নিম্নতম বিল দিব লগা হয়। আশা কৰিছো অহা ডিচেম্বৰত এই ক্ষেত্ৰত ধনাত্মক উত্তৰ দিবলৈ সক্ষম হ'ম।

* **শ্ৰী আলী আকবৰ মিঞা ঃ** মই যিখিনি গাওঁৰ কথা কৈছো তাৰ ভিতৰত ৩০৭ খন গাওঁৰ ১০৩ খন গাৱত বিজুলী নাই। মোৰ নিজৰ ঘৰটো বিলাসীপাৰাৰ পৰা ১ কিলোমিটাৰৰ ভিতৰত। স্কীম এপ্ৰভ কৰা হৈছে আৰু চিলিং ইচ্যু কৰা হৈছে। বিভাগীয় অফিচাৰে কামখিনি কিয় কৰিব নোৱাৰে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তি মন্ত্ৰী) ঃ** আপোনাৰ জৰিয়তে বিধায়ক গৰাকীক মোৰ চেম্বাৰলৈ মাতিছো। বিষয়াসকলো আহিব তাতে আলোচনা কৰিম।

* **মুস্তাফা চহীদুল ইচলাম ঃ** বিধায়কৰ ঘৰত এই অৱস্থা হৈছে। গতিকে ৰাইজৰ কি অৱস্থা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** বিজুলী অকল বিধায়কৰ ঘৰলৈ নাযায়। ৰাইজৰ ঘৰলৈও যায়।

(* ৬৩ ঃ প্ৰশ্নকৰ্ত্তা অনুপস্থিত।)

## বিষয় ঃ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে আঁচনি গ্ৰহণ।

**শ্ৰী ওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ**

* ৬৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৯৮-৯৯ চনত দঃ শালমাৰা অঞ্চল গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কৰাণে কোনো আঁচনি গ্ৰহণ কৰা হৈছিল নেকি? যদি কোনো আঁচনি গ্ৰহণ কৰা হোৱা নাই কিয়?

* Speach not corrected

(খ) দঃ শালমাৰা অঞ্চল গড়াখহনীয়াৰ কিমান মানুহ বা পৰিয়াল গৃহহীন হৈছে আৰু উক্ত পৰিয়াল বিলাকৰ কাৰণে বিকল্প স্থান (ওখ ভেটি) ব্যৱস্থা কৰা হৈছে নেকি?

**শ্ৰী প্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৮-৯৯ চনত দঃ শালমাৰা অঞ্চলত কোনো গড়াখহনীয়া প্ৰতিৰোধ আঁচনি গ্ৰহণ কৰা হোৱা নাই।

এই অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ বাবে উত্তৰ-পূব পৰিষদে বিস্তৃত Model studyৰ কাম হাতত লৈছে। উক্ত Model studyৰ কাম ব্ৰহ্মপুত্ৰ বোৰ্ডৰ ওপৰত ন্যস্ত কৰা হৈছে।

(খ) গড়াখহনীয়াৰ ফলত দঃ শালমাৰা অঞ্চলত ৫৮০৫ টা পৰিয়াল ক্ষতিগ্ৰস্থ হয়। উদ্ধৃত চৰকাৰী মাটি নোহোৱাৰ কাৰণে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই। ইতিমধ্যে বিকল্প ব্যৱস্থা হিচাপে ওখ ভেটি (Raised Plateform) নিৰ্মাণৰ আঁচনিৰ প্ৰস্তুতি চলাই থকা হৈছে।

* **শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে দক্ষিণ শালমাৰাত গড়াখহনীয়াৰ ফলত ৫৮০৫ টা পৰিয়াল ক্ষতিগ্ৰস্থ হয় বুলি কৈছে। মই জানিব বিচাৰিছো এই পৰিয়ালখিনি ১ বছৰ খহনীয়াৰ ফলত ক্ষতিগ্ৰস্থ হৈছে নে কেইবা বছৰ খহনীয়াৰ ফলত ক্ষতিগ্ৰস্থ হোৱা লোক।

* **শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেইটো উত্তৰ সঠিক ভাৱে দিব নোৱাৰিম। সেই বিষয়ৰ তথ্য সংগ্ৰহ কৰা হৈছে ডি, চিৰ পৰা। তেখেতৰ পৰা টোটেল নাম্বাৰহে পাইছো। কোন চনত কিমান হৈছে সেইটো দিয়া নাই।

* **শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, দক্ষিণ শালমাৰা অঞ্চলত গড়াখহনীয়াত ক্ষতিগ্ৰস্থ হোৱা লোকসকলৰ ৫৮০৫ টা পৰিয়াল এক বছৰৰ নে কেইবা বছৰৰ?

* **শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, দক্ষিণ শালমাৰা অঞ্চলত খহনীয়া প্ৰায় ১৯৮৪ চনৰ পৰা আৰম্ভ হৈছে। গতিকে এই লোক সকল যি ক্ষতিগ্ৰস্থ হৈছে এতিয়ালৈ খহনীয়াত ক্ষতিগ্ৰস্থ হোৱা লোক।

* **শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, ডি, চিয়ে যি উত্তৰ দিছে মই জনাত এই পৰিয়াল এক বছৰত ক্ষতিগ্ৰস্থ হৈছে। দক্ষিণ শালমাৰাত প্ৰতি বছৰে ৫-৬ হাজাৰ ক্ষতিগ্ৰস্থ হৈছে। এতিয়ালৈ প্ৰতিৰোধৰ ব্যৱস্থা লোৱা হোৱা নাই। দক্ষিণ শালমাৰাৰ ৰাইজ অসমৰে নাগৰিক। তেওঁলোকৰ প্ৰটেকচ্‌নৰ ব্যৱস্থা চৰকাৰে কৰা উচিত। কিন্তু মন্ত্ৰীয়ে কৈছে কোনো ব্যৱস্থা কৰা হোৱা নাই। ব্ৰহ্মপুত্ৰ বোৰ্ডে স্কীম হাতত লৈছে। কেতিয়া কৰিব মন্ত্ৰী মহোদয়ে জনাব নেকি?

* Speach not corrected

* **শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, দক্ষিণ শালমাৰা অঞ্চললৈ মই নিজেও কেইবাবাৰো গৈছো। পি, এ, চিৰ চেয়াৰমেন হিচাপেও গৈছো। এতিয়া তথ্য মতে দেখা যায় দক্ষিণ শালমাৰাত প্ৰটেকচ্নৰ কাৰণে ১৯৮৪ চনৰ পৰা ১৯৯৬ চনৰ ভিতৰত ১০-১২ খন আঁচনি লোৱা হৈছিল। এই আঁচনি ৰূপায়ন কৰাৰ কাৰণে খৰচ হয় ৮ কোটি ৯৯-লাখ ৪২ হাজাৰ টকা। গড়াখহনীয়া ইমান প্ৰবল যে আঁচনি কাৰ্যকৰী ন'হল। আৰু ব্ৰহ্মপুত্ৰৰ মাজত জাহ গ'ল। সেইকাৰণে ডাঙৰ আঁচনি লোৱাৰ আগতে চেন্ট্ৰেল ওৱাটাৰ কমিচনলৈ গৈছে। এই গোটেই বিলাক পৰীক্ষা কৰাৰ কাৰণে ব্ৰহ্মপুত্ৰ বোৰ্ডে মোডেল ষ্টাডিৰ কাম হাতত লৈছে। চেন্ট্ৰেল ওৱাটাৰ কমিচনৰ পাচত প্লেনিং কমিচনলৈ যাব।

* **শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, ৫ বছৰে দক্ষিণ শালমাৰাত প্ৰতিৰোধৰ কাম হাতত লোৱা নাই। মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো কি কাৰণত যোৱা ৫ বছৰত দক্ষিণ শালমাৰাত প্ৰতিৰোধৰ কাৰণে কোনো স্কীম হাতত লোৱা হোৱা নাই। প্ৰত্যেক বানপানীত হাজাৰ হাজাৰ মানুহে আশ্ৰয় ল'বলৈ কতো ঠাই নাই। মেঘালয়ত আশ্ৰয় ল'বলগীয়া হৈছে। ব্ৰহ্মপুত্ৰ বোৰ্ডে জৰীপ কৰিছিল। এতিয়ালৈ ওখ ভেটিৰ ব্যৱস্থা কৰা ন'হল। কি ব্যৱস্থা কৰা হ'ব।

* **শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পৰিস্কাৰ কৰি ক'ব বিচাৰিছো যে ১৯৮৪ চনৰ পৰা ১৯৯৬ চনৰ জানুৱাৰীলৈ ১২ খন স্কীম ৰূপায়ন কৰা হৈছে। সেই আঁচনিবিলাকত খৰচ হয় ৮ কোটি ৮৯ লাখ ৮২ হাজাৰ টকা। গতিকে এই আঁচনিবিলাক ব্যৰ্থ হ'ল। সেই কাৰণে চেন্ট্ৰেল ওৱাটাৰ কমিচনলৈ গৈছে। মোডেল টেষ্টিংৰ কাৰণে ব্ৰহ্মপুত্ৰ বোৰ্ডক এনষ্ট্ৰাষ্ট কৰিছে। আশা কৰিছো সোনকালে হ'ব।

* **শ্ৰী শৰৎ বৰকটকী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোডেল টেষ্টিংৰ সোনকালে ব্যৱস্থা কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন অনাৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে ব্ৰহ্মপুত্ৰ বোৰ্ডক মডেল টেষ্টিংৰ কাৰণে অনুৰোধ জনাইছো।

## বিষয় ঃ সমবায় সমিতি।

**শ্ৰী শৰৎ বৰকটকীয়ে সুধিছে ঃ**

* ৬৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) সোণাৰী বিধান সভা সমষ্টিৰ পূৰ অভয়াপুৰী সমবায় সমিতিখন নিৰ্বাচিত নে তদৰ্থ জনাবনে?

(খ) যদি নিৰ্বাচিত বা তদৰ্থ তেন্তে উক্ত সমিতিখনৰ নামসমূহ সদনত দাখিল কৰিবনে?

(গ) উক্ত সমবায় সমিতিখনৰ সভাপতিজনৰ নামটো জনাবনে? তেওঁ চৰকাৰী চাকৰি কৰে নে? যদি কৰে কোন বিভাগত আৰু কোন পদত।

(ঘ) উক্ত সমবায় সমিতিখনৰ টকা-পইচা ব্যাপক হাৰত খেলি-মেলি কৰাৰ অভিযোগ সত্য নে? যদি সত্য তেন্তে কি ব্যৱস্থা হাতত লৈছে জনাবনে?

**শ্ৰী নুৰুল হুচেইন (সমবায় মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) নিৰ্বাচিত।

(খ) নিৰ্বাচিত কমিটিৰ সদস্যসকলৰ নাম সমূহ হ'ল -

| | | |
|---|---|---|
| ১) শ্ৰী নাৰায়ণ লাহন | - | সভাপতি |
| ২) শ্ৰী নন্দেশ্বৰ গগৈ | - | উপ-সভাপতি |
| ৩) শ্ৰী গোণাৰাম লাহন | - | সদস্য |
| ৪) শ্ৰী মলিকা চেতিয়া | - | " |
| ৫) শ্ৰী কমলা চেতিয়া | - | " |
| ৬) শ্ৰী ৰামচন্দ্ৰ কলিতা | - | " |
| ৭) শ্ৰী বচিৰ আলী | - | " |
| ৮) শ্ৰী পুতুল গগৈ | - | " |
| ৯) শ্ৰী কাণো বৰগোঁহাই | - | " |
| ১০) শ্ৰী নিত্যা বড়ো | - | " |
| ১১) শ্ৰী ৰমেশ তেলি | - | " |
| ১২) শ্ৰী ভৱকান্ত বড়া | - | " |

(গ) সভাপতিৰ নাম শ্ৰী নাৰায়ণ লাহন। এতিয়া জানিব পৰা মতে তেওঁ চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সোণাৰী উপ-সংমণ্ডলৰ ৱৰ্ক চাৰ্জ খালাচী পদত কাম কৰে।

(ঘ) সমিতিৰ টকা-পইচা ব্যৱহাৰৰ ক্ষেত্ৰত খেলি-মেলি হোৱাটো সত্য। সমবায় সমিতিখনৰ যিসকল বিষয়ববীয়াই টকা আদায় দিবলগীয়া আছে তাৰ বাবে উক্ত ব্যক্তিসকলৰ পৰা টকা-পইচা আদায়ৰ জাননী সংশ্লিষ্ট সহকাৰী পঞ্জীয়কে যোৱা আগষ্ট মাহত জাৰি কৰিছে। তদুপৰি সমিতিৰ প্ৰাক্তন সম্পাদক শ্ৰীহৰেণ ৰাজখোৱাৰ বিৰুদ্ধে স্থানীয় সোণাৰী আৰক্ষী চকীত গোচৰ তৰা হৈছে।

* **শ্ৰী শৰৎ বৰকটকী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমবায়খন তদৰ্থ নে নিৰ্বাচিত?

* Speach not corrected

* শ্ৰী নুৰুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সমবায়খন নিৰ্বাচিত?

* শ্ৰী শৰৎ বৰকটকী ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীনাৰায়ণ লাহন এজন ৪ৰ্থ শ্ৰেণীৰ চাকৰীয়াল। তেওঁ সমবায় সমিতিৰ সভাপতি হ'ব পাৰে নেকি?

* শ্ৰী নুৰুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সমবায় খণ্ডৰ সভাপতি সকলক নিৰ্বাচিত কৰাৰ সময়ত কোনো আপত্তি নাথাকিলে সভাপতি হ'ব পাৰে।

* শ্ৰী শৰৎ বৰকটকী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জনাত বাই-ল মতে কোনো চাকৰীয়ালে সভাপতি হ'ব নোৱাৰে। এতিয়া তেওঁ চাকৰিয়াল হোৱাৰ কাৰণে তেওঁৰ ওপৰত কিবা ব্যৱস্থা ল'ব নেকি?

* শ্ৰী নুৰুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সমবায়ৰ নিয়মাৱলী এই ক্ষেত্ৰত নিৰৱ হৈ আছে। চৰকাৰী নিয়মত নিৰ্বাচিত হ'লে এইটো হ'ব পাৰে। নিৰ্বাচিত ব্যক্তি যিকোনো এজন হ'ব পাৰে যদি কোনোৱে ইয়াত প্ৰশ্ন নুতুলে।

* শ্ৰী শৰৎ বৰকটকী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জনাত সভাপতি হ'ব নোৱাৰে। এই ব্যক্তিজন চাকৰীয়াল হোৱাত তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* শ্ৰী নুৰুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় ২৯/৬/৯৭ চনতে এইটো হৈছিল। এতিয়া ৩/১১/৯৯ তাৰিখে আমাৰ ৰিপৰ্ট মতে তেতিয়া নিৰ্বাচিত হৈছিল। কোনোবাই আপত্তি কৰিলে ব্যৱস্থা ল'ব পাৰে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কনফিউজন কৰিছে নেকি? তেখেতে প্ৰথমতে কৈছে যে চাকৰি কৰিলেও পাৰিব। এতিয়া কৈছে যে দুই আঢ়ৈ বছৰ হৈ গ'ল। এতিয়াহে কথাটো উঠিছে। নমিনেশ্যনৰ সময়ত স্কুটিনি কৰিছিল নে নাই তাৰ কিবা ব্যৱস্থা কৰিব নেকি?

* শ্ৰীনুৰুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সমবায় খণ্ডৰ নিৰ্বাচনৰ সময়ত অনুমতি ল'ব লাগে। তেতিয়া কিবা অভিযোগ কৰিলে নাকচ কৰা হয়।

**Mr. Speaker :** Now question No. 66 Hon'ble Member Shri Prithivi Majhi

## বিষয় ঃ গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা।

**শ্ৰী পৃথিৱী মাঝিয়ে সুধিছে ঃ**

* ৬৬। মাননীয় বান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

---

* Speach not corrected

(ক) ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা লোৱাৰ দাবীত ডিব্ৰুগড় জিলাৰ ৰহমৰীয়া অঞ্চলৰ ৰাইজে আন্দোলনত নামি পৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে, জনাবনে?

(গ) ৰহমৰীয়াৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে কিমান টকাৰ প্ৰয়োজন হ'ব আৰু এই পূঁজি আবন্টন পোৱা হৈছে জনাবনে?

(ঘ) গড়াখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কেতিয়াৰ পৰা আৰম্ভ কৰা হ'ব?

(ঙ) উক্ত কাম কিমান দিনৰ ভিতৰত কাৰ্যকৰী কৰা হ'ব জনাবনে?

**শ্ৰী প্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) উক্ত গড়াখহনীয়া প্ৰতিৰোধৰ বাবে আনুমানিক ৩২৩.৫০ কোটি টকাৰ এখন আঁচনি প্ৰস্তুত কৰি আগন্তুক কাৰিকৰী উপদেষ্টা সমিতি উপস্থাপন কৰিবলৈ লোৱা হৈছে।

(গ) উক্ত গড়াখহনীয়া প্ৰতিৰোধৰ বাবে আনুমানিক ৩২৩.৫০ কোটি টকাৰ প্ৰয়োজন হ'ব। বৰ্ত্তমানলৈকে এই পূঁজিৰ কোনো আবন্টন পোৱা হোৱা নাই।

(ঘ) আঁচনিখনৰ কাৰিকৰী অনুমোদন আৰু প্ৰয়োজনীয় পূঁজিৰ আবন্টন সাপেক্ষে খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ কৰিব পৰা যাব।

(ঙ) আঁচনিখনৰ বৰ্ত্তমান পৰ্য্যায়ত এই প্ৰশ্ন নুঠে।

* **শ্ৰী পৃথিবী মাঝি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো যে 'খ' প্ৰশ্নৰ উত্তৰত ৩২৩.৫০ কোটি টকা নে ৩ কোটি ২৩ লাখ টকা।

* **শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ৩ কোটি ২৩ লাখ টকা।

* **শ্ৰী পৃথিবী মাঝি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ৩ কোটি ২৩ লাখ টকাৰ আঁচনি প্ৰস্তুত কৰিছে। মই ইয়াৰ আগতে জানিব পাৰিছিলো যে-মাঠল মাইজান আঁচনিৰ বাবে ৩৭ কোটিৰ বেছি টকা ধৰা হৈছিল।

* **শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুখিত এইটো ৩২৩.৫০ কোটি টকা।

* **শ্ৰী পৃথিবী মাঝি ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো টকা ধাৰ্য্য কৰা হৈছে এতিয়ালৈকে তাত কোনো কাম আৰম্ভ কৰা হোৱা নাই। আগৰ যি ৩৭ কোটি ৫৭ লাখ টকা ধৰা হৈছিল সেই টকাটো দিয়া ন'হল। এতিয়া যি ৩ শ ২৩ কোটি ৫০ লাখ টকা ধৰা হৈছে সেইটোৰ

* Speach not corrected

কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব।

* শ্ৰী প্ৰমোদ গঁগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ যিটোৰ কথা কোৱা হৈছে সেইটো দেখা যায় যে - মাইজানৰ ওপৰত হৈছে ৰহমহীয়া। এই গোটেই বেংকটো খহনীয়া প্ৰতিৰোধৰ কাৰণে চেন্ট্ৰেল ওৱাটাৰ কমিচনে লৈছে। এই বিষয়ে তেখেতসকলৰ লগত আলোচনা কৰা হৈছে।

* শ্ৰী পৃথিৱী মাঝি ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰীৰ উত্তৰত সন্তুষ্ট হ'ব পৰা নাই। ৰহমহীয়াত ৬০ খন গাওঁ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে, ৭ খন চাহ বাগিছা খহাই নিছে। এই বিষয়ে ২৫ তাৰিখৰ অগ্ৰদূত বাতৰি কাকতত লিখিছে। তাত লিখিছে 'লুইতে লৈ যাব ব্ৰহ্মপুত্ৰ চহৰ' । মোহনবাৰী বিমান কোঠৰ লগতে অসম মেডিকেল কলেজ আৰু পলিটেকনিক খহাই লৈ যাব। ডিব্ৰুগড় চহৰখন খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ সোনকালে ব্যৱস্থা ল'ব লাগে।

* শ্ৰী প্ৰমোদ গঁগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে জানে - ইয়াৰ কাৰণে আমি আঁচনি লৈছো। সেই আঁচনি প্ৰস্তুত হৈছে ১০ বছৰৰ আগতে। যোৱা বছৰ ৰূপায়নৰ কাম আৰম্ভ কৰা হৈছে। এতিয়া ৰহমহীয়া অঞ্চলৰ গড়াখহনীয়া প্ৰতিৰোধ প্ৰবল আৰু যথেষ্ট দীঘল। আমি চেন্ট্ৰেল ওৱাটাৰ কমিচনৰ পৰা ক্লিয়াৰেন্স আনিব লাগিব তেতিয়াহে এক্সকিউচন কৰিব পৰা হ'ব। টেক্নিকেল এডভাইচৰি কমিটি ২০ তাৰিখে বহিব তাৰ পিচত চেন্ট্ৰেল ওৱাটাৰ কমিচনলৈ যাব তাত পাচ হোৱাৰ পিচত প্লেনিং কমিচনলৈ যাব। তাত পাচ হোৱাৰ পাচত আমি কাম আৰম্ভ কৰিব পাৰিম।

* শ্ৰী পৃথিৱী মাঝি ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰহমহীয়াত মডেল টেষ্টিংৰ কাম আৰম্ভ হৈছে নেকি?

* শ্ৰী প্ৰমোদ গঁগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এতিয়ালৈকে হোৱা নাই।

* শ্ৰী পৃথিৱী মাঝি ঃ মাননীয় অধ্যক্ষ মহোদয়, কেতিয়া সম্পূৰ্ণ হ'ব আৰু কেতিয়া টকা পাব?

* শ্ৰী প্ৰমোদ গঁগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মডেল টেষ্টিং যিমান সোনকালে পাৰি পোৱাৰ চেষ্টা কৰিম।

**Mr. Speaker** : Now question No. 67. Hon'ble Dr. Nazrul Islam.

## বিষয় ঃ ভূৰাগাওঁ ৰাজহ চক্ৰত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া।

ডাঃ নজৰুল ইছলামে সুধিছে ঃ

* ৬৭। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

* Speach not corrected

(ক) লাহৰিঘাট সমষ্টিৰ ভূৰাগাও ৰাজহ চক্ৰত কিছু বছৰৰ পৰা প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত হাজাৰ হাজাৰ মানুহ গৃহহীন হোৱাটো চৰকাৰ অৱগত নে?

(খ) যদি অৱগত তেতিয়া হ'লে চৰকাৰে ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰোধৰ স্থায়ী সমাধানৰ কাৰণে কিবা ব্যৱস্থা লৈছেনে? যদি লোৱা নাই, কি কাৰণে লোৱা নাই?

**শ্ৰী প্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে তলত উল্লেখিত আঁচনি দুখন প্ৰস্তুত কৰি কেন্দ্ৰীয় জল আয়োগলৈ অনুমোদনৰ বাবে পঠোৱা হৈছে। আঁচনি কেইখন -

1. Anti erosion measure to protect extension of Bhuragaon retirement from the erosion of river Brahmaputra = Rs. 311.50 Lakhs.

2. Anti erosion measures to protect Brahmaputra dyke from Dhing to Jatiabari to Hilloikhunda at Barkur village from the erosion of river Brahmaputra Rs. 347.56 lakhs.

আঁচনি কেইখনৰ প্ৰয়োজনীয় অনুমোদন তথা পূঁজিৰ আৱন্টন পালে ৰূপায়নৰ কাম হাতত ল'ব পৰা যাব।

* **ডাঃ নজৰুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, লাহৰিঘাট সমষ্টিৰ ভূৰাগাওঁ ৰাজহ চক্ৰত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই ভয়াবহ সৃষ্টি কৰিছে। প্ৰত্যেক বছৰে হাজাৰ হাজাৰ লোক গৃহহীন হৈছে। পূঁজিৰ আৱন্টন এই বছৰৰ কাৰণে কৰিছে কিন্তু কাম আৰম্ভ কৰা নাই।

* **শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে জানে যে আমি যোৱা বছৰ গৰাখহনীয়াৰ দৰে এই বছৰ যাতে বেছি খহনীয়া হ'ব নোৱাৰে তাৰ কাৰণে আমি মথাউৰি নিৰ্মাণ কৰিছো। সেই মথাউৰিটো সম্পূৰ্ণ কৰি দিয়াৰ পিছত গোটেই অঞ্চলৰ লোক উপকৃত হ'ল। কিন্তু গড়াখহনীয়া বন্ধ হোৱা নাই। ফলত সেই অঞ্চলৰ ৪০ খন মান গাওঁত গড়াখহনীয়া হৈছে। সেই কাৰণে দুখন আঁচনি প্ৰস্তুত কৰিছো। আঁচনি দুখন চেন্ট্ৰেল ওৱাটাৰ কমিচনৰ ওচৰলৈ পঠিয়াম। আঁচনি দুখন ক্লিয়েৰ কৰিব পাৰিলে আমি কাম আৰম্ভ কৰিব পাৰিম বুলি ভাৱিছো।

* **ডাঃ নজৰুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহোদয়ে নিজে কৈছিল যে যেতিয়া লেণ্ড একুইজেচন কৰা হ'লে মাটিৰ ক্ষতি পূৰণ দিয়া হ'ব। কিন্তু আজিলৈকে মাটিৰ মালিকক টকা

* Speach not corrected

আদায় দিয়া হোৱা নাই। কিমান দিনৰ ভিতৰত টকাখিনি আদায় দিব পাৰিব।

* শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাটিৰ মালিকক টকা আদায় দিয়া হ'ব বুলি আশ্বাস দিয়াটো হয়। জিলা উপায়ুক্তৰ হাতত টকাটো আছে। হেডটো চেঞ্জ কৰাৰ কাৰণে চেষ্টা কৰা হৈছে। এইখিনি কাম কৰিব পাৰিলে সোনকালে টকাখিনি দিয়াৰ ব্যৱস্থা কৰিব পৰা যাব।

* ডাঃ নজৰুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, কিমান দিনৰ ভিতৰত আদায় দিব পাৰিব?

* শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, হেডটো চেঞ্জ কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। ইয়াত টেক্‌নিকেলৰ কথা আছে। জিলা উপায়ুক্তৰ হাতত টকাটোও আছে।

* ডাঃ নজৰুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, কেতিয়া দিব পৰা যাব সময় দিবনে?

* শ্ৰী প্ৰমোদ গগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, সময়ৰ ওপৰত নিৰ্ভৰ নহয়। চেষ্টা কৰিছো যিমান সোনকালে কৰিব পাৰো।

## বিষয় ঃ F.D.R শিতানৰ টকা।

**শ্ৰীকুমুদ চন্দ্ৰ দাসে সুধিছে ঃ**

* ৬৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) F.D.R শিতানৰ দৰং জিলাৰ বাবে ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ চনৰ বাবে কিমান কিমান টকা আবন্টন দিয়া হয়।

(খ) কোন কোন বিভাগত কিমান টকাৰ আবন্টন দিয়া হয় জনাবনে? (বৰ্ষিক ভিত্তিত)

(গ) কোন কোন বিধান সভা সমষ্টিত কিমানকৈ টকাৰ আবন্টন দিয়া হৈছে জনাবনে? (বাৰ্ষিক ভিত্তিত)

**ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে সুধিছে ঃ**

(ক) দৰং জিলা উপায়ুক্তৰ পৰা পোৱা প্ৰস্তাৱৰ ভিত্তিত ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ বৰ্ষত মুঠ ১,১৯,৭৩,৭৩০.০০ টকা আবন্টন দিয়া হৈছে।

(খ) ভিন ভিন বিভাগৰ মেৰামতিৰ কামৰ বাবে আবন্টন দিয়া টকাৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল। (See the Annexure-I)

(গ) বিধান সভা সমষ্টি ভিত্তিত কোনো টকাৰ আবন্টন দিয়া নহয়।

* শ্ৰী কুমুদ চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা জানিব বিছাৰিছো যে ১৯৯৭-

* Speach not corrected

৯৮ চনত সাধাৰণ প্ৰশাসনক মেৰামতিৰ কাৰণে কিমান টকা দিয়া হৈছিল।

* **ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, দৰং জিলাৰ উপায়ুক্ত সাধাৰণ প্ৰশাসনৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ৫ লাখ টকা দিয়া হৈছিল।

* **শ্ৰী কুমুদ চন্দ্ৰ দাস** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, অন্য কোনো বিভাগক দিয়া হৈছিল নেকি?

* **ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মেৰামতি কামৰ কাৰণে কোন কোন বিভাগক দিয়া হৈছে তাৰ এখন তালিকা সদনত দিয়া হৈছে।

* **শ্ৰী কুমুদ চন্দ্ৰ দাস** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, ১৯৯৮-৯৯ চনত বন বিভাগত মেৰামতি কৰাৰ কাৰণে ১০ লাখ টকা অৱন্টন দিয়া হৈছিল। সেই মেৰামতি কৰা ঠাইখিনি বানপানীত ক্ষতিগ্ৰস্ত হৈছে নেকি? বিশেষকৈ ফৰেষ্ট আ,বিৰ কাৰণে কৰা মেৰামতি খিনি ক্ষতিগ্ৰস্ত হৈছে নেকি?

* **ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, কাজিৰঙা আৰু ওৰাঙৰ কাৰণে আমি পইচা দিছো। সেই পইচাখিনি আমি বন বিভাগক দিছিলো। ১৯৯৭-৯৯ চনত বৃদ্ধি কৰি তেখেত সকলে প্ৰায় ১৭ লাখ টকা বিচাৰিছিল আমি ১০ লাখ টকাহে দিছো।

* **শ্ৰী কুমুদ চন্দ্ৰ দাস** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিখন আঁচনি হাতত লৈছে সেই অঞ্চল সমূহত বানপানী হৈছে নে নাই?

* **ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, বানপানীত ক্ষতিগ্ৰস্থ হৈছে নে নাই এই কথাটো জিলা উপায়ুক্ত বা মহকুমাধিপতি বা সংশ্লিষ্ট বিভাগৰ মুৰব্বী বিষয়া বা প্ৰতিনিধিৰ ওপৰত নিৰ্ভৰ কৰে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, বানপানী হোৱা ফৰেষ্টবোৰত য'ত ফৰেষ্ট গেষ্ট হাউচ আছে সেইবোৰ বানপানীয়ে উটুৱাই নিছে নেকি? এফ, ডি, আৰৰ পৰা ধেমাজিত পইচা বেছি পাব লাগে। প্ৰকৃত ফ্লাড এফেক্টটেড এৰিয়াবিলাকত পইচা নিদি গুৱাহাটীত পইচা দিয়ে। জোনাই, ধেমাজি, ভেল্লা আদি গোটেই ফ্লাড এফেক্টটেড এৰিয়াত দিব লাগিছিল। এতিয়া প্ৰকৃত ফ্লাড এফেক্টটেড এৰিয়া অঞ্চলত দিব পাৰে। কাৰণ তাত ৰেচিঅ' উত্থাপিত হ'ব। আমি জনাত প্ৰকৃত অঞ্চলবিলাকত দিয়া হোৱা নাই। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো ধেমাজি, জোনাই, উত্তৰ লক্ষীমপুৰ, ঢকুৱাখানা, নলবাৰী আৰু গোলাঘাট আদি অঞ্চলবিলাকত মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'ব।

* **ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় বিধায়ক গৰাকীয়ে উত্থাপন কৰা কথাবোৰ আমি নিশ্চয় মনত ৰাখিম।

* Speach not corrected

## বিষয় ঃ সাহাৰ্য্য আৰু পুনৰ সংস্থাপন।

**শ্ৰী শুকুৰ আলীয়ে সুধিছে ঃ**

* ৬৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বছৰত অসমত কিমান হেক্টৰ মাটি ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াৰ কবলত পৰিছে?

(খ) উক্ত গড়াখহনীয়াৰ ফলত কিমানটা পৰিয়াল গৃহহীন হৈছে?

(গ) বৰপেটা জিলাৰ চেঙা মৌজাৰ মালিপাৰা আৰু বগৰীবাৰী মৌজাৰ লক্ষীপুৰ গাওঁত গড়াখহনীয়াৰ ফলত কিমানটা পৰিয়াল গৃহহীন হৈছে?

(ঘ) উক্ত গৃহহীন পৰিয়ালক সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছেনে? যদি ব্যৱস্থা কৰা হোৱা নাই কেতিয়া কৰা হ'ব?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চলিত বছৰত অসমত বিভাগৰ হাতত পৰা তথ্য অনুযায়ী ৩৯৩৭.৮৭ হেক্টৰ মাটি ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াৰ কবলত পৰিছে।

(খ) ৫৪৩৭ টা পৰিয়াল।

(গ) চেঙা মৌজাৰ মালিপাৰা গাওঁৰ ৬০ টা পৰিয়াল আৰু বগৰীবাৰী মৌজাৰ লক্ষীপুৰ গাওঁৰ ৭৬ টা পৰিয়াল গড়াখহনীয়াৰ ফলত গৃহহীন হৈছে।

(ঘ) উপযুক্ত ভূমি নোপোৱা হেতুকে উক্ত গৃহহীন হোৱা পৰিয়াল সকলক পুনৰ সংস্থাপিত কৰিব পৰা হোৱা নাই। আৱশ্যকীয় ভূমিৰ যোগাৰ সাপেক্ষে বৰপেটাৰ উপাযুক্তক সোনকালে ব্যৱস্থা ল'বলৈ কোৱা হৈছে।

* **শ্ৰী শুকুৰ আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বৰপেটা জিলাৰ চেঙা মৌজাৰ মালিপাৰা আৰু বগৰীবাৰী মৌজাৰ লক্ষীপুৰ গাওঁত গড়াখহনীয়া হোৱাৰ ফলত বহু কেইটা পৰিয়াল গৃহহীন হৈছে। এই পৰিয়াল কেইটাক সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ কাৰণে জিলা উপায়ুক্তৰ পৰা নিৰ্দেশ দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ আগতে এই মানুহখিনিক এককালীন সাহাৰ্য্য দিয়াৰ ব্যৱস্থা মাননীয় মন্ত্ৰী মহোদয়ে কৰিবনে?

* **ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় বিধায়ক গৰাকীয়ে উল্লেখ কৰিছে যে প্ৰকৃতিক দুৰ্যোগত বহু কেইটা পৰিয়াল ক্ষতিগ্ৰস্থ হৈ গৃহহীন হৈছে। তেখেতৰ উত্তৰত মই কওঁ যে গড়াখহনীয়া হোৱা বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগত যদি ক্ষতিগ্ৰস্থ হয়, তেনে ক্ষেত্ৰত

* Speach not corrected

নিজৰ ম্যাদী পট্টা থকা লোককহে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব পৰা যায়। কিন্তু চৰকাৰী মাটি বেদখল কৰি থাকিলে আৰু তাত যদি ক্ষতিগ্ৰস্থ হয় তেনেহ'লে সেইসকলক ক্ষতিপূৰণ দিয়া বা পুনৰ সংস্থাপন বা অনুদান দিয়াত অসুবিধা আছে।

* **শ্ৰী শুকুৰ আলী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে চৰ অঞ্চলত বহু মানুহ বসবাস কৰে। তেওঁলোকে ম্যাদি পট্টা মাটিৰ পৰা বঞ্চিত হৈ আছে। এই নিয়মত চৰ অঞ্চলত বসবাস কৰা লোকসকলে মাটি নাপাব। মালিপাৰা গাওঁত গড়াখহনীয়া হৈছে, লক্ষীপুৰ গাওঁৰ মাটি নাইকিয়া হৈছে। যিটো নিয়ম গ্ৰহণ কৰিছে এই নিয়ম পৰিবৰ্ত্তন কৰিব নেকি?

* **ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, তিনি ভাগৰ দুই অংশ ধন কেন্দ্ৰীয় চৰকাৰৰ পৰা আহে। কেন্দ্ৰীয় চৰকাৰৰ যি ধন আহে, কেনেকৈ পইচা দিব পাৰি তাৰ কাৰণে ইনষ্ট্ৰাকচ্‌ন আহে। গতিকে সেই নিয়ম কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দেশ নহালৈকে সলনি কৰিব নোৱাৰি। কেন্দ্ৰীয় চৰকাৰৰ জড়িত হৈ আছে। তথাপি মাননীয় সদস্য গৰাকীয়ে যি কথা কৈছে পৰীক্ষা-নিৰীক্ষা কৰি চোৱা হ'ব।

* **শ্ৰী শুকুৰ আলী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখিনি মানুহ গৰাখহনীয়া হৈ ম্যাদি পট্টাৰ পৰা বঞ্চিত হৈছে, সেই মানুহখিনিক মাটি দিব পাৰিব নেকি? তেনেকুৱা মাটি কৰবাত আছে নেকি?

* **ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উপাযুক্তক নিৰ্দেশ দিয়া হৈছে। তেখেতৰ পৰা প্ৰতিবেদন পালেহে দিব পৰা হ'ব।

## বিষয় ঃ ভূমিহীন পৰিয়ালক পুনৰ সংস্থাপন।

**শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞাই সুধিছেঃ**

* ৭০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বোকাখাত মহকুমাৰ বংকোৱাল আৰু ধনশ্ৰী মুখৰ গড়াখহনীয়াত ভূমিহীন হোৱা পৰিয়াল সমূহৰ পুনৰ সংস্থাপনৰ বাবে কিবা আঁচনি গ্ৰহণ কৰিছেনে?

(খ) যদি কৰিছে, কেতিয়া ক'ত সংস্থাপনৰ কৰা হ'ব জনাবনে?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) আৰু (খ) বোকাখাত মহকুমাত আৱশ্যকীয় চৰকাৰী মাটিৰ অভাৱ হোৱা হেতুকে বংকোৱাল আৰু ধনশ্ৰীমুখৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্থ হোৱা ৩২৯ টা পৰিয়ালৰ এখন তালিকা বোকাখাটৰ মহকুমাধিপতিয়ে গোলাঘাটৰ উপাযুক্তলৈ প্ৰেৰণ কৰিছে যাতে উক্ত লোক সকলক গোলাঘাট জিলাৰ কোনো সুবিধাজনক ঠাইত পুনৰ সংস্থাপিত কৰিব পৰা যায়।

* Speach not corrected

* **শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞা ঃ** অধ্যক্ষ মহোদয়, এই পুনসংস্থাপনৰ কাৰ্য্য কেতিয়াৰ পৰা আৰম্ভ কৰিব? গড়াখহনীয়াত ভূমিহীন হোৱা লোক সকল মিছিং মানুহ। গতিকে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো শীঘ্ৰে তেওঁলোকক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে। কেতিয়া দিব মই জানিব বিচাৰিছো।

* **ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ভকতপাৰা অঞ্চলত সুবিধাজনক মাটি বিচাৰি থকা হৈছে। মাটি পালে দিয়া হ'ব। ইতিমধ্যে ৩২০ টা পৰিয়ালৰ এখন তালিকা বিভাগক দিয়া হৈছে। যি সকল পোৱাৰ যোগ্য তেওঁলোকক মাটি দিয়াৰ কাৰণে বিবেচনা কৰা হ'ব।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, সেই পৰিয়াল কেইটা কিমান চনৰ পৰা বসবাস কৰি আছে। অসম ট্ৰিবিউনত এই বিষয়ে খবৰ প্ৰকাশ হৈছে। মন্ত্ৰী মহোদয়ে জনাব নেকি?

* **ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ তথ্য বৰ্ত্তমান মোৰ হাতত নাই। মাননীয় সদস্য গৰাকীক কাইলৈ দিব পাৰিম।

* **শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো অঞ্চলৰ কথা কৈছে সেই ঠাইত কতো খালিমাটি নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ভূমিহীন লোক সকলক যাতে পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰা হয়। ভূমিহীন লোকক ভূমি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* **ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই বিষয়টো গোলাঘাট জিলাৰ উপায়ুক্তই প্ৰতিবেদন দিয়াৰ পিচতহে মই বিবেচনা কৰিব পাৰিম।

## বিষয় ঃ ম্যাদি পট্টা প্ৰদান।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ৭১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

নগাওঁ জিলাৰ ৰাজহ বিভাগৰ জৰিয়তে ১৯৯৬ চনৰ পৰা ১৯৯৯ চন পৰ্য্যন্ত কিমানজন ব্যক্তিক ম্যাদি পট্টা দিয়া হ'ল। (অনুগ্ৰহ কৰি নাম আৰু ঠিকনা জনাব)

**ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৬ চনৰ পৰা ১৯৯৯ চন পৰ্য্যন্ত নগাওঁ জিলাত মুঠ ২,৪৭১ (দুই হাজাৰ চাৰিশ একসত্তৰ) জন ব্যক্তিক ম্যাদি পট্টা প্ৰদান কৰা হয়। ( তালিকা দাখিল কৰা হ'ল )

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব লাগে যে ম্যাদি পট্টা দিয়াৰ নিয়ম কি? দ্বিতীয়তে, মন্ত্ৰী মহোদয়ৰ দ্বাৰা যিখন তালিকা দাখিল

* Speach not corrected

কৰা হৈছে, এই তালিকাখন সম্পূৰ্ণ হয় নে নহয়?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই তালিকাখন নিয়ম অনুযায়ী কৰা হৈছে। যদি মাটি পট্টন দিয়াৰ ব্যৱস্থা আছে। চেটেলমেন্টৰ সহায় লৈ দিয়া হয়। আমাৰ তালিকা সম্পূৰ্ণ।

* শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, উক্ত তালিকাখন সম্পূৰ্ণ তালিকা নহয়, দেখিবলৈ পাইছো নগাওঁত চাৰিটা চাৰ্কোল নাই। মাননীয় মন্ত্ৰী মহোদয়ে খং নেখাব, যেতিয়া মাটি পট্টা দিয়া হয় চাব লাগে। মাটি পট্টনৰ কেচ কিয় লোৱা হোৱা নাই।

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, জিলা উপায়ুক্তই তথ্য দিয়াৰ কাৰণে চৰকাৰে নিৰ্দেশ দিছিল। তেখেতে যি তথ্য দিছে সেই মতে কৰা হয়। যদি কিবা প্ৰশ্নৰ ওপৰত আসোঁৱাহ আছে, তেতিয়া হ'লে সেই বিষয়াই ভুল তথ্য দিলে তেওঁৰ ওপৰত ব্যৱস্থা লোৱা হ'ব।

## Re. : Protection of Maduramukhghat.

**Shri Bimolangshu Roy asked :**

* 72. Will the Minisuter of FLood Control be pleased to state?

(a) Is it a fact that a scheme for protection of Maduramukhghat at Silchar was approved by T.A.C in 1991-92 but no work has been undertaken till today?

(b) Is it a fact that four shopes have gone to the river in the last week of September, 1999 and a vast area and hundreds of people are threatended to be seriously affected by erosion of river bank at Maduraghat?

(c) Will the Government take urgent steps for protection of Maduraghat?

(d) If so, when work is likely to commence?

**Sri Promod Gogoi (Flood Control Minister) replied :**

(a) Yes.

(b) It is a fact that erosion of river bank has affected Maduragat area.

(c) Due to changed configuration the earlier proposal requires review by T.A.C. on approval of T.A.C. and Cachar Flood Control Board the scheme will be considered for implementation subject to availability of fund.

* Speach not corrected

(d) In view of the reply furnished against (c) above, this does not arise.

* **Shri Bimolangshu Roy :** Hon'ble Minister has admitted that the schemes for protection of Maduraght at Silchar was approved in the year 1991-92. In the mean time, it has damaged so much property. Four shopes have gone to the river in the last week of September, 99. It has gone to river Barak. Already eight years elapsed; may I know when they felt to review the scheme?

* **Shri Promode Gogoi (Minister, Flood Control) :** Originally there were two schemes taken up by the Department. Protection of Silchar town from erosion of river Barak on its L.B. at Maduramukh area at an estimated cost of Rs. 42.16 lakhs and protection of Silchar town from erosion of river Barak on its L.B. at Krishnanagar area at an estimated cost of Rs.24.44 lakhs were formulated and recommended by the T.A.C. on its 23rd meeting held on 23.11.92. But due to acute paucity of funds since 1992 the scheme could not be taken up during that period. Subsequently, it was noticed that the rate of erosion had been retarded. The river configuration has now changed and as such the previous proposal needs to be reviewed. Therefore, the schemes will be reviewed and the schemes will be place in the next T.A.C. meeting.

* **Shri Bimolangshu Roy :** Why Government felt the necessity of reviewing the scheme to implement. Whether Government will take appropriate action.

* **Shri Promode Gogoi (Minister, Flood Control) :** The Department will take appropriate action. Speaker sir, on approval by the T.A.C. the Department will take appropriate action for its implementation.

**Mr. Speaker :** Now, question No.73. Hon'ble Member Dr. Kalyan Kr. Gogoi.

## বিষয় ঃ মাটি দখল।

ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ

* ৭৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অৰুণাচল চৰকাৰৰ দ্বাৰা অসমৰ সীমান্ত অঞ্চলৰ অসমৰ সংৰক্ষিত বনাঞ্চলৰ মাটি বেদখল

* Speach not corrected

কৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে অসমৰ সীমান্ত অঞ্চলৰ কোন কেইখন জিলাৰ কোন কোন অঞ্চলত কিমান হেক্টৰ অসমৰ সংৰক্ষিত বনাঞ্চল মাটি বেদখল কৰিছে? (তাৰ এখন তালিকা সদনৰ মেজত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল।)

(গ) এই বেদখল ৰোধ তথা উচ্ছেদ কৰিবৰ অৰ্থে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি?

**শ্ৰী নগেন শৰ্মা (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) তালিকা এখন সংলগ্ন কৰা হ'ল। (See the Annexure-II)

(গ) নতুন বেদখল ৰোধ কৰাৰ বাবে চৰকাৰে সময়ে সময়ে উচ্ছেদ কাৰ্য্য হাতত লৈ আছে। কিন্তু পুৰণা বেদখল বোৰৰ ক্ষেত্ৰত দুয়োখন ৰাজ্যৰ মাজত মাজে সময়ে আলাপ আলোচনা চলাই বিষয়টো দুয়ো পক্ষৰ সহযোগত সমাধা কৰাৰ চেষ্টা কৰি থকা হৈছে।

* **ডাঃ কল্যাণ কুমাৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে পূৰ্বাঞ্চলৰ বহু অঞ্চল অৰুণাচলে বেদখল কৰি আছে আৰু আজি পৰ্য্যন্ত এই বেদখল মুক্ত কৰিব পৰা নাই। দ্বিতীয়তে, মন্ত্ৰী মহোদয়ে জনাইছে যে পুৰণা অঞ্চল বিলাকৰ পৰা বেদখল উচ্ছেদ কৰা হৈছে। কিন্তু নতুন বিলাক উচ্ছেদ কৰা হোৱা নাই। এই বিলাক অঞ্চল অৰুণাচলক দি দিলে নেকি? এই দুয়োটা কথাৰ উত্তৰ মই বিচাৰিছো।

* **শ্ৰী নগেন শৰ্মা (বন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৬ চনৰ পৰা ১৯৯৯ চনলৈকে ৩৬ বাৰ উচ্ছেদ কাৰ্য্য চলোৱা হৈছে। কিন্তু মাজে মাজে উচ্ছেদ কাৰ্য্য বন্ধ কৰি অসম, অৰুণাচল আৰু অসম, নাগালেণ্ডৰ লগত আলোচনা কৰিবৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে। আৰু সমিলমিলৰ মাজেদি সীমা বিবাদ নিষ্পত্তি কৰিব বিচৰা হৈছে।

* **ডাঃ কল্যাণ কুমাৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, শেহতীয়াকৈ কোন কোন ঠাইৰ পৰিৱৰ্ত্তে কোন ঠাইলৈ অনুপ্ৰৱেশ ৰোধ কৰাৰ আলোচনা কৰি হৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

* **শ্ৰী নগেন শৰ্মা (বন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে ১৯৯২ আগষ্ট মাহৰ ১৮ তাৰিখে অসম আৰু অৰুণাচল চৰকাৰৰ লগত আলোচনা হৈছিল।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, অৰুণাচলে অসমৰ বহুমাটি বেদখল কৰাটো এশ ভাগৰ এশ ভাগেই সচাঁ কথা। পুৰণি অঞ্চল বিলাক উচ্ছেদ কৰাৰ কথা কৈছে, কিন্তু ৰাইজৰ স্বাৰ্থৰ বাবে আমাৰ মন্ত্ৰী বিনোদ গোৱালা ডাঙৰীয়াই যোৱা ২৫ জুন তাৰিখে

* Speach not corrected

জীয়াঢল ফৰেষ্ট ৰিজাৰ্ভত জিলা উপায়ুক্ত, ৰাজহ সচিব, আৰক্ষী অধীক্ষক আদি সকলোকে লৈ গৈছিল। মন্ত্ৰী মহোদয়, সীমান্ত অঞ্চলৰ চৰজমিন তদন্ত কৰিব লৈ গৈছিল কিন্তু অৰুণাচল সীমান্তত যিবিলাক নতুন ঘৰ সাজিছে সেই সম্পৰ্কত উপায়ুক্তৰ ৰিপৰ্টত একো উল্লেখ নাই। মন্ত্ৰীয়ে উাপায়ুক্তৰ পৰা ৰিপৰ্ট কৰা স্বত্বেও উপায়ুক্তৰ পৰা কিন্তু আমাৰ ফালে বনোৱা ঘৰ ভঙাৰ-ৰিপৰ্ট আজিলৈ নাই। মই বিধায়ক হিচাপে বাৰম্বাৰ কৈয়ো এই বিলাক উচ্ছেদ কৰিব পৰা নাই। ঘৰবিলাকৰ ফটো তোলা হৈছে, ফেন্স দিয়া হৈছে, ডব্লিউ টি দিয়া হৈছে। কিন্তু উপায়ুক্তৰ ফালৰ পৰা একো বিশেষ ব্যৱস্থা লোৱা হোৱা নাই।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ অৰ্ডাৰ নমনাৰ কাৰণে উপায়ুক্তৰ বিৰুদ্ধে ব্যৱস্থা লোৱ হৈছে নে নাই?

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ উপায়ুক্তক মাটি আনি মন্ত্ৰী নিজে স্পটলৈ যাওঁক, ৰাজহ মন্ত্ৰীও যাওঁক আৰু ঘৰবিলাক ভাঙি দিয়াৰ ব্যৱস্থা কৰক। যদি নকৰে ডি, চিৰ ওপৰত ব্যৱস্থা লওঁক।

* শ্ৰী নগেন শৰ্মা (বন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, উপায়ুক্তৰ লগত আলোচনা কৰি তদন্ত সাপেক্ষে ইয়াৰ ওপৰত ব্যৱস্থা লম।

## Re. : Rehabilitation of affected families.

**Shri Bhimananda Tanti asked :**

* 74. Will the Minisuter of Revenue be pleased to state :

(a) Whether the Government is aware of the fact that the Jiabharali river and Sabhasu river washed away many houses of Bihiagaon, Singitala, Korbkani under Samdhar G.P. and Bhelowater and Paglabil under Borjuli and Thakurbari G.P.?

(b) If so, what are the total houses washed away?

(c) What steps Government has taken to rehabilitate families?

**Dr. Zoii Nath Sarma (Minister, Revenue) replied :**

(a) Dwelling houses of 138 families of Bihiagaon, Singitala (Singritoli) and Korokani under Samdhar G.P. were eroded by the Jiabharali river. No erosion at Bhelowater and Peglabilgaon by the Gabharu river has been reported.

(b) 138 Nos. of Dwelling houses washed away.

* Speach not corrected

(c) D.C. Sonitpur is assessing the damage and preparing rehabilitation proposal.

## বিষয় ঃ বিজুলী শক্তি উৎপাদন।

**শ্ৰী মণিৰাম পাথৰিয়ে সুধিছে ঃ**

* ৭৫। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ভাৰত চৰকাৰৰ অনুমোদিত (NEC)ৰ এটা প্ৰজেক্ট হিচাবে ৰঙানদী হাইড্ৰো ইলেকট্ৰনিকেল প্ৰজেক্ট অৰুণাচল প্ৰদেশৰ ইয়াদ আলিত (NEEPCO) য়ে ৰূপায়িত কৰি আছে সঁচানে?

(খ) অসমৰ লক্ষীপুৰ জিলাৰ মাজেৰে বৈ যোৱা ৰঙানদীৰ জল সম্পদ ভাগ ব্যৱহাৰ কৰি ৪০৫ মেগাৱাট বিজুলী শক্তি উৎপাদন কৰিব লোৱা কথাটো সঁচানে?

(গ) অসম চৰকাৰে এইদৰে উৎথাপিত বিজুলী শক্তিৰ কিবা অংশ পাবনে?

(ঘ) যদি নাপায় অসমৰ ৰঙানদী আৰু ডিব্ৰুনদী অৱবাহিকা এলেকাত হ'ব পৰা সম্ভাব্য ক্ষতিৰ বাবে ভাৰত চৰকাৰৰ পৰা কিবা আঁচনি দাবী কৰা হৈছে নেকি সবিশেষ জনাবনে?

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয় সঁচা।

(খ) হয়, সঁচা, কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন সাপেক্ষে।

(গ) অসম চৰকাৰে এই উৎপাদিত বিদ্যুৎ শক্তিৰ কিছু অংশ ধন আদায়ৰ বিনিময়ত পাব।

(ঘ) চৰকাৰৰ বান নিয়ন্ত্ৰণ বিভাগে সংশ্লিষ্ট এলেকাত হ'ব পৰা সম্ভাব্য ক্ষতিৰ বাবে ডিক্ৰং নদীৰ দুয়োপাৰৰ বান্ধ (embankment) ওখ আৰু মজবুত কৰণৰ লগতে গড়াখহনীয়া ৰোধৰ বাবে ৮৩৫.৮৫ লাখ টকাৰ আঁচনি এটা ১৯৯২ চনৰ ডিচেম্বৰ মাহত (NEEPCO)ত দাখিল কৰিছিল। (NEEPCO)য়ে এটা সামান্য অংশ বহন কৰিবলৈ মান্তি হৈছিল। (NEEPCO)ক সম্পূৰ্ণ ধন বহন কৰিবলৈ কেইবাবাৰো কোৱা স্বত্বেও তাৰ পৰা একো সঁহাৰি পোৱা নগ'ল। তাৰ পিচত ১৯৯৮ চনৰ অক্টোবৰ মাহত উত্তৰ-পূব পৰিষদক আঁচনিটোৰ সম্পূৰ্ণ ধন বহন কৰিবলৈ প্ৰস্তাৱ দিয়া হৈছে। বৰ্ত্তমান প্ৰাক্কলন মতে, এই আঁচনিৰ ধন ১৩৩৭ লাখ টকা হ'ব। এই সন্দৰ্ভত বান নিয়ন্ত্ৰণ বিভাগে তেখেত সকলৰ সিদ্ধান্তৰ বাবে অপেক্ষা কৰি আছে। বান নিয়ন্ত্ৰণ বিভাগৰ মতে, ৰঙানদীৰ নামনি ভাগত অতীজৰে পৰা বসতি কৰি অহা লোক সকলৰ মাজত এই আশংকা আছে বুলি কয় যে খৰাং কালত ৰঙানদীখন উক্ত প্ৰকল্প স্থাপনৰ বাবে নামনি ভাগত শুকাই যাব।

* Speach not corrected

গতিকে (NEEPCO) ৰ পৰা নিম্নতম পানী ভাগ নামনি ৰঙানদীত এই খৰাং কালতো বাহাল ৰখাৰ আশ্বাস বিচাৰিছো।

* শ্ৰী মণিৰাম পাথৰি ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে (গ) প্ৰশ্নৰ উত্তৰত কৈছে যে উৎপাদিত বিজুলী শক্তিৰ কিছু অংশ পোৱা যাব কিন্তু পইচা দিব লাগিব। কিন্তু অসমৰ জল সম্পদ ব্যৱহাৰ কৰি নিপকোৱে জলবিদ্যুৎ ৪৫৫ মেগাৱাট পৰ্য্যন্ত উৎপাদিত কৰিব সেই বিদ্যুৎ শক্তিৰ কাৰণে আমি কিয় পইচা দিব লাগিব? চৰকাৰৰ ফালৰ পৰা এই ক্ষেত্ৰত ভালদৰে আলাপ-আলোচনা কৰা হৈছে নে আমাক জনাবনে?

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখন ৰাজ্যত এনে ধৰণৰ প্ৰকল্প স্থাপন কৰা হয় সেইখন ৰাজ্যত ফ্ৰী-পাৱাৰ দিয়াৰ এটা নিয়ম আছে। নিপকোত আছে। বৰ্ত্তমান যিহেতু ৰঙানদী প্ৰকল্পৰ উৎস অৰুণাচলত পৰিছে, গতিকে আমাৰ ৰাজ্যত ফ্ৰী পাৱাৰ দিয়াটো সম্ভৱ নহ'ব।

* শ্ৰী মণিৰাম পাথৰি ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰকল্প স্থাপন নকৰাৰ পিচত অসমৰ বিস্তৰ ক্ষতি হ'ব। বিশেষকৈ ডিক্ৰং নদীৰ ক্ষতি বেছি হোৱাৰ সম্ভাৱনা আছে। আকৌ (ঘ) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে ৰঙানদীৰ অৱবাহিকাত বসতি কৰা লোকসকল আতংকিত হৈ পৰিছে। কিয়নো ৰঙানদীৰ পানী শুকাই যাব। তাৰোপৰি ৰঙানদীৰ প্ৰকল্পৰ কাৰণে সুৰঙ্গইদি যি পানী প্ৰৱাহিত কৰোৱাৰ ফলত ডিক্ৰং নদী শুকাই যাব আৰু লগে লগে আমাৰ সম্পদ শিল, বালি আৰু মাছো নদীৰ পৰা নোহোৱা হৈ যাব। এইকথা ইক'লজিষ্ট সকলে সন্দেহ প্ৰকাশ কৰিছে।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ কথাৰ লগত মই একমত। কিন্তু এই কথাখিনি আচলতে প্ৰকল্পটো আৰম্ভ কৰাৰ পূৰ্বেই আলোচনা কৰি ঠিক কৰি ল'ব লাগিছিল। ইয়াৰ লগত আমাৰ বিদ্যুৎ বিভাগৰ লগতে বানপানী বিভাগো জড়িত হৈ আছে। যোৱা বছৰ আমি এইবোৰ কথা এন, ই, চিত্তো জনাইছোঁ।

Starred question Nos. 76 to 80 could not be taken for discussion as the question hour is over. However, the replies of the said questions deemed to laid on the table of the House.

## বিষয় ঃ বিভিন্ন শক্তি সম্পন্ন ট্ৰেন্সফৰমাৰ।

শ্ৰী মোহন দাসে সুধিছে ঃ

* ৭৮। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ, পাঠশালা উপ-সংমণ্ডলৰ অধীনত বিভিন্ন শক্তি সম্পন্ন

* Speach not corrected

কিমান ট্ৰেন্সফৰমাৰ (Transforrmer) আছে।

(খ) উক্ত ট্ৰেন্সফৰমাৰ সমূহৰ কিমানটা অচল অৱস্থাত আৰু কিমানটা বিকল হৈ আছে?

(গ) বিকল হৈ থকা ট্ৰেন্সফৰমাৰ সমূহ মেৰামতিৰ নাইবা সলনি কৰি দিয়াৰ তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পাঠশালা উপ-সংমণ্ডলৰ অধীনত সৰ্বমুঠ ২৩৮ টা ট্ৰেন্সফৰমাৰ তলত দেখুওৱা ধৰণে আছে।

| | | | | |
|---|---|---|---|---|
| ২ | টা | - | ৫০০ | কেঃভিঃএ |
| ৭ | টা | - | ২৫০ | কেঃভিঃএ |
| ২৮ | টা | - | ১০০ | কেঃভিঃএ |
| ৫৬ | টা | - | ৬৩ | কেঃভিঃএ |
| ৯৪ | টা | - | ২৫ | কেঃভিঃএ |
| ৫১ | টা | - | ১৬ | কেঃভিঃএ |

(খ) তলত দেখুওৱা ধৰণে উক্ত ২৩৮ টা ট্ৰেন্সফৰমাৰৰ ভিতৰত ২৩০ টা সচল আৰু ৮ টা বিকল হৈ আছে।

| বিকল ট্ৰেন্সফৰমাৰ | | অচল ট্ৰেন্সফৰমাৰ |
|---|---|---|
| ১৬কে, ভি, এ-২ টা | | ৪৯ টা |
| ২৫কে, ভি, এ-৩ টা | | ৯১ টা |
| ৬৩কে, ভি, এ-১ টা | | ৫৫ টা |
| ১০০কে, ভি, এ- | ২ টা | ২৬ টা |
| ২৫০কে, ভি, এ- | ০ টা | ৭ টা |
| ৫০০কে, ভি, এ- | ০ টা | ২ টা |
| | ৮ টা | ২৩০ টা |

(গ) হয়, চেষ্টা কৰা হ'ব।

## বিষয় ঃ আঁচনি ৰূপায়ণৰ ব্যৱস্থা।

**শ্ৰী ওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ**

* ৭৯। মাননীয় সীমান্ত অঞ্চল উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধুবুৰী জিলাৰ বিভিন্ন উন্নয়ণ খণ্ডত আন্তৰ্জাতিক সীমান্ত অঞ্চল উন্নয়ণৰ জৰিয়তে ১৯৯৬-৯৭, ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ চনত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে আৰু উক্ত আঁচনিবোৰ সম্পূৰ্ণ কৰা হৈছে নে নাই? উক্ত আঁচনিবোৰৰ তালিকা (সম্পূৰ্ণ আৰু অসম্পূৰ্ণ) সদনৰ মেজত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল।

* **শ্ৰী বিনোদ গোৱালা (সীমান্ত অঞ্চল উন্নয়ণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) তথ্য সমূহৰ তালিকা সংলগ্ন পত্ৰ ক, খ, গ, ত (A,B,C) সদনৰ মজিয়াত দিয়া হৈছে। (See the Annexure- III)

## বিষয় ঃ চেনিকল আৰু সুতাকল কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা।

**শ্ৰী শৰৎ বৰকটকীয়ে সুধিছে ঃ**

* ৮০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) মাননীয় সমবায় খণ্ডৰ বৰুৱাবামুণ গাৱঁৰ চেনীকল আৰু শ্বহীদ কুশল কোঁৱৰ সুতাকল কাৰ্য্যক্ষম কৰাৰ বিষয়ে কিবা আঁচনি গ্ৰহণ কৰিছেনে?

(খ) এই দুয়োটা সমবায় খণ্ডৰ উদ্যোগ অচল হৈ থকাৰ বাবে কৰ্মীসকলে এক ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বিষয়ে অৱগত নে?

(গ) কিমান দিনৰ ভিতৰত সমবায় খণ্ডৰ মিল দুটা স্বচ্ছল কৰি তোলাৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা ল'ব জনাবনে?

**শ্ৰী নুৰুল হুছেইন (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) গোলাঘাট জিলাৰ বৰুৱা বামুণ গাৱঁত অৱস্থিত অসম সমবায় চেনীকলটো কাৰ্যক্ষম কৰিবলৈ চেষ্টা চলাই থকা হৈছে আৰু কুশল কোঁৱৰ সুতাকলটোৰ বাবে আঁচনি প্ৰস্তুত কৰা হৈছে।

(খ) হয়, অৱগত।

(গ) দুয়োটা প্ৰতিষ্ঠানত নতুনকৈ উৎপাদন আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় কাৰ্যকৰী ধন (Working Capital) ৰ অভাৱ হোৱা হেতুকে এই মুহূৰ্ত্তত এটি নিৰ্দিষ্ট সময় সীমা বান্ধি দিয়াটো সম্ভৱপৰ নহয়।

# UNSTARRED QUESTIONS AND ANSWERS

## Re. : M.L.A's Development Fund.

**Shri Nazibul Umar asked :**

89. Will the Minister of Plannning & Development be pleased to state?

(a) Whether the Govt. has released M.L.A's area Development Fund for 1999-2000?

(b) If not why?

**Sri Prafulla Kumar Mahanta (Chief Minister and Minister In-charge of Planning and Development) replied :**

(a) No.

(b) In view of the operation of the "Model Code of conduct" for 13th Lok Sabha Election, 1999 imposed by the Election Commission of India, fund could not be released.

## Re. : Extention of L.T. line.

**Shri Gautom Roy asked :**

90. Will the Minister of Power be pleased to state :

(a) Whether is it a fact that A.S.E.B has proposed to make extention of L.T. Line in atleast one G.P. in each constituency?

(b) If so, when the work will be started?

**Shri Hitendra Nath Goswami (Minister, Power) replied :**

(a) Yes.

(b) The schemes are under preparation.

## Re. : Rehabilitation process.

**Shri Pramila Rani Brahma asked :**

91. Will the Minister of Relief and Rehabilitation be pleased to state :

(a) Whether Rehabilitation process is finished to rehabilite the affected

Bodo and Adibashi families who are staying in the relief camps of Kokrajhar and Bongaigaon districts?

(b) If not, why?

(c) Whether State Government has released fund for installation of Ring Well and Tube Wells in the relief camps and for purchasing of Tube?

(d) If so, what is the amount and how may Tube Wells and Ring Wells have been installed and how may bundles of Tins are purched with that fund? (that number of Wells and Tins may be mentioned with the location of relief camps).

**Shri Binod Gowala (Minister of Relief and Rehabilitation) replied:**

(a) & (b) 36,961 families who had taken shelter in various camps in Kokrajhar and Bongaigaon districts have been resettlement grant to go back to their homstead. Due to unavailability of Government land and the retrictions imposed by the Hon'ble Guwahati High Court directing not to settle any refugee in the Reserved Forest, others could not be resettled as yet.

(b) Yes.

(c) Out of 300 Tube Wells and 50 Ring Wells sanctioned for the relief camps located in Kokrajhar and Gossaigaon Sub-divisions, the district administration have been able to install only 76 Hand Tube Wells and 28 Ring Wells as of date. Government have released fund of Rs. 27,92,000/- for instllation of 138 Hand Tube Wells and 50 Ring Wells 4175 pieces of GICI. sheets were purchesed from SAIL with the fund specifically sanctioned by the Government of India for purchase of G.C.I. sheets only. The list of Ring Wells and Hand Tube Wells is at Annexure-I while the G.C.I sheets are meant for use is all relief camps in the districts. (See the Annexure-IV)

## Re. : Forest Land.

**Shri Silvius Condpan asked :**

92. Will the Minister of Forest be pleased to state :

(a) Whether Government has any assessment of the forest land illegally

encroached upon by unauthorised persons?

(b) If so, what is the proposal of the Government to make these encroached forest land free from encroachers?

(c) How large scale of encroachment of forest land has been taking place in the State for the last few years?

**Shri Nagen Sarma (Forest Minister) replied :**

(a) to (c) Yes. approximately 2.00 lakh of forest land is under encroachment. This encroachment has taken place over the last several dacades. The pressures for encroachment on forest land continues due to population pressure etc. Eviction operations are under taken from time to time depending upon the avalability of Police force and fund.

**বিষয় ঃ তাপবিদ্যুৎ প্ৰকল্প।**

**শ্ৰী প্ৰদ্যুৎ বৰদলৈয়ে সুধিছে ঃ**

৯৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) আগৰখন চৰকাৰৰ দিনতেই প্ৰস্তাৱ হাতত লোৱা মাৰ্ঘেৰিটা বৰগোলাইত কয়লাখনি সমূহৰ ওচৰতে স্থাপন কৰিবলগীয়া তাপবিদ্যুৎ প্ৰকল্পটো ইমানদিনে কামত আগ নবঢ়াৰ কাৰণ কি?

(খ) বৰ্ত্তমান চৰকাৰে এই তাপ বিদ্যুৎ প্ৰকল্প স্থাপনৰ বাবে হাতত কি ব্যৱস্থা লৈছে জনাবনে?

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তিমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৮১ চনত পৰিকল্পনা আয়োগৰ প্ৰয়োজনীয় অনুমোদন লৈ 'ভেল' (BHEL) ৰ আশ্বাস অনুসৰি চলিত প্ৰযুক্তিৰ আধাৰত বৰগোলাইত ২১.৩০ মেগাৱাটৰ এটা বিদ্যুৎ প্ৰকল্প স্থাপন কৰাৰ প্ৰস্তাৱ লোৱা হৈছিল যদিও নিম্নোক্ত কাৰণত ৰূপায়ন কৰিব পৰা নগ'ল।

(১) উক্ত প্ৰকল্পৰ পৰামৰ্শদাতা হিচাপে নিয়োগ কৰা (Central Electricity Authority)ৰ দ্বাৰা প্ৰকল্পটোৰ কাৰিকৰী বিৱৰণ চুড়ান্তকৰণত বিলম্ব হোৱা।

(২) প্ৰয়োজনীয় পুঁজি মঞ্জুৰ নোহোৱা।

(৩) ইতিমধ্যে এনেধৰণৰ কয়লাৰ বাবে (Circulating Fluidised Bed Combustor, CFBC) নামৰ এক নতুন প্ৰযুক্তিৰ উদ্ভাৱনৰ প্ৰক্ৰিয়া চলি থকা।

(খ) ইতিমধ্যে বিদ্যুৎ পৰিষদে CFBC প্ৰযুক্তি ব্যৱহাৰ কৰি মাৰ্ঘেৰিটাৰ ওচৰত কয়লাখনিৰ কাষত IPP (Independent Power Producer)ৰ যোগেদি নিৰ্মাণ মালিকানা প্ৰাপ্তি আৰু পৰিচালনা (Build own operate) নীতিৰ আধাৰত এটা ২ x ৬০ মেগাৱাট বিদ্যুৎ প্ৰকল্প স্থাপন কৰাৰ বাবে ১৯৯৭ চনৰ শেষভাগত নীতিগত ভাৱে সিদ্ধান্ত লয়।

মাৰ্ঘেৰিটাৰ পৰা ২৩ কিঃ মিঃ নিলগৰ উদয়পুৰ গাৱঁত ইয়াৰ বাবে স্থান নিৰ্বাচন কৰা হয়। উক্ত প্ৰকল্পৰ বাবে মাটি অধিগ্ৰহণৰ কাম চলি আছে।

উক্ত প্ৰকল্পটো ৰূপায়ন কৰিবৰ বাবে আৰ্ন্তজাতিক নিবিদাৰ যোগেদি এটা IPP নিৰ্বাচন কৰিবৰ বাবে প্ৰয়োজনীয় নিবিদাৰ নথি পত্ৰ প্ৰস্তুত কৰিবলৈ কলিকতাৰ M/S DCL নামৰ প্ৰতিষ্ঠানক পৰামৰ্শদাতা হিচাপে নিয়োগ কৰা হয়। নিবিদাৰ নথিপত্ৰৰ চুড়ান্তকৰণৰ কাম চলি আছে।

ইয়াৰোপৰি উক্ত পৰামৰ্শদাতাৰ যোগেদি পৰিবেশৰ ওপৰত প্ৰভাৱৰ দ্ৰুত নিৰ্দ্ধাৰণৰ (rapid E.I.A.) কামো হাতত লোৱা হৈছে।

## Re. : Effective families by the erosion.

**Shri Nazibul Umar asked :**

94. Will the Minister of Revenue be pleased to state :

(a) How many families were affected by the erosion in Dhubri district in the year 1997 and 1998?

(b) Whether the Govt. has paid rehabilitation grant to these affected families? if not, why?

**Dr. Zoii Nath Sarma (Minister, Revenue) replied :**

(a) A total of one thousand two hundred twenty two families were affected in the year 1997 and a total of five thousand four hundred fifteen numbers of families were affected in the 1998 by erosion in the Dhubri District.

(b) During 1998, an amount of Rs. 54,15,000/- was sanctioned to Deputy Commissioner, Dhubri for payment of Rehabilitation Grant to the erosion affected families. Disbursement of the sanctioned and drawn amount will be made after proper verification of the lists of the affected

people and works are in progress.

**বিষয় ঃ তৰা চিহ্ন প্ৰশ্ন নং ১৮৩।**

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

৯৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা ৫-৫-৯৯ ইংৰ তৰা চিহ্নিত প্ৰশ্ন ১৮৩ ৰ উপৰঞ্চি প্ৰশ্নৰ বিপৰীতে দিয়া উত্তৰ আৰু চিঠি নং FRS.353/89/Part/102, dt. 24-8-99 ৰ সন্দৰ্ভত আজিলৈ কিবা কাম কৰা হ'ল নে?

(খ) যদি হোৱা নাই, তাৰ কাৰণ কি?

(গ) যদি কিবা কাম কৰা হৈছে, তাত কিমান কিমান টকা খৰচ হৈছে? (আঁচনিৰ বিপৰীতে হিচাব দেখুৱাই তথ্য সদনত দাখিল কৰিব লাগে)।

**শ্ৰী নগেন শৰ্মা (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক), (খ), (গ)নিম্নলিখিত অনুষ্ঠানবোৰে খোৰাঘাট বালি আৰু শিল মহলৰ মহলদাৰৰ পৰা তলত দিয়া তালিকা মতে সাহাৰ্য্য পোৱা বুলি প্ৰাপ্তি স্বীকাৰ কৰিছে।

| ক্ৰমিক নং | কামৰ বিৱৰণ | আনুমানিক মূল্য |
|---|---|---|
| ১) | ফকিৰাণীবাৰ ১ম খণ্ড গাওঁৰ মহজিদত মহলদাৰে এটা পায়খান, প্ৰসাৰগাৰৰ সৈতে নিৰ্মাণ কৰি দিছে | ৫০০০.০০ টকা |
| ২) | খোৰাঘাট ১ম খণ্ড গাওঁৰ মহজিদ উন্নয়নৰ বাবে মহলদাৰে ৮,০০০ টকা অনুদান ও এক ট্ৰাক বালি বিনামূল্যে দিছে | ১০,০০০.০০ টকা |
| ৩) | বিলাসীপাৰা পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উন্নয়নমূলক কামৰ বাবে ১ ট্ৰাক বালি অনুদান দিছে | ১,৫০০.০০ টকা |
| ৪) | শ্ৰীমন্ত শংকৰদেৱ ৰাজহুৱা পুথিভঁৰাল আৰু লাচিত শিশু উদ্যান সমিতিক বিলাসীপাৰা ও উদ্যানৰ বেৰ আৰু খেলা-ধুলা সামগ্ৰী নিৰ্মাণ কৰাৰ বাবে বিনামূলীয়াকৈ বালি ১ ট্ৰাক, পাথৰ ১ ট্ৰাক আৰু | |

| | | |
|---|---|---|
| | নগদ ৫,০০০ টকা অনুদান দিয়ে। | ৯,৫০০.০০ টকা |
| ৫) | বিলাসীপাৰা District Sports Association ক ১ ট্ৰাক বালি আৰু ১ ট্ৰাক শিল মহলদাৰে অনুদান হিচাবে দিয়ে | ৩,০০০.০০ টকা |
| ৬) | বিলাসীপাৰা শ্ৰীশ্ৰীৰামকৃষ্ণ সেৱা আশ্ৰমৰ উন্নয়নমূলক কামৰ বাবে ১ ট্ৰাক শিল আৰু ১ ট্ৰাক বালি মহলদাৰে অনুদান দিয়ে। | ৩,০০০.০০ টকা |

## Re. : Sanction of Money.

**Shri Gautam Roy asked :**

96. Will the Minister of Revenue be pleased to state :

(a) Whether it is a fact that some lakhs of rupees was sanctioned directly from Revenue Department in Silchar constituency?

(b) If so, why the other constituencies were not covered?

(c) What is the reason behind this?

**Dr. Zoii Nath Sarma (Minister, Revenue) replied :**

(a) A sum of Rs. 6.00 lakhs (six lakhs) has been sanctioned to deputy Commissioner Cachar for repair and restoration of Municipal Roads of Silchar Town.

(b) No. F.D.R. Fund has been released constituency-wise.

(c) Fund was released as per proposal received from Deputy Commissioer Cachar for urgent repair works of some Municipal Roads.

## Re. : Own Schemes for Developing Tourism.

**Shri Silvius Condpan asked :**

97. Will the Minister of Tourism be pleased to state :

(a) Whether state Government has its own schemes for developing Tourism?

(b) If so, what are those schemes?

(c) Whether these schemes will be revenue earning sources for the state Government?

(d) Whether Government proposes to develop the Orang Wild Life Sanctuary for attracting the Tourism as it is in the case of Kaziranga?

**Shri Prafulla Kumar Mahanta (Chief Minister, in-charge as Minister of Tourism) replied :**

(a) Yes, the state Government in Tourism Department have it's own schemes for developing Tourism in Assam.

(b) The schemes undertaken for development of tourism in Assam in the plan budget for the year, 1999-2000 are :-

1.Development of Bir Lachit Barphukan Park at Jalukbari, Guwahati.

2.Beautification of Dighali Pukhuri Complex at Guwahati.

3.Swimming Pool at Kaziranga.

4.Tourism Complex at Pobitara.

5.Development of Madan Kamdev.

6.Grant-in-aid to the Autonomous Councils for development of Tourism in the Autonomous Council's area.

(c) All the schemes are revenue earning sources of the state Government.

(d) There is a centrally assisted scheme for construction of Tourist Complex at Rajiv Gandhi Wild Life Park at Orang, Assam within the Orang Wild Life Sanctuary for attracting the tourist. The Scheme is under progress.

## Re. : Amount received from Stamp Duty.

**Shri Bimolangshu Roy asked :**

98. Will the Minister of Revenue be pleased to state :

(a) What is the total amount received by the Registration office on account of stamp duty to be payable to the Municipalities/Town committee during 1996-97, 1997-98, 1998-99?

(b) How much has been paid to the Town Committees/Municipalities during

the aforesaid period?

(c) What is the amount received from Cachar Sub-Registry offices and amount paid to the Town Committee/Municipalities in Cachar district during the aforesaid period?

(d) When Government will pay their legislative dues?

**Shri Prafulla Kumar Mahanta (Minister in-charge Registration) replied:**

(a) The Total annual stamp duty collection of Registratuion offices for the block year, 1996-97, 1997-98, 1998-99 are Rs.10,39,41,489/-, Rs.13,06,30,235/-, and Rs.13,58,65,265/- respectively. Out of that collection one percent is to be paid to the Municipalities and town Committee as per Assam Municipal Act.1956.

The total amount received on account of stamp duty are as follows:-

| | | |
|---|---|---|
| 1996-97 | - | Rs.7,25,288.00 |
| 1997-98 | - | Rs.3,07,487.00 |
| 1998-99 | - | Rs.3,25,180.00 |

(b) Rs. 5,90,550.00 has been paid to the Municipalities/Town Committees during the period 1998-99.

(c) Rs. 3,87,177.00 received from Cachar District. But due to non receipt of utilisations certificate from the concerned Urban local bodies sanction could not be made by the Govt. in the Finance Department.

(d) On receipt of utilisation certificate from the concerned Urban Local bodies necessary action for sanction for payment will be made by the Government in the Financial Department.

## বিষয় ঃ মথাউৰি পুনৰ নিৰ্মাণ।

ডাঃ নজৰুল ইছলামে সুধিছে ঃ

৯৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লাহৰিঘাট সমষ্টিৰ ভুৰাগাওঁ ৰাজহ চক্ৰত এই বছৰ ব্ৰহ্মপুত্ৰৰ মথাউৰি পুনৰ নিৰ্মাণৰ কাৰণে FDR শিতানৰ পৰা কিমান টকা মঞ্জুৰী দিয়া হৈছে?

(খ) উক্ত টকা বান নিয়ন্ত্ৰণ বিভাগলৈ মুকলি কৰি দিয়া হৈছে নে? যদি হোৱা নাই, কি কাৰণত হোৱা নাই?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে সুধিছে ঃ

(ক) বৰ্ত্তমানলৈ মঞ্জুৰী দিয়া হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ গড়া খহনীয়া প্ৰতিৰোধ।

শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে ঃ

১০০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বোকাখাত মহকুমাৰ ধনশ্ৰীমুখৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে ১৯৯৮-৯৯ চনত বান নিয়ন্ত্ৰণ বিভাগে কিমান টকা ব্যয় কৰছিল জনাবনে?

(খ) বান নিয়ন্ত্ৰণ বিভাগৰ অৱহেলাৰ বাবে বান প্ৰতিৰোধ ব্যৱস্থা বিফল হোৱাটো সত্য নে?

(গ) বৰ্ত্তমান ধনশ্ৰীমুখৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে বিভাগীয় কৰ্ত্তপক্ষই কেনেধৰণৰ আচঁনি প্ৰস্তুত কৰিছে জনাবনে?

শ্ৰী প্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধনশিৰীমুখৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ১৯৯৮-৯৯ চনত বান নিয়ন্ত্ৰণ বিভাগে মুঠ ১,৭২,৪৮০.০০ টকা ব্যয় কৰে।

(খ) সত্য নহয়।

(গ) ধনশিৰীমুখৰ বান গড়াখহনীয়া প্ৰতিৰোধৰ বাবে বিকল্প বান্ধ আৰু শিলৰ দ্বাৰা পাৰ বন্ধাৰ (Boulder Pitching) দুখন আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

(Unstarred question no. 101 was withdrawn)

## Re. : Protection of Jia Bharali and Sabhasu River erosion.

**Shri Bhimananda Tanti asked :**

102. Will the Minister of Flood Control be pleased state :

(a) Whether the Government has surveyed and prepared the plan and estimate for protection of Jia Bharali and Sabhasu river erosion?

(b) If so, what is the plan and estimate (plan one estimate many kindly be placed on the table)?

(c) When the protection on work will be executed?

**Shri Promode Gogoi (Minister, Flood Control) replied :**

(a) Yes.

(b) (i) One project for "Protection of Tarajan Dafala Garh area from the erosion of river Jia-Bharali on L/B costing Rs. 179.74 Lakhs prepared by Flood Control Department has been recommended by C.W.C, New Delhi in the month of Feb.'1999.

(ii) One project report for "Closing of breaches of Gabharu embackment from Kalakushi to its outfall including anti-erosion measures at different reaches "Costing Rs.280.53 Lakhs has been prepared and submitted to the C.W.C. New Delhi for its approvel in the month of Auguest' 1998.

(c) (i) The Scheme for "Protection of Tarajan Dafalagarh area from the erosion of river Jia-Bharali on L/B" likely be started during this working season.

(ii) The work for " Closing of breaches of Gabharu embackment from Kalakushi to its outfall including anti-erosion measures at different reaches" will be considered for execution after getting approval from the C.W.C. New Delhi and subject to the availability of fund.

**বিষয় ঃ ৰঙানদী পাইলট প্ৰজেক্ট।**

**শ্ৰী মণিৰাম পাথৰিয়ে সুধিছে ঃ**

১০৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙানদী পাইলট প্ৰজেক্টৰ বাবে কিমান টকা অনুমোদন কৰা হৈছে আৰু কেতিয়াৰ পৰা কাম আৰম্ভ হ'ব জনাবনে?

(খ) ৰঙানদীৰ সোঁ চাইদ মথাউৰিৰ তিনি কিঃ মিঃ আৰু সাত কিঃ মিঃ চিঙা অংশ দুটা উক্ত আঁচনিত অন্তৰ্ভুক্ত হয় নে?

**শ্ৰী প্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰঙানদী পাইলট প্ৰজেক্ট নামৰ কোনো আঁচনি বৰ্ত্তমান বিভাগে হাতত লোৱা নাই।

(খ) 'ক' ৰ উত্তৰ সাপেক্ষে প্ৰশ্ন নুঠে।

## বিষয় ঃ আশ্ৰয় শিৱিৰৰ সংখ্যা।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

১০৪। মাননীয় সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ জিলাত সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হৈ গৃহহাৰা হোৱা লোক সকলৰ মুঠ কিমানখন আশ্ৰয় শিৱিৰ আছে।

(খ) উক্ত আশ্ৰয় শিৱিৰ সমূহত কোন কোন জন গোষ্ঠীৰ কিমান পৰিয়াল আছে?

(গ) এই শিৱিৰ সমূহত খাদ্য সামগ্ৰীৰ লগতে সকলো ধৰণৰ সা-সুবিধা প্ৰদান কৰি অহা হৈছেনে?

(ঘ) উক্ত শিৱিৰ সমূহত কেৱল অনাহাৰ আৰু চিকিৎসাৰ অভাৱত শতাধিক লোকে অকালতে মৃত্যুক সাৱটি ল'ব লগা হৈছে, অভিযোগটো সচাঁনে?

(ঙ) উক্ত আশ্ৰয় শিৱিৰ সমূহত এজন ব্যক্তিৰ বাবদ কিমান কিলোগ্ৰাম খাদ্য সামগ্ৰী আবন্টন দিয়া হয়?

**শ্ৰী বিনোদ গোৱালা (সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান কোকৰাঝাৰ জিলাত ৮০ টা আশ্ৰয় শিৱিৰ আছে।

(খ) উক্ত আশ্ৰয় শিৱিৰ সমূহত মুছলমান সম্প্ৰদায়ৰ ৮৯২ টা, আদিবাসী জনগোষ্ঠীৰ ৩০,২৬০ টা, বড়ো জনগোষ্ঠীৰ ৮,৮৪১ টা, ৰাভা জনগোষ্ঠীৰ ১৭৪ টা, আৰু নেপালী সম্প্ৰদায়ৰ ১৩৪ টা পৰিয়াল আছে।

(গ) হৈছে।

(ঘ) সচাঁ নহয়।

(ঙ) আৰম্ভণিতে প্ৰতিজন ব্যক্তিক "ৰিফিল মেনুৱেল" মতে চাউল প্ৰাপ্ত বয়স্কক ৬০০ গ্ৰামকৈ নাবালকক ৪০০ গ্ৰামকৈ, দাইল ১০০ গ্ৰামকৈ, মিঠাতেল ৩০ গ্ৰামকৈ আৰু নিমখ ৩০ গ্ৰামকৈ আবন্টন দিয়া হৈছিল। এতিয়া খাদ্য সামগ্ৰীৰ যোগান বিত্তীয় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নিৰ্দ্ধাৰণ কৰা হয়।

## বিষয় ঃ বিধায়ক সমষ্টি উন্নয়ন আৰু আনটাইড ফান্দৰ খৰচ।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

১০৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিষয়াসকলৰ হেমাহি আৰু বিভিন্ন সময়ত দেখুওৱা নানা অজুহাতত (মনিটৰিং টেক্‌নিকেল প্ৰব্লেম) ৰ বাবেই "বিধায়ক সমষ্টি উন্নয়ন আৰু আনটাইড" ফান্দৰ টকা সময়মতে খৰচ কৰিব পৰা হোৱা নাই সঁচা নে?

(খ) যিবোৰ জিলাত উপৰোক্ত ফান্দৰ টকা বিষয়া সকলে খৰচ কৰাত পলম কৰিছে (যথাসময়ত আঁচনি পাইও) তেনে বিষয়া সকলক চিহ্নিত কৰি তেওঁলোকৰ বিৰুদ্ধে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰা হ'বনে?

(গ) ধুবুৰী জিলাত বিষয়াসকলৰ এনে কামৰ বিপৰীতে ৰাজহুৱা অভিযোগ আছে তেনে উক্ত অভিযোগৰ ভিত্তিত কিবা ব্যৱস্থা গ্ৰহণ কৰা হ'বনে?

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী তথা পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে। অৱশ্যে নিৰ্দিষ্ট অভিযোগ প্ৰমাণিত হ'লে যথাবিহিত ব্যৱস্থা লোৱা হ'ব।

(গ) হয় আছে। দুটা অভিযোগ পোৱা হৈছিল। ইতিমধ্যে এটা অভিযোগ তদন্তক্ৰমে সত্য পোৱা ন'গল আৰু আনটো অভিযোগ সম্পৰ্কত বৰ্ত্তমানে তদন্ত অব্যাহত আছে।

## Re. : R.E.C. Programme.

**Shri Silvius Condpan asked :**

106. Will the Minister of Power be pleased to state :

(a) Whether there is any survey of villages already recorded to be electrified under R.E.C. Programme having no Transformers/ Wires/ Poles?

(b) If so, what step has taken to improve the power position in those villages?

**Shri Hitendra Nath Goswami (Minister of Power) replied :**

(a) Yes. A survey has been started in order to assess those schemes which have remained incomplete/Schemes completed but parameters of the schemes like transformers /wires /poles have been missing/ damaged.

(b) The survey, which was started since six months back, is not yet

completed. After the survey is completed, the quantum of works to be executed could only be ascertained in order to assess the financial involvement. Action on the schemes to improve the power position would be taken up in a phase manner subject to availability of fund.

## Re. : Development Schemes.

**Shri Bimolangshu Roy asked :**

107. Will the Minister of Tourism be pleased to state :

(a) Whether any schemes for development of "Silchar Gandhibag" and "Ramnagar Area" in Cachar District have been taken up by the Government?

(b) If so, what is the progress so far made?

(c) If not, will the Government taken up any schemes for their development?

**Shri Prafulla Kumar Mahanta (Chief Minister, in-charge as Minister of Tourism) replied :**

(a) No schemes for development of "Silchar Gandhibag" and "Ramnagar Area" in Cachar District has been taken up by Government in the Tourism Department.

(b) Question does not arise.

(c) The Government is examining the feasibility of the scheme and it may be taken up due course subject to availability of Fund.

## বিষয় ঃ গ্ৰাম্য বৈদ্যুতিকৰণ।

**শ্ৰী মোহন দাসে সুধিছে ঃ**

১০৮। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বজালী মহকুমাত গ্ৰাম্য বৈদ্যুতিকৰণ কাম সকলো গাওঁতে সম্পূৰ্ণ হৈছেনে?

(খ) যদি হোৱা নাই, তেনেহ'লে বৈদ্যুতিকৰণৰ কাম অসম্পূৰ্ণ হৈ থকা গাওঁৰ তালিকা দাখিল কৰিব?

(গ) এনেকুৱা অসম্পূৰ্ণ হৈ থকা গাওঁবোৰত বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা সোনকালে চৰকাৰে কৰিবনে?

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) নাই হোৱা।

(খ) বজালী মহকুমাত অসম্পূৰ্ণ হৈ থকা গাওঁবোৰৰ নামৰ তালিকা পৰিশিষ্ট-১ গাঁঠি দিয়া হ'ল। (See the Annexure-V)

(গ) অৰ্থ প্ৰাপ্তি সাপেক্ষে বৈদ্যুতিকৰণ অসম্পূৰ্ণ হৈ থকা গাওঁবোৰত পৰ্য্যায়ক্ৰমে বৈদ্যুতিকৰণ সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

## বিষয় ঃ সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা।

**শ্ৰী ওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ**

১০৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ শালমাৰা ভূমি চক্ৰৰ অন্তৰ্গত যোৱা বানপানীত নদীভংগ হোৱা পৰিয়ালৰ বাবে সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল আৰু কি কি বস্তু যোগান ধৰা হৈছিল?

(খ) উক্ত ভূমি চক্ৰৰ অন্তৰ্গত ১৯৯৮-৯৯ চনত নদীভংগ পৰিয়ালৰ সংখ্যা কিমান আৰু তেওঁলোকৰ কাৰণে পুনৰ সংস্থাপনৰ ব্যৱস্থা হৈছে নেকি? (যদি হৈছে তালিকা সহ সদনত দাখিল কৰিবলৈ অনুৰোধ জনোৱা হ'ল)

**ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) দক্ষিণ শালমাৰা ৰাজহ চক্ৰৰ অধীনত যোৱা বানপানীত নদীভংগ হোৱা পৰিয়াল বিলাকৰ সাহাৰ্য্যাৰ্থে চাউল আৰু পলিথিন সিটৰ যোগান ধৰা হৈছিল। উদ্ধাৰ কাৰ্য্যৰ কাৰণে যন্ত্ৰ চালিত নাও কামত লগোৱা হৈছিল।

(খ) ১৯৯৮-৯৯ চনত দক্ষিণ শালমাৰা ভূমি চক্ৰৰ অধীনত ৪২৯০ টা পৰিয়াল নদীভংগ হৈ ক্ষতিগ্ৰস্থ হৈছে। সুবিধাজনক চৰকাৰী মাটি নোপোৱাত উক্ত ক্ষতিগ্ৰস্থ লোকসকলক অন্য ঠাইত পুনৰ সংস্থাপিত কৰিব পৰা হোৱা নাই।

## বিষয় ঃ জেইল নিমাৰ্ণৰ কাম।

**শ্ৰী শৰৎ বৰকটকীয়ে সুধিছে ঃ**

১১০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰাইদেউ মহকুমাৰ জেইল নিমাৰ্ণৰ কাম সম্পূৰ্ণ প্ৰায় কৰিবৰ বাবে কিমান দিন লাগিব?

(খ) জেইল নিৰ্মাণৰ কাম সম্পূৰ্ণ নকৰাৰ ফলত পুলিচে শিৱসাগৰলৈ লৈ যোৱাৰ পথত আচামী পলায়ন কৰাৰ বিষয়টো কৰ্ত্তপক্ষৰ জ্ঞাত নে?

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) পুঁজিৰ অভাৱত সঠিকভাৱে ক'ব নোৱাৰি।

(খ) হয়।

## বিষয় ঃ গড়াখহনীয়া গৃহহীন।

**ডাঃ নজৰুল ইছলামে সুধিছে ঃ**

১১১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৮-৯৯ চনত অসমত মুঠ কিমান মানুহ ব্ৰহ্মপুত্ৰৰ গড়া খহনীয়াত গৃহহীন হৈছে?

(খ) উক্ত বছৰত লাহৰিঘাট বিধান সভা সমষ্টিত কিমান মানুহ গৃহহীন হৈছে?

(গ) উক্ত গৃহহীন লোকসকলক পুনৰ সংস্থাপনৰ বাবে চৰকাৰৰ তৰফৰ পৰা সাহাৰ্য্য দিয়া হৈছে নে নাই? যদি দিয়া হোৱা নাই; তেতিয়া হ'লে কি কাৰণত দিয়া হোৱা নাই?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) জিলা ভিত্তিত পোৱা তথ্য অনুসৰি ১৯৯৮-৯৯ চনত অসমত মুঠ ১০,৩৬৭ টা পৰিয়াল ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত গৃহহীন হৈছে।

(খ) উক্ত বছৰত লাহৰিঘাট বিধান সভা সমষ্টিত মুঠ ১০৪৩ জন মানুহ গৃহহীন হৈছে।

(গ) লাহৰিঘাট বিধান সভা সমষ্টিৰ উক্ত ক্ষতিগ্ৰস্থ লোকসকলক সময়মতে এককালিন সাহাৰ্য্য দিয়া হৈছিল। এই লোক সকলক সংস্থাপনৰ সাহাৰ্য্য দিয়া হোৱা নাই; কিন্তু তেওঁলোকক সুবিধাজনক ঠাইত পুনৰ সংস্থাপন দিয়াৰ বাবে মাটি বিচাৰি থকা হৈছে। উক্ত ক্ষতিগ্ৰস্থ পৰিয়াল সমূহে ইতিমধ্যে সুবিধাজনক নিৰাপদ ঠাই আৰু মথাউৰিৰ ওপৰত আশ্ৰয় লৈছে। মৰিগাওঁৰ উপায়ুক্তই পুনৰ সংস্থাপনৰ প্ৰস্তাৱ যুগুতাই আছে।

## বিষয় ঃ বিকল্প ট্ৰেন্সফৰমাৰ।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

১১২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ জলাহ-শেনচোৱা এলেকাত ট্ৰেন্সফৰমাৰ বিকল হোৱাটো অৱগতনে?

(খ) যদিহে অৱগত, আনুমানিক কিমান দিন উক্ত ট্ৰেন্সফৰমাৰ বিকল হৈ আছে?

(গ) অনতিপলমে ট্ৰেন্সফৰমাৰ যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) নগাওঁ জিলাৰ জলাহ আৰু শেনচোৱা এলেকাত ট্ৰেন্সফৰমাৰ বিকল হোৱা কথাটো অৱগত।

(খ) জলাহ আৰু শেনচোৱাৰ ট্ৰেন্সফৰমাৰ দুটা যথাক্ৰমে দুমাহ আৰু চাৰিমাহৰ অধিক কাল বিকল হৈ আছে।

(গ) শেনচোৱাৰ বিকল হৈ থকা ট্ৰেন্সফৰমাৰটো ইতিমধ্যে সলনি কৰা হৈছে আৰু জলাহৰ বাবেও ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে।

## বিষয় ঃ অবৈধভাৱে কাঠ কটা।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

১১৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ দক্ষিণ সংমণ্ডল আৰু শোণিতপুৰ দক্ষিণ সংমণ্ডলত দুষ্কৃতিকাৰী আৰু চোৰাং কাঠ বেপাৰীয়ে অবৈধভাৱে কাঠ কটাতো সঁচা নে? যদি সচাঁ, তেন্তে কিমান কিউবিক মিটাৰ গছ কাটিলে জনাবনে?

(খ) কিমান কিউবিক মিটাৰ গছ কাটিবলৈ সক্ষম হয় আৰু কিমান কিউবিক মিটাৰ গছ চোৰাং বেপাৰীয়ে লৈ যাবলৈ সক্ষম হয় জনাবনে?

**শ্ৰী যুত নগেন শৰ্মা (বন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসম বন বিভাগৰ বৰ্ত্তমান কামৰূপ দক্ষিণ সংমণ্ডল আৰু শোণিতপুৰ দক্ষিণ সংমণ্ডল নামৰ কোনো বন সংমণ্ডল নাই।

(খ) প্ৰশ্ন নুঠে।

## Re. : Repairing of Transformers.

**Shri Bimolangshu Roy asked :**

114. Will the Minister of Power be pleased to state :

(a) Is it a fact that in Barak Valley there is no facilities for repairing of transformers and all defective transformers are brought to Guwahati and these are not sent back after repair on time.

(b) Will the Govt. take urgent steps for repairing of the Transformers locally?

(c) If so, when?

**Shri Hitendra Nath Goswami (Minister, Power Deptt.) replied:**

(a) It is fact that at present there are no facilities for repairing of transformer at Barak Valley. As per the present procedure all defective transformers are deposited with the Central Store at Guwahati and after repairing them these transformers are issued to field division as and when required. It is not necessary that a particular damaged transformer is sent back to the same office after repairing.

(b) In November 1998, a new firm from Silchar had expressed their willigness to repair damaged transformers. It was found that this firm was not equiped with testing facility as per statutory requirments. Nonetheless this firm was given order for repairing the damaged transformers as a special case subject to installing all necessary equipments. However, the firm could not install such equipments and as a result no further order for repairing of transformers was placed.

(c) Order for repairing of transformers at Barak Velley wil be placed if we received any offer from any firm having all the facilities for repairing and fully equipped with testing laboratory as per ISS:2026 provided the firm accept ASEB's approved rate and terms and conditions.

## Re. : Submission of Developmental Schemes.

**Shri Bimolangshu Roy asked :**

115. Will the Chief Minister be pleased to state :

(a) Has the different districts in Assam submitted Schemes to the centre for various development works under non-lapsable 10% budgetary provisions of the different departments specially earmarked for development of North Eastern States?

(b) If so, will the Government place the same on the table?

(c) If not, what steps Governments have taken?

**Shri Prafulla Kumar Mahanta (Chief Minister) replied :**

(a) No.

(b) Does not arise.

(c) State Government submits proposals to the Planning Commission for funding schemes/ projects under Non-lapsable Pool of Resources following the guidelines laid down by the Planning Commission for the same such as schemes/Projects of infrastructural nature like power, Irrigation, Flood Control, Water supply, Roads etc. and schemes and projects specically recommended by the Shukla Commission. On going projects and the projects nearing completion will receive priority from the planning Commission as per their guidlines.

**Mr. Speaker :** Question Hour is Over POINT OF ORDER

* **শ্ৰী অতুল বৰা ঃ** (মাননীয়া উপাধ্যক্ষাই ৰুলিং যোগে মাননীয় সদস্য গৰাকীৰ বক্তব্যখিনি কাৰ্য্য বিৱৰণীৰ পৰা এক্সপান্‌জ কৰে)।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অৱ অৰ্ডাৰ।

* **শ্ৰী অতুল বৰা ঃ** অধ্যক্ষ মহোদয়, বিধান সভা সচিবালয়ৰ বিৰুদ্ধে এলিগেচন থাকিলে, সোধাৰ ৰাস্তা নাথাকিলে আমি ইয়াত কি কৰিম? গতিকে মই সদন ত্যাগ কৰিছো। (He left the house in protest)

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, মই ৰাইজৰ স্বাৰ্থৰ খাতিৰত উল্লেখ কৰিব খুজিছো যে এগৰাকী মহিলা বিষয়াক আজি অট' ৰিক্সাত আহোতে অট'চালকে অপদস্থ কৰিছে।

* **মাননীয় অধ্যক্ষ মহোদয় ঃ** বিষয়টো কি?

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** গুৱাহাটীৰ অট'ৰিক্সা চালকে ধৰ্মঘট কৰিছে। তেওঁলোকে কোনো জাননী নিদিয়াকৈয়ে ধৰ্মঘট কৰিছে। এইটো ৰাজহুৱা স্বাৰ্থজড়িত বিষয়। আজি এই মহিলা অফিচাৰ গৰাকীক মাৰপিট কৰাত তেওঁৰ লগত মবাইল ফোন আছিল বাবে ফোন কৰি দিয়াত পুলিছে উদ্ধাৰ কৰিবলগীয়া হৈছে। এতিয়া বিধান সভা চলি আছে এই সময়ত এনে ধৰণৰ ঘটনা ঘটাতো দুভাৰ্গ্যজনক। আমি জনসাধাৰণক এনেকৈ মৰিবলৈ দিব নোৱাৰো। দুই এজন অট'চালকক পুলিছে উঠাই লৈ গৈছিল। মই মন্ত্ৰী মহোদয়ৰ লগতে মুখ্যমন্ত্ৰী মহোদয়কো এইবিলাক কিয় হ'বলৈ পাইছে সেইটো জনাবলৈ অনুৰোধ জনালোঁ।

---

* Speach not corrected

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

**Mr. Speaker :** Now, Under Rule 230 of the Rules and Procedure and conduct of business in Assam Legislative Assembly. I called a meeting of the Business Advisory Committee in the Conference Room of my office chamber at 11 A.M. 3rd November, 1999 to decide the priority for discussion on Demands for Supplimentary Grants, 1999-2000 in the House.

The Committee after a discussion decided to take up the Demand for Grants for discussion on priority basis considering the urgency and public importance of the Supplementary Demands for Grants.

Grant No.6 - Land Revenue and Land celling, Grant No.71-Education (Elementary, Secondary etc.), Grant No.29- Medical and Public Health, Grant No.9- Transport Services, Grant No.14- Police etc. and for rest of the supplimentary demands for grants will be taken up seriously for discussion in the House today. I hope, this has the approval of the House.

Accordingly, the committee unanimously decided to priority for discussion on the Supplinentary Demands for Grands for 1999-2000 as follows :-

| SL. No. | Grants No. & Title of Demands for Grants. | |
|---|---|---|
| 1. | 6 | Land Revenue and Land Ceiling. |
| 2. | 71 | Education (Elementary, Secondary etc.). |
| 3. | 29 | Medical and Public Health. |
| 4. | 9 | Transport services. |
| 5. | 14 | Police. |

The rest of the Grants will be taken up serially for discussion in the House.

I hope this has the approval of the House.

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্থাপন কৰা বিষয়টোৰ ওপৰত চৰকাৰৰ ফালৰ পৰা বা মন্ত্ৰী মহোদয়ে একো নকলে। চাৰ, মই হাত জোৰ কৰি কৈছো এই বিষয়টো অত্যন্ত জৰুৰী। কিয়নো অট'ৰিক্সাৰ ষ্ট্ৰাইক আৰম্ভ হোৱাৰ লগে লগে ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে, সেইকাৰণে এই ক্ষেত্ৰত কি ব্যৱস্থা ল'ব সেই বিষয়ে জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী গৰাকীয়ে উত্তৰ নিদিলে মই কি কৰিম।

* শ্ৰী হেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি কেনেকৈ মন্ত্ৰীক উত্তৰ দিবলৈ ক'ব পাৰে। বি, এ, চত সিদ্ধান্ত হৈছিল যে এনে বিষয় উত্থাপন কৰিব দিব নোৱাৰে।

* মাননীয় অধ্যক্ষ ঃ তেখেতে নিজে জানে। সেইকাৰণেই মন্ত্ৰীয়ে বোধহয় উত্তৰ দিয়া নাই।

* শ্ৰী হেমেন দাস ঃ তেনেহ'লে সেই অধিকাৰ কিয় দিছে?

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ নিয়মটো আপুনি বান্ধি দিছে আৰু আমিয়েই নিয়মটো কৰিছো। কিন্তু সদনত মই যিটো কথা উত্থাপন কৰিছো সেইটো ৰাইজৰ কাৰণে অত্যন্ত জৰুৰী।

* মাননীয় অধ্যক্ষ ঃ মই ডাইৰেকশ্যন দিয়া নাই, মন্ত্ৰীয়ে নক'লে কি কৰিম? মন্ত্ৰী গৰাকীয়ে নিয়ম জানে। ক'ত ক'ব লাগে আৰু ক'ত ক'ব নালাগে। সমিতিৰ সিদ্ধান্ত আপুনি নিজেই ভঙ্গ কৰি আছে।

## VOTING ON
## SUPPLIMENTARY DEMAND FOR GRANTS

**Mr. Speaker :** Now, item No.2. Voting on Supplimentary Demand for Grants for 1999-2000.

* **Shri Holiram Terang :** Mr. Speaker, Sir, we are going to have discussions on voting on supplimentary demands in the House. There are some important members in the House whom the House respects. We also respect whatever decision taken by the Advisory Committee of the House but still then there are some items where we feel that we should be allowed to express our feelings rightfully. As the Hon'ble Shri Hemen Das, has stated that we don't think that the Hon'ble speaker can direct a Minister to speak on it.

**Mr. Speaker :** Now Grant No.6. Hon'ble Minister, Revenue to move.

* **Dr. Zoii Nath Sarma (Minister) :** Sir, on the recommendation of the Governor of Assam, I beg Sir, to move that an addition amount of Rs. 2348.82 lakhs be grnated to the Minister, incharge to defray certain charges which will come in the course of payment during the year ending 31st March, 2000 in connection with "Land Revenue and Land Ceilling".

**Mr. Speaker :** There are two cut motions standing in the name of Hon'ble members:

1. Shri Sheikh Abdul Hamid.

* Speach not corrected

Shri Abdur Rouf.

2. Dr. Deba Kanta Ramchiary

Shri Andrius Hazowary

Shri Mohini Basumatary

Shri Kumud Das

Shri Jogmohan Basumatary

Shri Binod Goyari

I, Now request the Hon'ble Members to move their cut motions one by one.

* **Sheikh Abdul Hamid** : Mr. Speaker, Sir, I beg to move that the total provision of Rs. 2348.52 lakhs under Supplimentary Demand for Grant No.6 in respect of "Land revenue and Ceilling" at page 10-11 of the list of Supplimentary Payments be reduced by Rs. 100.00. i.e. that amount of the whole Supplimentary Demand of Rs. 2348.52 do stand by Rs. 100.00.

* **Shri Deba Kanta Ramchiary** : Mr. speaker, Sir, I donot want to move any cut motion.

**Mr. Speaker** : I now request the Hon'ble leader of the House to come to my chamber to discuss on the matter arising out of the behaviour of the Hon'ble member Shri Atul Bora just now.

* **Shri Hemen Das** : The House is going to have discussion of a finanace bill. We can not allow this. Hon'ble speaker can have discussion with the leader of the House after the discussion on grants. It is against the procedures.

* **Shri Holi Ram Terang** : Sir, you can not do that. We are going to discuss on the finance bill. You can have discussion after that.

(At this juncture Smti. Renupama Rajkhowa took over the chair)

**Madam Deputy Speaker** : Now, Sri Abdul Hamid to speak.

* **শেখ আব্দুল হামীদ** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, ৰাজহ বিভাগৰ শিতানত প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱটো মই সমৰ্থন জনাই বিভাগৰ ওপৰত দুষাৰমান ক'বলৈ বিচাৰিছো। প্ৰথমতেই ক'ব

* Speach not corrected

বিচাৰো জৰীপৰ যিবিলাক প্ৰাৰম্ভিক কাম, সেইবিলাক আৰম্ভ কৰিব পৰা নাই, ফলত মাটিৰ যি পট্টনৰ ব্যৱস্থা কৰিব লাগিছিল সেই ব্যৱস্থা বিলাক কৰিব পৰা হোৱা নাই। ফলত জনসাধাৰণে ভয়ানক অসুবিধাৰ সন্মুখীন হৈছে। গতিকে চৰকাৰে অতি সোনকালে জৰীপৰ কামবিলাক সম্পূৰ্ণ কৰি নতুন পট্টা দিয়াৰ ব্যৱস্থা কৰিলে জনসাধাৰণৰো বহুখিনি অসুবিধা দুৰ হ'ব আৰু ৰাজ্যখনৰ ৰাজহ বৃদ্ধি পাব। চৰকাৰে কিছুদিন আগতে ভূমি ৰাজহৰ হাৰ অস্বাভাৱিকভাৱে বৃদ্ধি কৰিছে। প্ৰতি বিঘা মাটিত ৫ টকাকৈ ৰাজহ বৃদ্ধি কৰিছে। তাৰ ফলত খেতিয়ক ৰাইজে যথেষ্ঠ অসুবিধা ভোগ কৰিবলগীয়া হৈছে। মাটি ৰেজিষ্টাৰ কৰাৰ ক্ষেত্ৰতো ৰাজহৰ হাৰ ইমান বৃদ্ধি কৰা হৈছে যে মানুহে মাটি বিক্ৰী কৰিব নোৱাৰা অৱস্থা হৈছে। কিবা অসুবিধাত পৰিলেও মাটি বিক্ৰী কৰাতো টান হৈ পৰিছে। যোৱা ১৯৯৫ চনত অগপ চৰকাৰ গঠন হোৱাৰ পিচত মাটি বিক্ৰী কৰাৰ কাৰণে যিটো পাৰ্মিচন ল'ব লাগে তাৰ কাৰণে খেতিয়ক ৰাইজে বা মাটিৰ মালিকে যথেষ্ঠ অসুবিধা ভোগ কৰিবলগীয়া হৈছে। মাটি কিনা-বেচা কৰাৰ পাৰ্মিচনৰ ৰিপোৰ্ট চাৰ্কোল অফিচাৰৰ পৰা আহিব লাগে। ৰিপোৰ্টতো এচ,ডি,চিয়ে ডি, চি অফিচলৈ পঠিয়াই দিয়ে। কিন্তু চাৰ্কোল অফিচৰ পৰা ৰিপোৰ্ট অহাৰ পিচতো ডি, চি অফিচত বহুদিন ধৰি পৰি থাকে। যিহেতু এচ, ডি, চি,ৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি ডি, চি অফিচৰ পৰা মাটি কিনা বেচা কৰাৰ পাৰ্মিচন দিয়ে সেয়ে মাটি কিনা বেচা কৰাৰ সম্পূৰ্ণ দায়িত্ব এচ, ডি. চি বা চাৰ্কোল অফিচক দিব লাগে।

* **শ্ৰী হেমেন দাস ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য জনে ৰুলখন চাই চাপ্লিমেন্টৰী ডিমাণ্ডৰ ক্ষেত্ৰত যিখিনি ক'ব লাগে সেইখিনি কওক আৰু পৰামৰ্শ দিয়ক।

* **ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্যজনে মাটিৰ ৰেজিষ্টাৰ কৰা সম্পৰ্কত যিটো কথা কৈছে সেইটো চাপ্লিমেন্টৰী ডিমাণ্ড অনা নাই তেনেকুৱা বিষয়ৰ ওপৰতহে কৈছে।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, চাপ্লিমেন্টৰী ডিমাণ্ডৰ ক্ষেত্ৰত উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱৰ আলোচনা শেষেই হোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে ৰিপ্লাই দিবলৈ ওলাইছে।

**মাননীয়া উপাধ্যক্ষা ঃ** আপুনি গ্ৰেন্টৰ ওপৰত কওক।

* **শ্বেখ আব্দুল হামিদ ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই গ্ৰেন্টৰ কথাকেই ক'ব বিচাৰিছো লগতে দুই এটা প্ৰয়োজনীয় কথা কৈছো। চৰকাৰে যিখিনি গ্ৰেন্ট বিচাৰিছে সেইখিনি দিযাত এই কাৰণেই আপত্তি কৰিছো যে ৰাজহ বিভাগৰ ক্ষেত্ৰত চৰকাৰী যিখিনি কাম-কাজ সেইখিনি ঠিকমতে কৰা হোৱা নাই। শেষত মই চৰকাৰৰ যিখিনি কাম-কাজ সেইখিনি যাতে জন সাধাৰণৰ স্বাৰ্থত কৰে এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

* Speach not corrected

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমি শ্লিপ দিছো, আমাকো আলোচনাত ভাগ ল'বলৈ দিব লাগে।

মাননীয়া উপাধ্যক্ষা ঃ আপোনালোকৰ নাম নাই।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, নাম নাথাকিলেও আলোচনাত অংশ গ্ৰহণ কৰিব পাৰি। আমাৰ ফালৰ পৰা মাননীয় সদস্য দেৱানন্দ কোঁৱৰ ডাঙৰীয়াই পাৰ্টিচিপেট কৰিব।

**Madam Deputy Speaker :** Hon'ble member Shri Debananda Konwar.

* **Shri Devananda Konwar :** Dy. Speaker, Madem, normally a cut motion is given not to creat any obstruction, but just to raise the discussion with regard to supplimentaries. However, in the subject mentioned, there should be matters relating to land revenue etc. In this connection, I would like to confine myself to one point. The Gaonburah should be taken as a part of collection of Revenue, so that the revenue will increase. In this regard some new Mouzas should be created in the plains districts of Assam by breaking up some of the Mouzas. I would request the Hon'ble Minister to give his thought on this matter. Also I would request the Hon'ble Minister to have a look so that the services of Gaonburahs can be utilised properly. The Mouzadars and the Gaonburahs may be utilised for some other purposes such as to check various crimes which are comitted in our state. Again, I would also request the Hon'ble Minister to enhance the remunaration of the Mouzadars and Gaonburahs from time to time.

Thank you.

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (শক্তি মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে সেইখিনি ৰুলমতে কোৱা নাই। চাপ্লিমেন্টৰী ডিমাণ্ডত যি কেইটা হেডত টকা বিচাৰিছে সেই কেইটা হেডৰ ওপৰত ক'ব লাগে।

* মোস্তাফা শ্বহীদুল ইছলাম ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি লেণ্ড ৰেভিনিউৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন কৰিছো। চৰকাৰে চাপ্লিমেন্টৰী ডিমাণ্ডত গাওঁবুঢ়া সকলৰ পাৰিতোষিকৰ যিটো কথা কৈছে তাৰ আনুসঙ্গিক কিছুমান বিষয় আছে। ৰাজ্যখনৰ উন্নতিৰ স্বাৰ্থতেই গাওঁ বুঢ়াসকলে সেৱা আগবঢ়াই আহিছে। এই টকাখিনি দিয়াত আমি ৰাজী আছো। কাৰণ ৰাজহৰ ওপৰত ভিত্তি কৰি বৰ্ত্তমান অসমখন চলাব পৰা ব্যৱস্থা আছে। আমাৰ ৰাজ্যত এতিয়াও ৬০০

* Speach not corrected

খন চাহ বাগিছা আছে। এই চাহ বাগিছাৰ ৰাজহ বৃটিছৰ দিনৰ পৰা একেই আছে। ১৮২৬ চনত যেতিয়া ইয়াণ্ডাবু সন্ধি হৈছিল তেতিয়াৰ পৰা চাহ বাগিছা সমূহৰ ৰাজহ বৃদ্ধি হোৱা নাই। বৃটিছে ১৯ বছৰৰ কাৰণে লিজত লৈছিল। এই বাগিছাসমূহ তেতিয়াৰ পৰা আজিলৈ ৰাজহ বৃদ্ধি হোৱা নাই। অসমৰ আয়ৰ লগত মাটিৰ ৰাজহৰ আয়ো জড়িত আছে। ৰাজহ বৃদ্ধি কৰি কৰ্মচাৰীক দা-দৰ্ম্মহা দিব পাৰে। অসমৰ মাটিত চাহ খেতি কৰি মেগৰ, লিপ্তন আদি কোম্পানীয়ে কোটি কোটি টকা উৰ্পাজিন কৰি নিছে কিন্তু আজি ৯৯ বছৰে তেওঁলোকৰ ওপৰত ৰাজহ বৃদ্ধি কৰিব পৰা নাই। গাওঁবুঢ়া সকলৰ দৰ্মহা বৃদ্ধি কৰিছে আমি ভাল পাইছো। গাওঁবুঢ়াসকলেই হৈছে গাওঁৰ মালিক যেনেকৈ ৰাষ্ট্ৰপতিসকল ৰাষ্ট্ৰৰমালিক। সেই গাওঁবুঢ়াসকলক আজি বিভিন্ন কাম-কাজত লগোৱা হয়। গাওঁত আজি বানপানী হ'লে কিবা প্ৰাকৃতিক দুৰ্যোগ হ'লেই এই গাওঁবুঢ়া সকল আগবাঢ়ি আহিব লাগে, গাওঁত কিবা গণ্ডগোল হ'লেই গাওঁবুঢ়া আগবাঢ়ি আহিব লাগে। গতিকে তেওঁলোকক আজিকালি মৰ্য্যাদা দিব লাগে। তেওঁলোকৰ দৰ্মহা বৰ্ত্তমান যিমান বঢ়াই দিছে তাতোকৈ বাঢ়িব লাগে। আনহাতে আৰু এটা কথা আজি শদিয়াৰ পৰা ধুবুৰীলৈ আজি শতকৰা ২৫ ভাগ মানুহেই চৰত বসবাস কৰে। এই চৰ অঞ্চলৰ সমূহ বাসিন্দা বৰ পৰিশ্ৰমী। তেওঁলোকৰ মাটিবিলাক চাৰ্ভে কৰি ল'লে মাটি পট্টা দিয়াৰ ব্যৱস্থা কৰিলে চৰকাৰে বহুত ৰাজহ পাব। মাটিৰ পট্টা পালে তেওঁলোকে বেংকৰ পৰা ঋণ পাব আৰু সেই ঋণেৰে তেওঁলোকে খেতিবাতি কৰি দেশক সমৃদ্ধিশালী কৰিব পাৰিব। গতিকে চৰকাৰৰ মাটিবিলাক এচ, ডি, চি, লাট মণ্ডলৰ হতুৱাই জৰীপ কৰি পট্টা দিয়াৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক টানি অনুৰোধ কৰিলো। আনহতে অতি সোনকালে চাহ বাগিচা সমূহৰ ওপৰত ৰাজহ বৃদ্ধি কৰিব লাগে। বৃটিছৰ দিনৰে সেই চাৰি অনা ৰাজহ আজিও আছে সেই ৰাজহ ২৫০ টকালৈ বৃদ্ধি কৰিব লাগে।

এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলোঁ।

* **ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় ৩ গৰাকী সদস্যই এই শিতানত বক্তব্য ৰাখিছে তাৰ কাৰণে তেখেত সকলোলৈ ধন্যবাদ জনাইছো। মাননীয় সদস্য শ্ৰীহামিদ ডাঙৰীয়াই যিখিনি কথা উত্থাপন কৰিছে এই কথাখিনিৰ এই মঞ্জুৰী শিতানৰ লগত প্ৰাসঙ্গিকতা নাই। ৰেজিষ্ট্ৰেচন বিষয়টো এই মঞ্জুৰী দাবীৰ লগত জড়িত নহয়। সেয়ে মই এই বিষয়ত উত্তৰ দিব বিচৰা নাই। মাননীয় সদস্য শ্ৰীকোঁৱৰ ডাঙৰীয়াই কেইটামান গুৰুত্বপূৰ্ণ কথা উত্থাপন কৰিছে। গাওঁবুঢ়া সকলৰ সেৱা আমি আইন শৃংখলাত ব্যৱহাৰ কৰিব লাগে বুলি তেখেতে পৰামৰ্শ দিছে। এই ক্ষেত্ৰত আমি ইতিমধ্যে সিদ্ধান্ত লৈছো। মাননীয় সদস্য মুস্তাফা শ্বহীদুল ইছলাম ডাঙৰীয়াই চাহ বাগিছাৰ ৰাজহ বৃদ্ধি, গাওঁবুঢ়াৰ সেৱা আৰু চৰত মাটি পট্টা দিয়াৰ কথা কৈছে।

গাওঁবুঢ়া সম্পৰ্কত আমি গোটেই বিষয়টো গাওঁবুঢ়া সকলৰ সংগঠন বিলাকৰ লগত

* Speach not corrected

আলোচনা কৰিছো। আমাৰ চৰকাৰে নিজাববীয়াকৈ এই ৬ হাজাৰ গাওঁবুঢ়াক মাতি আনি তেওঁলোকে দাবী নকৰাকৈয়ে ১০০ টকা বঢ়াই ৬০০ টকা কৰিছো আৰু তাৰ কাৰণেই এই পৰিপূৰক দাবী মঞ্জুৰী আনিব লগা হ'ল। এই ক্ষেত্ৰত মৌজাদাৰ সকলৰ কথাও কোৱা হৈছে কিন্তু সেইটো প্ৰাসঙ্গিক নহয় কাৰণে যদিও ইতিমধ্যে আমি মৌজাবিলাক পুনৰ গঠন কৰিব বিচাৰিছো আৰু তাৰ কাৰণে জিলাৰ উপায়ুক্ত/মহকুমাধিপতি সকলোলৈ জাননী জাৰি কৰা হৈছে। গাওঁবুঢ়া সকলক ৰাজহ বিভাগৰ কাম-কাজত জড়িত কৰাৰ ওপৰিও আইন শৃংখলাৰ কামত ব্যৱহাৰ কৰিবলৈ আমি সিদ্ধান্ত লৈছো। আমাৰ বৰ্ত্তমান ২৫ হাজাৰ খন ৰাজহ গাওঁ আছে। এই ২৫ হাজাৰ খন ৰাজহ গাওঁত ৬৬০ জন গাওঁবুঢ়া আছে। অবিভক্ত গোৱালপাৰা আৰু বৰাক ভেলীত এই গাওঁবুঢ়া চিষ্টেম নাই। অতিৰিক্ত যিবিলাক লাট আছে সেইবিলাকত প্ৰৱেশিকা পৰীক্ষা পাছ কৰা প্ৰাৰ্থীক অবৈতনিক হিচাৱে গাওঁবুঢ়া নিয়োগ কৰিম বুলি ব্যৱস্থা লৈছো।

(ভইচ্ ঃ নিৰ্বাচনৰ আগতে কৰিব নেকি?)

এতিয়াই কৰিম। অসমত নতুনকৈ দৰ্মহা সংশোধন হোৱা আৰু তাৰ হিচাপত জি, পি, এফ, ত অতিৰিক্তভাৱে টকা জমা দিবলগীয়া হোৱা কাৰণে এই দাবী মঞ্জুৰী উত্থাপন কৰিবলগীয়া হৈছে।

(ভইচ্ ঃ বৰ্ত্তমান গাওঁবুঢ়াসকলে পাই থকা টকাৰ আধা এই নতুন লোকসকলক দিব লাগে)

এই বিষয়টো আমি পাছত আলোচনা কৰিব পাৰিম। চাহ বাগিছা সমূহৰ ৰাজহ বৃদ্ধি কৰাৰ কথা কৈছে। কিন্তু ইয়াৰ আগতে অসমত যি সকলে দীৰ্ঘদিন ধৰি শাসন চলালে তেওঁলোকে এই ৰাজহ বৃদ্ধি কৰিবলৈ সাহস গোটাব পৰা নাছিল। এই ৰাজহ ৫ টকাৰ পৰা ১০ টকালৈ এতিয়া আমাৰ চৰকাৰে বৃদ্ধি কৰিছো।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো আৰু মাননীয় সদস্য সকলক কৰ্ত্তন প্ৰস্তাৱটো উঠাই ল'বলৈ অনুৰোধ জনালো।

**Madam Deputy Speaker :** Hon'ble Member, Sheikh Abdul Hamid, will you please withdraw your cut motion?

**Shri Sheikh Abdul Hamid :** Yes.

**Madam Deputy Speaker :** I now put the motion before the House. The motion is that :- an additional amount of Rs. 23,48,82/- be granted to the Minister, In-charge to defray certain charges which will come in course of discussion during the year ending 31 st March, 2000 in connection with Land Revenue and Land sale.

Those who are in favour, say, Ayes.

Those who are against, say, noes.

Ayes have it, Ayes have it, Ayes have it.

The motion is passed. Grant No. 6 is passed.

**Mr. Speaker :** Now, Grant No.71, Hon'ble Minister, Education to move.

* **Shri Thaneswar Boro :** Sir, on the recommendation of the Government of Assam, I beg to move sir that an additional amount of Rs. 30604.79 Lakhs be granted to the Minister in charge to defray certain charges which will come in the course of payment during the year ending 31 st March, 2000 in connection with "Education (Elementary, secondary, Sport and Non Formal Adult Education".

**Mr. Speaker :** There are three Cut Motion Notices in this Grant standing in the names of Hon'ble members :-

1.Sri Sheikh Abdul Hamid.

2.Sri Abdur Rouf.

3.Dr. Deba Kanta Ramchiary

4.Sri Andrius Hazowary

5.Sri Kumud Das

6.Sri Mohini Basumatary

7.Sri Jogmohan Basumatary

8.Sri Binod Gayari

9.Dr. Ardhendu Kumar Dey.

10.Sri Bharat Chandra Narah

11.Sri Rameshwar Dhanwar

12.Sri Sarat Borkotaki

13.Sri Dileswar Tanti

Now, I would request the movers to move their Cut Motions one by one :

* Speach not corrected

* **Shri Binod Gayari :** Hon'ble Speaker sir, In on behalf of the six Members of the PDF beg to move that the total provision of Rs. 30604.79 lakhs under supplimentary Demand for Grant No. 71 in respect of "Education (Elemenatry)" at pages 97-99 of the list Supplimentary Demands be reduced by Rs.100.00 i.e. the amount of the whole Supplimentary Demand of Rs.30604.79 lakhs do stand reduced by Rs. 100.00.

**Mr. Speaker :** Now, Hon'ble membar Shri Binod Gayari to speak.

* **Shri Binod Gayari :** Mr. Speaker Sir, I would like to speak in suport of the cut motion on the supplimentary Grant for education (Elementary and Secondary). Sir, the Govt. of Assam in the Department of Education has proposed Rs. 30604.79 lakhs as supplimentary Grant for Elementary and Secondary Education. Sir, in this connection I would speak that thousands of L.P. school teachers appointed under Operation Black Board Schemes are suffering a lot and facing difficulties since last two years without drawing their salaries regularly. Why the Govt. is not taking steps to give their salaries? Sir, under the Salary Head the Department has proposed Rs. 6278.34 lakhs for the normalisation of the services of the School Teachers appointed under Operation Black Board. So, in this connection I would like to say whether the state Govt. will be able to give the salaries along with the regularisation of their services appointed under Operation Black Board Schemes as per the commitment if this grant is passed by this August House. Again the department has proposed Rs. 300.00 Lakhs for payment of outstanding liabilities to HPC, Jagiroad. In this connection I would like to speak that the state Govt. from time to time spending thousands of rupees for purchasing of papers, As per the Govt. decision the Assam Govt. has given scope to the Assam Text Book production Corporation to do everything for publishing books for L.P. and M.E. Schools. But whatever I know that the Govt. of Assam has liabilities with the HPC, Jagiroad, but the serious thing is that even after the Assam Government has got the proposal for procuring books, for procuring papers from HPC Jagoiroad for free distribution to L.P. and M.E. Schools. But Sir, the strange thing that the students are suffering for non distribution of Books. They are facing lot

* Speach not corrected

of difficulties, they had to buy their books from the open market. Then why the Govt. is not able to give as per the proposal free distribution of books to the students. The Govt. has proposed Rs. 1034.94 lakhs for construction of Girl's Common Room for providing toilet facilities for girls' in ME, MV & LP Schools under 10th Finance Commission. Right sir, we agree if Govt. can provise Girl's Common Room along with toilet for the L.P, M.V. and M.E. Schools as toilets are very much esential for the students of such schools as we find that there is no such facilities now. So, I have doubt whether the govt. of Assam will be able to provide these facilities to such schools. I would like to know specially from the Hon'ble Minister as to how many toilets have been provided in the L.P. schools as per the proposal for granting Supplimentary Grant for the year 1999-2000.

* **Shri Binod Gayari :** Sir, as per the Secondary Education is concerned Rs. 3717.00 lakhs has been proposed by the State Govt. for short fall of salaries in the Secondary Schools.including 401 nos. Hindi teacher appointed in the secondary schools. Sir, I would like to know from the Hon'ble Minister, even if this proposal is passed why the teachers appointed in the secondary Schools are not getting their salaries? Sir, why the Govt. has not earmarked the budget for LP, MV and ME Schools of BAC area even after the transfer of BAC administration why seperate allocation has not been given to the BAC? I would like to know from the Hon'ble Minister specially the amount of the fund which has been earmarked for BAC by the Department of Education. I would like to know from the Hon'ble Minister regarding the grant of financial assistance to L.P., M.E, and High Schools for construction of buildings. I know that the Govt. is not giving grants for the construction of buildings. So, I would like to have specific assurance from the Hon'ble Minister in this regard. Thank you sir.

* **শ্ৰী শৰৎ বৰকটকী ঃ** মাননীয় সভাপতি ডাঙৰীয়া, মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি কেইটামান কথা ক'ব বিচাৰিছো। শিক্ষা বিভাগৰ কাৰণে যি ৩০,৬০৪.৭৯ টকা বিচাৰিছে তাত মঞ্জুৰী দিয়াত আমাৰ আপত্তি নাই। কিন্তু তাৰ ওপৰত কেইটামান কথা ক'ব লাগিব। ইয়াত কৈছে যে এল, পি, এম, ই স্কুলত গাৰ্লচ কমন ৰুম, চেনিটাৰী লেট্ৰিন আদি দিব। অসমত ৩১ হাজাৰ প্ৰাথমিক বিদ্যালয় আছে আৰু প্ৰায় ২০ হাজাৰ এম, ই স্কুল আছে। তাত গাৰ্লচ কমন ৰুম আৰু লেট্ৰিন

* Speach not corrected

দিয়াত কিমান কৃতকাৰ্য্য হ'ব তাত আমাৰ সন্দেহ আছে। তাৰোপৰি শিক্ষা মন্ত্ৰীয়ে শিক্ষক সকলক দৰমহা দিয়াৰ কথা কৈছে। দৰমহা দিয়াত আমাৰ আপত্তি নাই। জুনিয়ৰ কলেজ প্ৰায় ৪৮ খন সেই সময়ত আমাৰ চৰকাৰে প্ৰাদেশীকৰণ কৰিছে। তেখেতসকলে ৰিপিল কৰিছে আইন। কিন্তু আজিলৈকে জুনিয়ৰ কলেজ ল'ব পৰা নাই। সেইকাৰণে আমাৰ সন্দেহ হয় এতিয়া কাম হ'ব নে নহয়। তাৰোপৰি ৬২ খন হাইস্কুল, হায়াৰ চেকেণ্ডাৰী কৰাৰ কাৰণে হায়াৰ চেকেণ্ডাৰী কাউন্সিল ৰিকোমেণ্ড কৰিছে, মন্ত্ৰীয়ে সন্মতি দিছে, কিন্তু আজিলৈকে কৰিব পৰা নাই। ২৭-২-৯৭, ২৩-৩-৯৮ আৰু ১৮-১২-৯৭ তাৰিখত চুক্তি হৈছিল কিন্তু কাম নহ'ল। দৰমহাৰ চুক্তি কৰা হ'ল কিন্তু দৰমহা নাপালে। এল, ও, চিৰ চেংচন পায়, কিন্তু ট্ৰেজাৰী বন্ধ হৈ যায়। ফলত দৰমহা নাপায়। আজি শিক্ষক সকলে ২০-২৫ মাহেও দৰমহা পোৱা নাই। মনোহৰণ কমিটি গঠন কৰিছিল তাৰ ৰিপৰ্ট দাখিল কৰিলে নে নাই নাজানিলো। শিক্ষক সকলক নিয়মীয়া কৰিব লাগে। আজি বহুটো শিক্ষকে দৰমহা নাপায় নিজৰ কিডনি বিক্ৰী কৰি, থেলা চলাই চলিবলগীয়া হৈছে। সেই কাৰণে শিক্ষামন্ত্ৰী মহোদয়ক কৈছো ১৫ হেজাৰ শিক্ষকক নিয়মীয়া কৰক। শিক্ষামন্ত্ৰীয়ে জনাব লাগে প্ৰকৃততে শিক্ষকসকলক নিয়মীয়া কৰিব নে নকৰে। যদি নকৰে নকৰো বুলি ক'ব লাগে। আনহাতে জুনিয়ৰ কলেজৰ লগত কিমান চুক্তি কৰিব। বাজেট প্ৰভিজন থকা স্বত্বেও চৰকাৰে ডেফিচিট কৰিব নোৱাৰিলে। কন্টিজেন্সি ফাণ্ডৰ পৰাও দৰমহা দিব পাৰি। আজি ১১৬ জন ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে দৰমহা পোৱা নাই। ইয়াৰ ব্যৱস্থা কৰা নাই। অপাৰেচন ব্লেক বোৰ্ডৰ শিক্ষক সকলেও দৰমহা পোৱা নাই। তেওঁলোকক ৫ বছৰৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে দিয়ে। ৫ বছৰৰ পিচত ৰাজ্য চৰকাৰৰ দায়িত্বলৈ নিব লাগে। ৰাজ্য চৰকাৰে বাজেট প্ৰভিজন নকৰা কাৰণে দৰমহা নাপায়। সেইকাৰণে অনুৰোধ কৰিছো এই ব্যৱস্থা সোনকালে কৰিব লাগে। যদি নোৱাৰে; নোৱাৰো বুলি ক'ব লাগে, হাত দাঙি দিব লাগে। ডেফিচিট কলেজত আমাৰ যেতিয়া চৰকাৰ আছিল ৭০০ পোষ্ট ক্ৰিয়েট কৰি দিছিল। কিন্তু আজিলৈ নন চেংচনিং পদত কাম কৰি আছে এটা পদো সৃষ্টি কৰিব পৰা নাই। ইউ, জি, চি মতে আলোচনা কৰা ধৰণে দৰমহা দিব লাগে। কিন্তু দিয়া নাই। সেইকাৰণে সন্দেহ হৈছে। সভাপতি মহোদয়, ৫০০ হিন্দী শিক্ষকক ৰেগুলাৰ কৰিছে কিন্তু বাকী বিলাকক কৰিব পৰা নাই। হিন্দী শিক্ষককো কেন্দ্ৰীয় চৰকাৰে ৫ বছৰৰ কাৰণে দৰমহা দিয়ে। ৫ বছৰৰ পিচত ৰাজ্য চৰকাৰে কৰিব লাগে। তাৰ কাৰণে বাজেট প্ৰভিজন ৰাখিব লাগিব। যিবিলাক শিক্ষকে ৫ বছৰ প্লেন পোষ্টত কাম কৰি আছে তেওঁলোকক নন-প্লেন পোষ্টলৈ নিব লাগে। ব্লেক বোৰ্ড অপাৰেচনৰ ৩ কোটি ৭৫ লাখ টকা এ, জি, এম, চিক দিব লাগিছিল। কিন্তু কোনো টেনডাৰ কল নকৰাকৈ আনক দিছে। তাৰে কিছুমান প্ৰতিষ্ঠান আছে আৰু কিছুমানৰ নাই। এই বিলাকৰ এটা অনুসন্ধানৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, অলপতে হাইলাকান্দিৰ ডি আই অফিচটো জ্বলাই দিলে। তাৰ

কোনো ব্যৱস্থা কৰা নাই। শিক্ষাৰ ক্ষেত্ৰত যিবিলাক মঞ্জুৰী দিব লাগে সেইবিলাকৰ উপযুক্ত ব্যৱহাৰ হোৱা নাই। সেই বিলাকৰ সৎ ব্যৱহাৰ হ'ব লাগে। জুনিয়ৰ কলেজ বিলাকৰ ক্ষেত্ৰত এইবোৰ কাৰ্য্যকৰী হ'ব নে নহ'ব তাত মোৰ সন্দেহ আছে। এই বিলাকৰ বাজেট পজিচন আছিল কিন্তু ডেফিচিত নহ'ল। আমি দেখিবলৈ পাইছো লাহে লাহে দিন গৈ আছে, এই চৰকাৰৰ কৰাৰ মতলব নাই, আগ্ৰহ নাই। কলেজ সমূহত ইউ, জি, চি, স্কেল দিয়াৰ কথা আছিল এতিয়াও দিয়া নাই। পেঞ্চনবো একো নহ'ল। ভেনচাৰ স্কুল আমি লম বুলি কৈছিলো এতিয়া লোৱা নাই, হাইস্কুল লোৱা নাই, হায়াৰ চেকেণ্ডাৰী স্কুল লোৱা নাই, এম, ই আৰু এল, পি, স্কুল প্ৰভিনচিয়েলাইজ্দ কৰাৰ ব্যৱস্থা কৰা নাই, এইবিলাক সোনকালে কৰাৰ ব্যৱস্থা কৰিব লাগে। মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্য সামৰণী মাৰিলো।

*শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় সভাপতি মহোদয়, মাননীয় অসমৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই যিটো অগ্ৰীম টকা বিচাৰিছে আচলতে শিক্ষা বিভাগৰ কাৰণে সেইটো কম টকা হৈছে। কাৰণ শিক্ষক সকলে দৰমহা পোৱা নাই, পেঞ্চন পোৱা নাই সেইকাৰণে আৰু বেছিকৈ দিব লাগে। মোৰ শিক্ষা মন্ত্ৰীৰ ওচৰত এটা অনুৰোধ আছে। শিক্ষা বিভাগত কিমান কৰ্মচাৰী সেইটো আজিলৈকে জনাব পৰা নাই। এই কৰ্মচাৰী সকলৰ কথা কৈছো মই এলিমেন্টৰী এডুকেচন, হায়াৰ চেকেণ্ডাৰী এডুকেচন আৰু অন্যান্য শিক্ষা বিভাগৰ অফিচকে আদি কৰি এল, পি স্কুলৰ পৰা ইউনিভাৰচিটিৰ কৰ্মচাৰীৰ লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীলৈকে কিমান কৰ্মচাৰী আছে। কিছুমান আছে চাকৰি নকৰাকৈ দৰমহা লৈ আছে। এইবিলাকে বি ই ও অফিচত দৰমহা লয় ডি আই য়ে গমকে নাপায়। ধেমাজি ঢকুৱাখানাটো আছে। ধেমাজিত ২০০ টা পদৰ ঠাইত ৭৩২ টা নিযুক্তি হৈছিল। ইয়াৰ কেনা ক'ত আছে সেইটো চাই ব্যৱস্থা ল'ব লাগে। এই শিক্ষা বিভাগটো শ্মশান যাত্ৰা কৰিবৰ হ'ল। আজি মিজোৰামত শিক্ষিতৰ হাৰ ৯৬ শতাংশ, কেৰেলাত ৯৩ শতাংশ কিন্তু অসমত ৫৪ শতাংশ, আমাৰ ধেমাজি জিলাত ৪৭ শতাংশ। বৰ্ত্তমান ধেমাজি জিলা বিখ্যাত হৈ পৰিছে দুটা কাৰণত, এটা হৈছে বানপানী আৰু আনটো হৈছে শিক্ষাৰ ক্ষেত্ৰত, এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত আমাৰ তাৰ পৰা ২ জন ছাত্ৰই ষ্টেণ্ড কৰিছে- এজন ২ য় হৈছে আৰু আনজন ১৭ নং হৈছে। স্কুল বিলাকত ৩৬৫ দিনৰ ভিতৰত ৮০ দিন মানহে ক্লাছ হয়। আমাৰ স্কুল বিলাক ৰিলিফ কেম্প পতাৰ কাৰণে বন্ধ হৈ থাকে। (ভইচ ঃ বিধায়কে ল'ৰা পঢ়োৱাৰ কথা কওক)। ময়ো ল'ৰা পঢ়ুৱাইছো। অমিত বৰ্মা বুলি এটা ল'ৰাই প্ৰথম বিভাগত পাছ কৰাৰ কাৰণে কুৰুক্ষেত্ৰত এতিয়া ইলেক্ট্ৰিকেল ইঞ্জিনিয়াৰিং পঢ়ি আছে। সুবুৰ আলি বুলি এজন অতি দুখীয়া মানুহৰ ল'ৰা বাপেকে ৰিক্সা চলাই মাকে লোকৰ ঘৰত বাচন মাজে। সেই ল'ৰাজন ৩ টা বিষয়ত লেটাৰ পাইছে। এনেকুৱা ভাল ল'ৰা আছে। যোৱাকালি মাননীয় সদস্য কুমুদ দাসে প্ৰশ্ন কৰিছিল পদ সহ পষ্ট বিলাক ট্ৰেন্সফাৰ লৈ আছে। চহৰৰ ল'ৰা-ছোৱালীয়ে

* Speach not corrected

গাৱত এপইন্টমেন্ট লৈ চহৰলৈ পষ্ট সহ ট্রেন্সফাৰ লৈ আছে। এই নীতি বন্ধ কৰিব লাগে। বৰ্ত্তমান ১১২৩ টা দ্ৰপ পষ্ট ১৫ খন জিলাত আছে। সকলো জিলাতে নিযুক্তি হৈ আছে মাত্ৰ লক্ষীমপুৰ জিলাত ৫০ শতাংশ হৈছে আৰু ৫০ শতাংশ হোৱা নাই।

মাননীয় সভাপতি মহোদয়, ঢকুৱাখানা চাব ডিভিজনত ৫০ শতাংশ নিযুক্তি হ'ল আৰু ৫০ শতাংশ নিযুক্তি হোৱা নাই। সেই কাৰণে বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় সভাপতি মহোদয়, কিছুমান শিক্ষকক আৰবানৰ পৰা ৰুৰেললৈ ট্রেন্সফাৰ কৰিছে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় সভাপতি মহোদয়, বিভিন্ন সময়ত শিক্ষকসকলে পত্ৰ প্ৰেৰণ কৰিছে। এইবিলাক বিভাগীয় মন্ত্রী মহোদয়ে চোৱা দৰকাৰ। একোজন শিক্ষকে ভেনচাৰ স্কুলত ১৪-১৫ বছৰ ধৰি পাঠদান কৰি আহিছে। কিন্তু লক্ষীমপুৰ, ঢকুৱাখানা এইবিলাক মোৰ সমষ্টিৰ অন্তৰ্ভূক্ত। সেয়েহে শিক্ষকসকলৰ স্বাৰ্থত কৈছো, জিলাখনৰ স্বাৰ্থত কৈছো, নিৱনুৱা যুৱক সকলৰ স্বাৰ্থত কৈছো। সেই কাৰণে মাজে সময়ে বুলদজাৰ চলাব লাগে।

* **Shri Sukhendu Shekhar Dutta :** Mr. Chairman Sir, I think it will be better if you bring the discussion into the track. Here, we are discussing Elementary Education but how it comes to UGC etc?

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় সভাপতি ডাঙৰীয়া, কৰ্মচাৰী সকলে দৰমহা নাপায়। শিক্ষকসকলে দৰমহা নাপায়। চেংচনৰ কথা আছে, ৰিটেনচনৰ নোপোৱাৰ কথা আছে। অসমত এটা পলিচি লোৱা ভাল। তামিলনাডু, মহাৰাষ্ট্ৰ আদিত চাকৰি কৰাৰ আগতে ট্রেনিং পাছ কৰিব লাগে। তাৰ পিছতহে নিযুক্তি দিয়ে। এই ক্ষেত্ৰত অসমেও আগভাগ ল'ব লাগে। অসমৰ বহুতো ল'ৰা-ছোৱালী দিল্লীলৈ গৈছে, পুনেলৈ গৈছে। ইয়াত অন্য দেশতকৈ তিনি বছৰৰ পিচতহে নাম ভৰ্ত্তি হয়। আজিৰ তাৰিখত ল'ৰা-ছোৱালী বিলাকৰ বহুত ঘাটি হয়। য'ত ডাঙৰ ডাঙৰ পণ্ডিত থাকে, শিক্ষাবিদ থাকে। এইবোৰ ৰোধ কৰাৰ স্বত্বেও তাত কি হ'ল? মাৰপিট, গুণ্ডামি কৰা, দাদাগিৰি কৰা আদি বৃদ্ধি হৈছে। গতিকে সভাপতি ডাঙৰীয়া টপ্ টু বটম এই আটাইবিলাক মাননীয় মন্ত্রী মহোদয়ে চাব লাগিব। অসমৰ শিক্ষা ব্যৱস্থা নিম্ন পৰ্য্যায়লৈ গৈ আছে। সেই পৰ্য্যায়ত গৈ থাকিলে অসমখন শ্মশান যাত্ৰা হৈ আছে। আমাৰ ইয়াত বিৰোধী পক্ষ দল আছে, বুদ্ধিজীৱি সকল আছে, চিন্তাবিদ সকল আছে, সকলোৰে দায়িত্ব আছে। গতিকে কিছুমান নীতি গ্ৰহণ কৰি এই জ্বলন্ত সমস্যা সমাধান কৰাৰ চেষ্টা কৰিব লাগে। এল, পি, স্কুলৰ চাকৰিয়াল আৰু এম, ই, স্কুলৰ চাকৰিয়াল সকলৰ এই অৱস্থাটো হৈছে। ১০ খন ভেনচাৰ স্কুলৰ কথা ঘোষণা কৰিলে। এই বিষয়ে বাতৰি কাকতত দি দিছে। ৰাতিপুৱা গধূলি মোলৈ টেলিফোন আহিছে। দুহাজাৰ চনত

* Speach not corrected

চৰকাৰে ভেনচাৰ স্কুল ল'ব বুলি কৈছে, আপোনালোকে পাব। এনেকুৱা পৰ্য্যায় পাইছেগৈ। ধেমাজীত এনে ধৰণৰ স্কুল খোলাটো হৈছে এটা ডাঙৰ উদ্যোগ। এইবোৰ মানুহে বনোৱা উদ্যোগ। এইবাৰ মাজুলীত ভেনচাৰ স্কুল ৭ খন নে ৮ খন দিব। আমাৰ এই অঞ্চল বিলাকত চৰকাৰে অলপ চকু দিব। এজন ডি, অ দিলে তেওঁকো বদলি কৰিলে, কোনো কথা নাই বতৰা নাই বদলিৰ হুকুম হ'ল। কিন্তু যেতিয়া ৰাজহুৱা অভিযোগ আহে তেতিয়া বদলি নকৰে কোনো একচন নলয়। আজি এটা অৰ্ডাৰ, কালি এটা অৰ্ডাৰ। অসমখন যে ২৩ খন জিলা লগ লাগি হৈছে এই কথাটো কোনেও চিন্তা নকৰে। ধেমাজীলৈ মানুহ নাযায়, একো খবৰ নাপায়। খৰালি দিনত নাৱত উঠি পাৰ হ'ব লাগে। ধেমাজী টাউনৰ পৰা মাছখোৱা ঘাটলৈ ১৮ কিলোমিটাৰ। ধেমাজীৰ পৰা ৫ কিলোমিটাৰ বাট আহিলে হীলত উঠিবলৈ পায়। বাছৰ ভাৰা ১৭৫ টকা। গুৱাহাটীত কাম কৰিবলৈ আহিলে মিনিমাম দুহেজাৰ টকা আনিব লাগিব। এদিনত কাম নহয়। কৰ্ম সংস্কৃতি নাই। কাম নকৰে, সোৰোপা, সোপাটিলা। কি কৰে কৰক। সেই ফালৰ মানুহে আৰু একো নকৰে। একেবাৰে সৰল। তেওঁলোক একেবাৰে হোজা মানুহ সহজ সৰল মানুহ এই কাৰণে দুৰ্বলতা বুলি ভাৱে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেজপুৰত ডাইৰেক্টৰ অফিচ হোৱাটো ভাল। বড়োলেণ্ড আৰু কিবা যদি লেণ্ড আছে, সেইটোও হওক, বৰাক ভেলিতও হওঁক। এই কথাবিলাক মই আজি ক্ষোভেৰে ক'ব লগা হৈছে। শিক্ষা বিভাগে কাম নকৰে, শিক্ষা মন্ত্ৰী মহোদয়ে কি কৰিব। তলৰ বিষয়া সকলে কাম নকৰে। বিষয়া সকলে ভাল কাম কৰিবলৈ নিবিচাৰে। মই সকলোকে দোষ দিবলৈ বিচৰা নাই।

অধ্যক্ষ মহোদয়, নীতিৰ ক্ষেত্ৰত দিল্লী, মহাৰাষ্ট্ৰ আদিয়ে যি নীতি লৈছে সেইটো কৰক। যদি সেই ব্যৱস্থাৰে কাম কৰি যায় অসমৰ শিক্ষা ব্যৱস্থা নিশ্চয় ভাল হ'ব। দিছপুৰত মুখ্য সচিবকে আদি কৰি বিষয়া সকলে ১ তাৰিখে দৰমহা পাই, তেতিয়া হ'লে গাওঁত থকা শিক্ষক সকলে ১ তাৰিখে কিয় দৰমহা নাপাব। মন্ত্ৰীসকলে এক তাৰিখে দৰমহা পাব পাৰে, শিলচৰত থকা সকলে কিয় সময়মতে দৰমহা নাপাব। এল, পি, স্কুলৰ শিক্ষক সকলে চৰকাৰী কাম কৰিছে, ৰাইজৰ কাম কৰিছে, তেওঁলোকে সময়মতে দৰমহা পাব লাগে। তেওঁলোকৰ কি কাৰণত ৰিটেনচ্‌ন নাই, সকলোৰে ক্ষেত্ৰত এইটো লগাই দিয়ক। মন্ত্ৰী, বিধায়ক, মুখ্য সচিব, আয়ুক্ত, সচিব, সঞ্চালক সকলোৰে ক্ষেত্ৰত ৰিটেনচ্‌ন লগাই দিয়ক। সকলোৰে সমান সুবিধা পাব লাগে। কোনোবাই এক তাৰিখে পাব, কোনোবাই ১৫ তাৰিখেও নাপায় আৰু কোনোবাই মাহৰ পিচত মাহ ধৰি দৰমহা নাপায়। আকৌ কিবা বোলে প্লেন, নন্ প্লেন আছে, কিহৰ প্লেন, নন্ প্লেন থাকিব লাগে? তেতিয়া হ'লে এই প্লেন, নন্ প্লেন সকলোৰে ক্ষেত্ৰত লগাই দিয়ক, মন্ত্ৰীৰো লগাই দিয়ক। সকলোকে সমানে জাষ্টিচ দিব লাগে।

সভাপতি ডাঙৰীয়া, মই আগৰ কথা ক'বলৈ নাযাও। সমস্যা আগতেও আছিল, এতিয়াও

আছে আৰু ভৱিষ্যতেও থাকিব। কিন্তু তাৰ মাজে মাজে আমি কাম কৰি যাব লাগিব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো পিছপৰা অঞ্চলক অলপ মৰমৰ চকুৰে চালে ভাল হয়। বহুত ঠাইত স্কুল ঘৰ নাই ভাঙি ছিঙি গোহালীৰ নিচিনা হৈ আছে। আমি এম,এল,এ ফান্দৰ পৰা টকা দিছো, তথাপিও হোৱা নাই। মন্ত্ৰী সকলে এক লাখ টকা গ্ৰেন্ট হিচাপে দিম বুলি কৈছিল কিন্তু পইচা পোৱা নাই, এতিয়া এম, এল, এ সকলে গালি খাই আছে। জুনিয়ৰ কলেজ কৰাতো ভাল। কিছুদিন আগতে মই কৈছো আপোনালোকে পাব। ১৬ লাখ শিক্ষিত নিৱনুৱা যুৱক আছে। কোনোবাই স্কুল খুলিছে কোনোবাই ভেনচাৰ কলেজ খুলিছে, দুদিন পিছত দেখিব ভেনচাৰ বিশ্ববিদ্যালয়ও খুলিছে।

(Madam Dy. Speaker took the chair at 6.25 P.M. from Shri K.R.Deb)

মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ মাননীয় মন্ত্ৰী মহোদয় যি টকা বিচাৰিছে তাতকৈ আৰু বেছি টকা বিচাৰিব লাগে। সকলোৱে যাতে সময় মতে দৰমহা পাই, এক তাৰিখে যাতে পাই। মই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয়া উপাধ্যক্ষা ঃ** অসম বিধান সভাৰ মাননীয় সদস্য শ্ৰী অতুল বৰা ডাঙৰীয়াই (যি গৰাকী এসময়ত অসম মন্ত্ৰী সভাৰ এগৰাকী মাননীয় মন্ত্ৰী আছিল) আজি বিধান সভাৰ সদনত অসম বিধান সভাৰ মাননীয় অধ্যক্ষৰ বিৰুদ্ধে সদনৰ পৰম্পৰা আৰু নীতি-নিয়ম ভঙ্গ কৰি যি দুৰ্ভাগ্যজনক বক্তব্য বিধান সভাৰ আজিৰ কাৰ্য্য-বিৱৰণীৰ পৰা এক্সপানগ্নেট কৰা হ'ল।

* **শ্ৰী নিজামুদ্দিন খান ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে মই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি কেইষাৰমান কথা ক'বলৈ বিচাৰিছো। ইতিমধ্যে মাননীয় সদস্যসকলে শিক্ষক সলৰ দা-দৰমহাৰ কথা কৈছে। যি টকা দিয়াৰ কাৰণে আপত্তি কৰিছে তাত মোৰ আপত্তি আছে। মই টকা দিয়াৰ কাৰণে আপত্তি নাই, কিন্তু মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে শিক্ষক সকলে নিয়মিতভাৱে দা-দৰমহা পাব লাগে। তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অফিচৰ মেৰপাকৰ কাৰণে বহুত শিক্ষক কৰ্মচাৰীয়ে দা-দৰমহা নোপোৱাকৈ থাকে। ৰিটেনচ্‌ন নাই, এলোকেচ্‌ন নাই ফলত টকা দিব নোৱাৰে। এইবিলাক কথা কৈ শিক্ষক, কৰ্মচাৰী সকলক হাৰাশাস্তি কৰা হয়। গতিকে মই মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো এই পিচপৰি থকা শিক্ষক সকলক যাতে সময়মতে দা-দৰমহা দিয়া হয়। অফিচৰ মেৰপাক আতৰ কৰি শিক্ষক কৰ্মচাৰী সকলক যাতে নিয়মিতভাৱে দৰমহা দিয়ে তাৰ কাৰণে অনুৰোধ জনাইছোঁ। অপাৰেচন ব্লেক বোৰ্ডৰ শিক্ষক সকলৰ দা-দৰমহাৰ কথা কোৱা হৈছে- ইংৰাজীত- গতিকে এই শিতানত বহুত স্কুল এম, ই, এল, পি, গাৰ্লচ কমন ৰুম আদিৰ ব্যৱস্থা নাই। গতিকে মন্ত্ৰী মহোদয়ে এই বিলাকৰ ব্যৱস্থা কৰিব লাগে। স্কুলৰ নামত টকা দিয়া হয়। আগতে টয়লেট, গাৰ্লচ কমন ৰুম কৰিছিল।

* Speach not corrected

কিন্তু দুভাৰ্গ্যজনক যে এইবিলাক হোৱ নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো বিভাগীয় কৰ্ত্তপক্ষই সময়মতে যাতে কাম-কাজ সম্পূৰ্ণ কৰে তাৰ কাৰণে চকু দিয়ে। প্ৰাপ্ত বয়স্ক শিক্ষা আচঁনিত কি কাম কৰা হৈছে, গাঁনে ভূঞে য়ে কাম কাজ কৰিছে সেইটো আমি দেখা পোৱা নাই। ইয়াৰ বাবে টকা দিয়া হৈছে, কিন্তু কেনে ধৰণৰ ফাংচনিং কৰা হৈছে এই বিষয় নিশ্চিয় মন্ত্ৰী মহোদয়ে ক'ব। স্মুথ ফাংচনিং কৰা হৈছে নে নাই, এই আঁচনি ৰূপায়ন কৰা হৈছে নে নাই?

মাননীয় অধ্যক্ষ মহোদয়, আজি এই দুৰৱস্থাৰ মাজতো টকা পইচা দিয়াৰ কাৰণে গ্ৰান্ট বিচাৰিছে। কিন্তু এই টকা দিয়াৰ লগে লগে কাম কাজ বিলাক চোৱা চিতাৰ কাৰণে ব্যৱস্থা ন'হলে এডাল্ট এডুকেচ্‌নত সাধাৰণ শিক্ষা দিয়াৰ ক্ষেত্ৰত গাঁৱে-ভূঞে যি অৱস্থা হৈছে সেইটো অৰ্থহীন হৈ পাৰিব। কাৰণ অধ্যক্ষ মহোদয়, শিক্ষক সকলে আজি চাকৰি কৰিও দৰমহা পোৱা নাই। মাহৰ পিচত মাহ ধৰি, আন্দোলন কৰিবলগীয়া হৈছে। কিছুমানে ৰিক্সা চলাই খাবলগীয়া হৈছে। এইটো চৰকাৰৰ কাৰণে সাংঘাটিক দুৰ্ভাগ্যৰ কথা। কাম কৰিছে কি? প্ৰাপ্য মজুৰীখিনি তেওঁলোকক আজিও দিব পৰা নাই। টকা থাকিলে ৰিটেনচ্‌ন নাথাকে, ৰিটেনচ্‌ন থাকিলে বাজেট নাথাকে; এই ব্যৱস্থা বিলাক নাইকীয়া কৰিব লাগে, দৰ্কাৰ হ'লে প্লেন, নন্‌ প্লেন আদি ব্যৱস্থা বিলাক নাইকীয়া কৰি তেওঁলোকে যাতে দৰমহা পায় তাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয়া উপাধ্যক্ষা মহোদয়া ঃ** Now, Hon'ble Member Dr. Hemoprabha Saikia a will move.

* **ডঃ হেমপ্ৰভা শইকীয়া ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ দলৰ ফালৰ পৰা শিক্ষা বিভাগৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ জনা হৈছে তাৰ সমৰ্থনত মই দুযাৰামান ক'বলৈ ওলাইছো। শিক্ষাই হ'ল জীৱনৰ পোহৰ। আমি অন্ধকাৰত বাস কৰিব নোৱাৰো। সেইকাৰণেই পোহৰ দিয়াৰ ব্যৱস্থাই হ'ল শিক্ষা। জ্ঞানৰ পোহৰ বিলোৱা এই শিক্ষক সকলৰ ক্ষেত্ৰত দেখা গৈছে যে ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ যিখিনি শিক্ষক নিযুক্তি দিয়া হৈছিল তাৰ সৰহভাগেই দৰমহা পোৱা নাই। বহুত শিক্ষকে অনাহাৰত দিন কটাইছে। আন কোনোৱাই আকৌ আত্মহত্যাও কৰিবলৈ আগবাঢ়িছে। তেওঁলোকৰ জীৱন অকল্পনীয়ভাৱে দুদৰ্শাগ্ৰস্থ হৈ পৰিছে। এই কথাবিলাক শিক্ষা বিভাগে নিৰাময় কৰিব লাগিব। চৰকাৰী তথ্য মতেই ১৫ হাজাৰ শিক্ষকে নিযুক্তি পোৱাৰ পিছতো দৰমহা পোৱা নাই। এতিয়া শুনিছো পোষ্ট চেংচন নোহোৱাকৈয়ে কিছুমান নিযুক্তি হৈ গ'ল। সমস্যাটো অকল এই ১৫ হাজাৰৰ সমস্যা নহয়, ই নিৱনুৱা সমস্যাৰ এটা অংশহে। এই সমস্যাৰ সমাধান চৰকাৰেই কৰিব লাগিব। চৰকাৰে পলায়নবাদী মনোভাৱ ল'লে নহ'ব। চৰকাৰৰ কৰ্ত্তৃত্ব আছে, কিবা এটা শীঘ্ৰে কৰিব লাগিব। শিক্ষা মন্ত্ৰী মহোদয়ে যদি আজি প্ৰতিশ্ৰুতি দিয়ে তেন্তে আমি সন্তোষিত

* Speach not corrected

হম। ১৯৯১ ৰ পৰা ১৯৯৬ লৈ বহু হাইস্কুল হায়াৰ চেকেণ্ডাৰী কৰা হ'ল। সেই সময়ত যিবিলাক শিক্ষকৰ নিযুক্তি হৈছিল সেই খিনিৰটো চাকৰি নিয়মিয়া নহ'লেই উপৰঞ্চি কিছু শিক্ষকক নিযুক্তি দিয়া হ'ল বুলি আমি শিক্ষক এচ'চিয়েশ্যনৰ ফালৰ পৰা জানিব পাৰিছো আমি শিক্ষা মন্ত্ৰী মহোদয়ক লগ ধৰি শিক্ষা মন্ত্ৰী মহোদয়ক কথাটো জনোৱাত আমাক আপুনি এইখিনি নিয়মিয়া কৰিব পৰা যাব বুলি কৈছিল। কিন্তু কাৰ্য্য ক্ষেত্ৰত দেখা গ'ল যে এতিয়ালৈকে এইটো হোৱা নাই। এইটো কৰিব পাৰিলে আমিও সন্তোষিত হম। ইয়াত অকল শিক্ষকৰ কথা নহয়। আমাৰ সামাজিক জীৱনখেল ইয়াত প্ৰতিফলন হয়। গতিকে কথাটো গভীৰভাৱে চিন্তা কৰি চাব লাগে। আজি মঞ্জুৰিৰ শিতানত টয়লেট আৰু কমনৰুমৰ কাৰণেও স্কুল বিলাকত টকা ধৰা হৈছে। এইবিলাক কৰিব পাৰিলে ভাল কথা। আজি এজন মাননীয় সদস্যই কৈছে যে দহবছৰমান আগতে ৪০ খন এল, পি স্কুলত টিউব ওৱেল দিয়াৰ কথা আছিল যদিও পিচত কিন্তু ফিজিবিলিটী নাই বুলি আজিলৈকে টিউবৱেল নহ'ল। আমাৰ নাজিৰাত অৱশ্যে ২৫ খন মান স্কুলত টিউবৱেল বহুৱা হৈছে। ইয়াৰ উপৰি আন কিছুমান খেলিমেলিও আছে বুলি গম পাইছো যেনে কোনো কোনো স্কুলত শিক্ষক শিক্ষক নিযুক্তি হৈছে। পেন্সন পাইছে, ৰিটায়াৰ কৰিলে আৰু মৃত্যুও হ'ল। তাৰ পিচত নতুন নিযুক্তিও হ'ল। কিন্তু এতিয়াহে তেওঁলোকে গম পাইছে যে স্কুলখন এতিয়া চৰকাৰী হোৱাই নাই। মই নামকিটা মন্ত্ৰী মহোদয়ক পিচত দিম। এবিলাকৰ ওপৰত নিশ্চয় বিবেচনা কৰি ব্যৱস্থা ল'ব। আকৌ সেই শিক্ষকৰ কি হ'ব? তেওঁলোকক খেদিব নে চাকৰি নিয়মিয়া কৰিব? বিভিন্ন সময়ত বিভিন্ন মতামত শুনিবলৈ পাওঁ। কেতিয়াবা কয় স্কুল কমিটি হৈছে, কেতিয়াবা কয় মনোহৰণ কমিটি হৈছে। এনেধৰণেই তিনিটা বছৰ পাৰ হ'ল। এতিয়া বাকী দুটা বছৰত বিভাগটোৱে এই কামখিনি নিশেষঃ কৰিব পাৰিব নে? আমাৰ আস্থা হেৰাই গৈছে। এইদৰে আমাৰ নিৱনুৱা সকলক প্ৰতাৰণা কৰিব বুলি ভাৱিবৰহে থল আছে। শিৱসাগৰ জিলাতো আৰু কিছুমান খেলি-মেলি আছে। কেবাখনো স্কুলৰ শিক্ষকে দৰমহা পোৱা নাই। নাজিৰাতো ১৯৯৭ চনৰ পৰা আজিলৈকে কিছুমান শিক্ষকে দৰমহা পোৱা নাই। শিক্ষক সকলৰ এই অসুবিধাসমূহ চৰকাৰে আন্তৰিকতাৰে চাব লাগে আৰু লগে লগে ইয়াৰ প্ৰতিবিধান দি নিৰাময় কৰিব। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

**Mr. Speaker :** Now, Hon'ble Member Sukur Ali.

* **শ্ৰী শুকুৰ আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গ্ৰান্টটোৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে, সেইটোক সমৰ্থন কৰি মই দুষাৰমান ক'ব বিচাৰিছো। শিক্ষাবিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ। আমি ইমানদিন বাতৰি কাকতৰ যোগেদিয়েই হওঁক বা ৰাইজৰ যোগেদিয়ে হওঁক বিভাগটোৰ নানান কেলেংকাৰী, দুৰ্নীতি আদি শুনিবলৈ পাই আহিছো। অসমৰ শিক্ষা বিভাগটোত বহু সমস্যাৰ

* Speach not corrected

সৃষ্টি হৈছে। দৰমহাৰ ক্ষেত্ৰত বিশেষকৈ মাহৰ পিছত মাহ দৰমহা আদায় নোপোৱাৰ পিচতো শিক্ষকসকলে শিক্ষাদানৰ কাম চলাবলগীয়া পৰিছে। বহু শিক্ষকে আজি চাকৰি এৰিবলীয়াত পৰিছে কাৰণ দৰমহা নাপালে জীয়াই থাকিব কেনেকৈ? দোকানৰ দোকানীয়েও বস্তু বাকী নিদিয়া হয়। গতিকে অন্যান্য ব্যৱস্থা ল'বলগীয়া হৈছে। বহু ক্ষেত্ৰত বহুমাহ ধৰি দৰমহা ন্যপাই পৰিয়ালক ভৰণ-পোষণ দিবলগীয়া হৈছে। কোনো কোনোৱে আকৌ ৰিক্সা চলাইছে। সেয়ে আজি পৰিপূৰক মঞ্জুৰী উত্থাপন কৰিছে, তাত শিক্ষক সকলৰ দৰমহাৰ কথাও আছে। সেয়ে এই দৰমহাৰ ক্ষেত্ৰত চৰকাৰে যাতে বিশেষ ধৰণৰ ব্যৱস্থা লয় তাৰ বাবে অনুৰোধ জনালো। শিক্ষক সকলে শিক্ষাদান কৰিবলৈ উৎসাহ পায়। তাৰোপৰি দৰমহা লোৱাৰ ক্ষেত্ৰতো শিক্ষক সকলে নানান হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হয়। বিভাগীয় কৰ্মচাৰীক উৎকোচ দিহে বিল ট্ৰেজাৰীলৈ নিব পাৰে। আকৌ ট্ৰেজাৰীতো একে অৱস্থা। কিন্তু মাননি দি হ'লেও তেওঁলোকে এইটো কাম কৰিব লগা হয় কাৰণ নহ'লে আকৌ সিফালে বেংক বন্ধ হৈ যায়।

আন এটা কথা ক'ব খুজিছো যে চৰকাৰে সময়মতে বিনামূলীয়া পাঠ্যপুথি যোগান দিব পৰা নাই। সেয়ে কণ কণ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত বিস্তৰ ক্ষতি হৈ আহিছে। হিন্দুস্তান পেপাৰ মিলৰ কাগজৰ কথা কাকতত ওলাইছিল যে পেপাৰ নিগমক দিবলগীয়া টকা নিয়মীয়াকৈ দিয়া নাই বাবে পাঠ্যপুথি নিগমক টকা দিয়া বন্ধ কৰি দিছে। এই কাগজ আনিবলৈ সমৰ্থ নহ'লে পাঠ্যপুথি নিগমে প্ৰত্যেক বছৰৰ দৰে এই বছৰো ছাত্ৰ-ছাত্ৰীসকলক সময়মতে পাঠ্যপুথি যোগান দিব নোৱাৰিব। গতিকে যথেষ্ঠ অসুবিধাৰ সন্মুখীন হ'ব লাগিব। গতিকে এই ছাত্ৰ-ছাত্ৰী সকলে সময়মতে যাতে পাঠ্যপুথি পায় তাৰ ব্যৱস্থা কৰিব লাগিব। তাৰোপৰি দশম বিত্তীয় আয়োগে ছোৱালীৰ কমনৰুম আৰু টয়লেট আদি দিয়া ব্যৱস্থা কৰিছিল। শিক্ষা মন্ত্ৰী মহোদয়ে সকলো বিধায়ককে ইয়াৰ বাবে তালিকা দিবলৈ কৈছিল। মই দুবাৰো দিলোঁ। প্ৰথমখন লিষ্ট মতে কমনৰুম, টয়লেট আদি পোৱা গৈছে যদিও দ্বিতীয়খন তালিকাত পানী যোগান আদি দিয়া হৈছিল যদিও সেইমতে কিন্তু একো পোৱা নাই। এইটো মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। এইবিলাক বিভাগীয়ভাৱে তদন্ত কৰিব লাগে। ৰাজ্যখনত আজি বিল্ডিংৰ অৱস্থা শোচনীয়। বহুত স্কুল আছে, য'ত ঘৰ নাই; চালি এখনৰ তলত, গছৰ তলত ক্লাছ চলি আছে। বিশ্বাস কৰিবলৈ বহুতে টান পাব। কিন্তু মই জানো, মই নিজে দেখিছো। আজি অসমৰ জনসংখ্যা বাঢ়িছে, লগে লগে ছাত্ৰ-ছাত্ৰীও বাঢ়িছে। আমি বাৰে বাৰে কৈছোঁ যে শিক্ষক সকলৰ অৱস্থা আৰু শৈক্ষিক পৰিৱেশৰ প্ৰতিও শিক্ষা বিভাগে নজৰ দিয়া অতি প্ৰয়োজন। এই সকলোবোৰ ক্ষেত্ৰত চৰকাৰে দৃঢ় পদক্ষেপ ল'ব বুলি আশা কৰিলোঁ। প্ৰাপ্ত বয়স্ক শিক্ষাৰ কথাটো খান চাহাবে উল্লেখ কৰিছেই। এইটো ক'ত কেনেকৈ কি হৈছে মই ক'ব নোৱাৰোঁ। ইয়াৰ কাৰণে যিহেতু সুকীয়া আঁচনি আছে, টকাও আছে। এইটো সঠিকভাৱে ব্যৱহাৰ হ'ব লাগে। গতিকে এই আঁচনিখন ভালদৰে কাৰ্য্যকৰী কৰি

সুফল কেনেদৰে লাভ কৰিব পাৰি তাৰ বাবে চেষ্টা কৰিব লাগে। এই আশা ৰাখি মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি বক্তব্যৰ সামৰণি মাৰিলোঁ।

**Mr. Speaker :** Any other Member would like to take part in the discussion.

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে শিক্ষাৰ শিতানত যিটো পৰিমাণৰ আৱন্টন বিচাৰিছে আৰু এই সম্পৰ্কত যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। যোৱাকালি এটা প্ৰশ্নৰ সময়ত মই ৰেইজ কৰিছিলোঁ যে কলেজ শিক্ষক সকলক পেঞ্চনৰ সুবিধাটো দিব পৰা নাই আৰু এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে উত্তৰত জনালে যে অৱসৰপ্ৰাপ্ত শিক্ষক সকলৰ পেঞ্চনৰ ব্যৱস্থাটো খৰতকীয়া কৰিব পৰা নাই। মই পুনৰ মাননীয় শিক্ষা মন্ত্ৰী অনুৰোধ জনাব বিচাৰিছো যাতে আমাৰ কলেজ শিক্ষক সকলৰ, অৱসৰপ্ৰাপ্ত শিক্ষক সকলক পেঞ্চন দিয়াৰ ব্যৱস্থা অতি সোনকালে কৰা হয়। তাৰ পিছত টোটেল লিটাৰেচি প্ৰগ্ৰেমত যিমান পৰিমাণৰ টকা ব্যয় কৰিলে, সেই টকাতো কেনেভাৱে ইউটিলাইজ কৰা হ'ল সেই সম্পৰ্কত ইউটিলাইজ কৰা হ'ল সেই সম্পৰ্কত ইউটিলাইজেচন চাৰ্টিফিকেট নিদিয়াৰ কাৰণে আমাৰ অন্যান্য দিশতো অসুবিধা আহি পৰিছে, কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান অহাত অসুবিধা হৈছে। আমি জনাত প্ৰত্যেকখন জিলাতে টোটেল লিটাৰেচি প্ৰগেমত ১ কোটি কৈ টকা দিছে, কিন্তু জিলা উপায়ুক্তই ইউটিলাইজেচন চাৰ্টিফিকেট দিয়া নাই। ইউটিলাইজেচন চাৰ্টিফিকেট নিদিয়াৰ কাৰণে অন্যান্য বিভাগত যি টকা পাব লাগে সেইটো পোৱা নাই। গতিকেই এই টকা পইচা বিলাক কেনেভাৱে ব্যৱহাৰ হৈছে সেই সংক্ৰান্তত ইউটিলাইজেশ্যন চাৰ্টিফিকেট দিয়াৰ ব্যৱস্থা ল'ব লাগে। যোৱাকালি প্ৰশ্নৰ উত্তৰত মই আন এটা বিষয়ত সদনৰ দৃষ্টি আকৰ্ষণ কৰিছিলো- যিখন খচৰা সমিতি গঠন কৰা হৈছে সেই সমিতিৰ ময়ো এজন সদস্য তাত আমি যিটো দেখিছো আডাৰ এপেণ্ডিচাৰৰ হেডত ১০ লাখ টকা ধৰিছে, এই টকাতো উকীলৰ ফিজ দিবৰ কাৰণে ধৰা হৈছে বুলি জনালে, কিন্তু আচৰিত কথা যে বিগত কেইটা বছৰত আমি কিমানটা কেচত জিকিলোঁ, সেইটোহে চিন্তা কৰিবলগীয়া বিষয়। হাইকৰ্টলৈ যোৱা কেইটা কেচত আমি জিকিছো। সেইকাৰণেই বহুতে কোৱা শুনা যায় যে হাইকৰ্ট লৈ গ'লে ১৫ হাজাৰ টকা খৰচ কৰিলেই চাকৰি হৈ যাব। এতিয়া কথা হ'ল যদি হাইকোৰ্টত নহয়, চুপ্ৰিম কৰ্টলৈ যাব লাগে, হাইয়াৰ চেকেণ্ডাৰীৰ ক্ষেত্ৰত কিছুমান অপ্ৰয়োজনীয় নিৰ্দ্দেশ দি আছে। এতিয়া যদি প্ৰত্যেকেই হাইকৰ্টলৈ গৈ চাকৰি লৈ আছে তেনে ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰাই নিয়মীয়া কৰি দিয়াৰ ব্যৱস্থা কৰি দিব লাগে নহ'লে বাদ দিব লাগে। আনহাতেদি আন এটা কথালৈ মই আঙুলিয়াব বিচাৰিছো যে বাতৰি কাকতত ওলাইছে যে কলেজৰ শিক্ষক সকলক ইউ, জি, চি নৰ্মচত দৰমহা দিয়া হৈছে, কটন কলেজকে ধৰি বিভিন্ন কলেজত ইউ, জি, চি নিৰিখত দৰমহা দিয়া হোৱা নাই, কিন্তু আগতে পলিটেকনিক আৰু অন্যান্য কলেজৰ শিক্ষক সকলে ইউ, জি, চি নিৰিখতেই দৰমহা পাইছিল। বাতৰি কাকতত

* Speach not corrected

ওলাইছে পলিটেকনিকে ইউ, জি, চি মতে পোৱা নাই। গতিকে এই বিষয়টো যাতে মন্ত্ৰী মহোদয়ে চাই বিহিত ব্যৱস্থা লয়। শিক্ষক সকলক নিযুক্তি দিয়া হওঁক আৰু তেওঁলোকক ১ তাৰিখে নহ'লেও অন্তত ১০ তাৰিখৰ আগতে দৰ্মহা দিব লাগে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** চাৰ অকল কৰ্মচাৰী বিষয়াই এক তাৰিখে দৰ্মহা পাব লাগে সেইটো নহয়, শিক্ষক সকলোকো এক তাৰিখৰ ভিতৰত দৰমহা দিয়াৰ ব্যৱস্থা কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** তাৰ মানে বিধায়ক সকলেও এক তাৰিখে পাব লাগে আৰু কৰ্মচাৰী সকলেও পাব লাগে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মই আন এটা কথালৈ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, ১৯৯৮ চনত ২১ অক্টোবৰত ৯ জনক নিযুক্তি দিছিল, নগাওঁ টাউনতে ৭ জন শিক্ষকক নিযুক্তি দিছিল। এতিয়া কথা হ'ল এই নিযুক্তিবিলাক যদি অবৈধভাৱে আছিল সেইবিলাক ৰেগুলাৰ কৰিব লাগে। নতুবা উচ্চ ন্যায়ালয়লৈ যাওঁক কিয়নো হাইকোৰ্ট কৰি এই শিক্ষক সকলে চাকৰিত নিযুক্তি পাই আছে। গতিকে হয় ৰেগুলাৰাইজ কৰক নতুবা কেচ্ বিলাক দিচপোজ কৰাৰ চেষ্টা কৰক।

* **শ্ৰী শৰৎ বৰকটকী ঃ** এই যিবিলাক নিযুক্তি দিয়া হৈছিল, সেইবিলাক ৰেগুলাৰ পোষ্টত এগেইনষ্টত দিয়া হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গয়াৰী ডাঙৰীয়াই গোটেই শিক্ষক সকলৰ দৰ্মহা নিয়মীয়া কৰিব লাগে বুলি কৈছে। মাননীয় সদস্য বৰকটকী ডাঙৰীয়াই অ,বি,বি শিক্ষক সকলৰ দৰমহা নিয়মীয়া কৰাৰ কাৰণেও পৰামৰ্শ আগবঢ়াইছে। অ, ৰি, বি শিক্ষক সকলৰ দৰমহা নিযমীয়া কৰাৰ কাৰণে বাজেটত টকা ধৰা হৈছে। বিশেষকৈ ৮১৫৩ জন শিক্ষকৰ চাকৰি নিয়মীয়া কৰাৰ কাৰণে ইয়াত টকা ধৰা হৈছে। হিন্দুস্তান পেপাৰ নিগমক টকা দিবলৈ আছে যদিও তেওঁলোকে কাগজৰ যোগান ধৰাতো বন্ধ কৰা নাই। তেওঁলোকে কাগজ দি আছে। ৮ কোটি টকা তেওঁলোকক দিবৰ কাৰণে চাপ্লিমেন্টৰী বাজেটত অনা হৈছে। বিনামূলীয়া পাঠ্যপুথিৰ বিতৰণৰ কথা ক'ব বিচাৰিছো। বিনামূলীয়া পাঠ্যপুথি বিতৰণত এটা অসুবিধা আছে বুলি তেওঁলোকে কৈছে। এই ক্ষেত্ৰত আমি কিছু চিন্তা চৰ্চা কৰিছো। পাঠ্যপুথি বিতৰণৰ ক্ষেত্ৰত অসুবিধা নাথাকিব। মজলীয়া বিদ্যালয়ৰ পাঠ্যপুথি প্ৰাইচ চিষ্টেমত হ'ব, বিনামূলীয়া নহয় আৰু প্ৰাইমেৰী বিদ্যালয়ৰ পাঠ্যপুথি আধা মূল্যত দিয়াৰ ব্যৱস্থা কৰা হৈছে। গাৰ্লচ কমন ৰুমৰ কথা কোৱা হৈছে। আগতে চেন্ট্ৰেল এচিচ্‌টেন্ট অহা নাছিল কাৰণে বাজেটত টকা ধাৰ্য হোৱা নাছিল। এতিয়া চেন্ট্ৰেল এচিচমেন্ট আহিছে আৰু এই কামখিনি কৰিবৰ কাৰণে বাজেটত টকা ধৰা হৈছে। চেকেণ্ডাৰী পৰ্য্যায়ত ৪০১ টা হিন্দী পোষ্ট নিয়মীয়াকৰণ কৰিবলৈ লোৱা হৈছে। তাৰ কাৰণে চাপ্লিমেন্টৰী ডিমাণ্ডত টকা ধৰা হৈছে। বি, এ, চিৰ কাৰণে ইয়াত প্ৰশ্ন নুঠে। তাৰ পিচত চেকেণ্ডাৰী লেভেলৰ বিল্ডিংৰ

* Speach not corrected

কথা ক'ব বিচাৰিছো। চেকেণ্ডাৰী লেভেলত নাইনটি নাইন পার্চেন্ট ধন চেলাৰী হেডত খৰচ কৰিবলগীয়া হোৱা কাৰণে বিল্ডিং গ্ৰেন্ট দিয়াৰ ক্ষেত্ৰত অসুবিধা হৈছে। কিন্তু প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাৰ ক্ষেত্ৰত বিল্ডিং গ্ৰেন্ট দিয়া হৈছে। প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাৰ ক্ষেত্ৰত বিল্ডিং গ্ৰেন্ট দিয়াত অসুবিধা হোৱা নাই। প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাৰ বিল্ডিং নিমাৰ্ণৰ বাবে ডি, আৰ, ডি, এ ৰ ফালৰ পৰাও টকা দিয়াৰ ব্যৱস্থা আছে। মাননীয় সদস্য ডাঙৰীয়াই চেনিটাৰীৰ ক্ষেত্ৰতো পৰামৰ্শ আগবঢ়াইছে। আমি সেইটো চাম। জুনিয়ৰ কলেজৰ শিক্ষক সকলৰ চাকৰি অহা বছৰৰ ভিতৰত নিয়মীয়া কৰি দৰমহা আদায় দিয়া ব্যৱস্থা কৰা হ'ব। ১৯ খন মহাবিদ্যালয়ক মঞ্জুৰীৰ ব্যৱস্থা কৰা হৈছে। জুনিয়ৰ কলেজৰ শিক্ষক সকলৰ ক্ষেত্ৰত যিমান ক্ষীপ্ৰ গতিৰে কাম কৰিব লাগিছিল সিমান ক্ষীপ্ৰ গতিৰে কাম কৰিব পৰা নাই। ৬২ খন হায়াৰ চেকেণ্ডাৰী স্কুল আমি প্ৰভিনচিয়েলাইজ কৰিবলৈ লৈছো। কিন্তু কিছু সংখ্যক স্কুলৰ এনৰোলমেন্ট নোহোৱাৰ কাৰণে সিদ্ধান্ত ল'ব পৰা নাই। শিক্ষক সকলৰ কিছুমানে একেলগে গোটেই কেইখন স্কুল ল'ব লাগে বুলি কোৱাৰ কাৰণে আমাৰ অসুবিধা হৈছে। যি সকল শিক্ষকক পূৰ্বৰ চৰকাৰৰ দিনত তদৰ্থ ভিত্তিত নিযুক্তি দিয়া হৈছিল এটা সময়ত তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগিছিল। এতিয়া ৫২ হাজাৰ ইৰেগুলাৰ পোষ্ট ৰেগুলাৰ কৰিবলৈ লোৱা হৈছে। এল, পি স্কুলৰ ৯৩৮৭ টা, এম, ই স্কুলৰ ১০,১৪৮ টা আৰু অ, বি, বি ৰ ৩৮৭৪ টা শিক্ষকৰ পোষ্ট টোটেল ২৩,৩০৯ টা পোষ্ট প্লেনৰ পৰা নন প্লেনলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। ১-৩-৯৮ তাৰিখলৈ এই হিচাপটো দিয়া হৈছে। তাৰোপৰি হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুলৰ ৯০৩৭ টা শিক্ষকৰ পোষ্ট প্লেনৰ পৰা নন প্লেনলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। গতিকে প্লেনৰ পৰা নন প্লেনলৈ মুঠ ৩২,৪৪৫ টা শিক্ষকৰ পোষ্ট অনাৰ ব্যৱস্থা কৰা হৈছে। স্বাভাৱিকতে কম সময় ভিতৰত ইমান কাম কৰাতো অসুবিধা যদিও কৰা হৈছে। অৱশ্যে অহা বছৰ বাজেটত পুঁজিৰ আৱন্টন যথেষ্ঠ পৰিমাণৰ হ'বগৈ। চতুৰ্থ শ্ৰেণীৰ কিছু ইৰেগুলাৰ কৰ্মচাৰী আছে তেওঁলোকৰ পোষ্ট ৰেগুলাৰ কৰিব পৰা নাই। অ, বি, বি টো কিছু পোষ্ট খালী আছে। ডেফিচিট কলেজৰ কথাটো হায়াৰ এডুকেচনৰ ২৬ নং গ্ৰেন্টত আছে। গতিকে এই বিষয়টো আলোচনালৈ আহিব নালাগিছিল। সেইটো ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগিব। ১৯ খন কলেজ ডেফিচিট চিষ্টেমলৈ আনিব লগা হোৱা কাৰণে নতুন পোষ্ট সৃষ্টি কৰিব নোৱাৰাতো সচাঁ কথা। টিচিং একুইপমেন্টচ্‌ত ৩.৭৫ লাখ টকা ধৰা হৈছে। এই সামগ্ৰীবিলাক আমি ৰেজিষ্টাৰ্ড ফাৰ্মক যোগান ধৰিবলৈ দিছো। এইটো ইলিগেল নহয়। এই সংক্ৰান্তত কিছুমান এজেন্সিয়ে হাইকোৰ্টত কেচ কৰিছে। কিন্তু আমি ৰেজিষ্টাৰ্ড ফাৰ্মক দিয়াৰ কাৰণে তেওঁলোকে হাইকোৰ্টত ষ্টেণ্ড কৰিব নোৱাৰিলে। ইউ, জি, চি স্কেল আৰু পেঞ্চন দিয়াৰ ক্ষেত্ৰত আমি ব্যৱস্থা লৈ আছো। জুনিয়ৰ কলেজৰ শিক্ষকৰ চাকৰি অহা বছৰৰ ভিতৰত নিয়মীয়া কৰি দৰমহা আদায় দিয়াৰ ব্যৱস্থা কৰা হ'ব। ১৯ খন মহাবিদ্যালয়ক মঞ্জুৰীৰ ব্যৱস্থা কা হৈছে। এল, পি, এম, ই

আৰু হাইস্কুল প্ৰভিনচিয়েলাইজদ্ কৰাৰ ক্ষেত্ৰত এই বছৰ আমি সিদ্ধান্ত ল'ব পৰা নাই। এই ক্ষেত্ৰত আমি ২০০০ চনত ব্যৱস্থা লম। মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই এই ক্ষেত্ৰত কিছু ব্যৱস্থা লোৱাৰ কথা কৈছে। কিন্তু পুঁজি কম আছে। বাজেটত যিখিনি ডিমাণ্ড দিয়া হৈছিল আমি তাৰ ফিফ্‌টি পাৰচেন্টহে পাইছো। তাৰ ভিতৰত ৩৮ পাৰচেন্ট ইউটিলাইজ কৰিছো। হাযাৰ চেকেণ্ডাৰী লেভেলত ৬ পাচেন্ট আৰু এলিমেন্টৰী লেভেলত ৩২ পাৰচেন্ট ধন খৰচ কৰা হৈছে। শিক্ষক শিক্ষা বিভাগত কিমান আছে তাৰ তথ্য বৰ্ত্তমান মোৰ হাতত নাই। শিক্ষা বিভাগত শিক্ষক আৰু অন্যান্য ষ্টাফৰ সংখ্যা ২ লাখৰ কম নহয়। তাৰ ভিতৰত শিক্ষকৰ সংখ্যা বেছি। মই লিটাৰেচি সম্পৰ্কত ক'ব বিচাৰিছো মিজোৰামত লিটাৰেচিৰ সংখ্যা ৯৬ পাৰ্চেন্ট আৰু অসমত লিটাৰেচিৰ পাৰ্চন্টেজৰ সংখ্যা হ'ল ৫৬ পাৰ্চেন্ট। অল ইণ্ডিয়া নৰ্মচ হৈছে ৫৫ পাৰ্চেন্ট। আমাৰ ৰাজখনত লিটাৰেচি পাৰ্চেন্টেজ অল ইণ্ডিয়া নৰ্মচতকৈ ১ পাৰ্চেন্ট বেচি। অসমত এই পাৰ্চেন্টজটো ৬০ লৈ আহি আছে।

এটা কথা তেখেতে কৈছে যে ধেমাজী জিলাত এইবাৰ মেট্ৰিক ৰিজাল্ট বৰ ভাল হৈছে আমিও গম পাইছো সেই কাৰণে জিলাবাসী ৰাইজ অভিভাৱক সকল শিক্ষক ছাত্ৰ সকলোকে ধন্যবাদ জনাইছো। ২০০১ চনত যাতে আৰু বেছি ভাল হয় তাৰ কাৰণে আশা ৰাখিলোঁ।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** এজনো মেট্ৰিক পাছ নকৰা স্কুল অসমত কিমান আছে?

* **শ্ৰী থানেশ্বৰ বড়ো ঃ** আচল সংখ্যাটো পাহৰিছো। ১৩৫ খনৰ কিবা কম বেছি হ'ব। তেওঁলোকৰ স্বীকৃতি বাতিল কৰাৰ ব্যৱস্থা কৰা হৈছে। তাৰ পাছত দ্ৰপ আউট পষ্ট বিলাক ফিল আপ কৰাৰ কথা কৈছে পৰ্য্যায়ক্ৰমে আমি ফিল আপ কৰি আছো কিন্তু পুঁজিৰ অভাৱত সম্পূৰ্ণ কৰিব পৰা নাই।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অসমত ১৫ খন জিলাৰ ভিতৰত ১৪ খনতে ১১২৩ টা পদৰ বিপৰীতে নিযুক্তি দিছে। লক্ষীমপুৰ জিলাতে মাত্ৰ দিয়া নাই। লক্ষীমপুৰত কিয় নহ'ল জনাব নে?

* **শ্ৰী থানেশ্বৰ বড়ো ঃ** কিবা তথ্য পোৱা নোই কাৰণে হয়তো দেৰী হৈছে আৰু এটা পৰামৰ্শ দিছে প্ৰি চাৰ্ভিছ ট্ৰেইনিংৰ কাৰণে। এইটো ভাল ব্যৱস্থা। কিছুমান ৰাজ্যত আছে। আমিও সেই ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিবলৈ লৈছো আৰু এচ, চি, ই, আৰ, টিয়ে এই বিষয়টো পৰীক্ষা কৰি আছে। মাননীয় সদস সকলে উচ্চ শিক্ষাৰ কথা কৈছে অৱশ্যে এইটো আলোচনা হ'ব নালাগিছিল। এল, পি, এম,. ই যিবিলাক ভেনচাৰ হৈ আছে সেইবিলাক প্ৰাদেশীকৰণ কৰাৰ কথা কৈছে কিন্তু পুঁজিৰ অভাৱত সেইটো কৰিব পৰা নাই। ইংৰাজীত মাননীয় সদস্য শ্ৰী শইকীয়া ডাঙৰীয়াই

* Speach not corrected

লক্ষীমপুৰ জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াক বদলি কৰাৰ কথা কৈছে। হয়, তেওঁক কিবা অভিযোগ থকা কাৰণে বদলি কৰা হৈছে। মাননীয় সদস্য গৰাকীয়ে মাগুলিক সঞ্চালকালয় খোলাৰ পৰামৰ্শ দিছে। কোকৰাঝাৰ, ডিফু, লক্ষীমপুৰ মাগুলিক সঞ্চালকালয় খোলাৰ প্ৰস্তাৱ আছে। চিন্তা চৰ্চা কৰি থকা হৈছে কিন্তু টকাৰ অভাৱত তাক কৰিব পৰা নাই। নিযুক্তিৰ ক্ষেত্ৰত এটা পলিচি তৈয়াৰ কথা কৈছে। পলিচি নোহোৱাকৈ নিযুক্তি নহয়। কৰ্ণাটক আদি ৰাজ্যত নিযুক্তিৰ পলিচি ভাল বুলি কৈছে। অসমতো এই সংক্ৰান্তত ২৫ নবেম্বৰ তাৰিখে এখন সভা আহ্বান কৰা হৈছে। এইবিলাক কথা তাত খৰচি মাৰি আলাচনা কৰা হ'ব। ৰিটেনচ্নৰ কথা কৈছে। কিন্তু প্লেন শব্দটো উঠাই দিব নোৱাৰি। ৫ বছৰলৈ প্লেনত থাকিবই। ৫ বছৰৰ মূৰে মূৰে প্লেনৰ পৰা নন প্লেনলৈ যাব লাগে। কিন্তু আমাৰ শিক্ষা বিভাগত সেইটো কৰা নাই। অৱশ্যে টকাৰ অভাৱৰ কাৰণেও কৰা নাই। আচলতে সেইটো হ'ব নালাগে। ৫ বছৰৰ মূৰে মূৰে প্লেনৰ পৰা নন প্লেনলৈ যাব লাগে। ফলত ৬ হাজাৰ পদ এতিয়া একেলগে নিব লগা হৈছে। জুনিয়ৰ কলেজ বঢ়োৱাৰ কথা কৈছে। আচলতে মুক্তভাৱে কলেজ খুলিবলৈ দিয়াটোও ঠিক নহয়, পৰ্য্যায়ক্ৰমে খোলাটো ভাল।

মাননীয় সদস্য শ্ৰী নিজামুদ্দিন খান ডাঙৰীয়াই শিক্ষকসকলক ৰেগুলাৰ দৰমহা দিয়াৰ কথা কৈছে। তাৰ কাৰণে এতিয়া বাজেট প্ৰভিজন কৰা হৈছে। তেখেতে প্লেন আৰু নন প্লেনৰ ডিভিজন থাকিব নালাগে বুলি কৈছে। সেইটো পৰীক্ষা কৰিব লাগিব।

মাননীয়া সদস্যা শইকীয়া ডাঙৰীয়ানীয়ে শিক্ষা পোহৰলৈ যোৱাৰ পৰিৱৰ্ত্তে অন্ধকাৰলৈ গতি কৰিছে বুলি আক্ষেপ কৰিছে। তেখেতে নন একজিচটিং পদত নিযুক্তি পোৱা শিক্ষক সকলক ৰেগুলাৰ কৰাৰ কথা কৈছে। এক কেটেগৰীৰৰ শিক্ষকে আকৌ কিছুমান প্ৰক্সি শিক্ষক নিয়োগ কৰিছে। বেলেগক ২০০/৩০০ টকা দৰমহা দি তেওঁলোকৰ দ্বাৰা শিক্ষকতাৰ কাম কৰি আছে। তেনেকুৱা ৩০০০ মান প্ৰক্সি শিক্ষক ওলাব। এইবিলাক আগৰ চৰকাৰৰ দিনতে কৰা কাম। তথাপি এই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা লোৱা হ'ব। হাইস্কুলক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নত কৰাৰ কথা কৈছে সেইটো আমি পৰীক্ষা কৰি আছো। তেখেতে ৪০ খন স্কুলৰ তালিকাৰ কথা উল্লেখ কৰিছে। তালিকাখন এতিয়াও বাহাল আছে। দশম বিত্ত আয়োগে টকা দিব পৰা নাছিল কাৰণে কৰিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, শিৱসাগৰ, নাজিৰা হাইস্কুলৰ ৭ জন শিক্ষকে দৰমহা পোৱা নাই। এই স্কুল কেইখনৰ নাম দিলে চাব পৰা যাব। তাৰ পিচত শ্ৰীশুকুৰ আলী, বিধায়ক ডাঙৰীয়াই উত্থাপন কৰিছে। শিক্ষা বিভাগে ভাল চাৰ্ভিছ দিব পৰা নাই। শিক্ষা বিভাগেহে অসমখন বচাই ৰাখিছে। এনে ধৰণৰ হৈছে। আজি অসমত ৫২ টা বিভাগ আছে। এতিয়া দেখা গৈছে অসমৰ

বিভাগ এটাহে। শতকৰা ৯৮ ভাগ দৰ্মাস্তিই শিক্ষা বিভাগলৈ আহে। বাকী বিভাগবিলাকক পাহৰি গৈছে। আচলতে ইয়াৰ লগত আৰু এটা কথা যোগ দিব বিচাৰিছো। প্ৰায় ১৫ কোটি টকা ফুদ ফাষ্টত বাহিৰলৈ যায়। বাহিৰৰ পৰা কণী, মাছ, চাউল আদি আহে। সেইখিনি ইয়াত হ'লে শতকৰা ৫০ ভাগ টকা ৰাহি হয়। সেই বিভাগ বিলাকৰ বিষয়ে পৰামৰ্শ বিধায়ক সকলে আগবঢ়ালে ভাল হয়। ফ্ৰি টেক্স বুকৰ কথা কৈছে। এতিয়া কাগজ আহিছে। যোগান বন্ধ হোৱা নাই। অহা বছৰ পাঠ্যপুথি বিনামূলীয়া নহয়। ৫০ শতাংশ মূল্যত যোগান ধৰা হ'ব। দশম বিত্তীয় আয়োগত টকা ধৰিছো। বিধায়ক সকলে স্কুলৰ তালিকা দিছে সেইটো বাহাল আছে। এতিয়া স্কুল প্ৰাদেশীকৰণ আৰু বিল্ডিং গ্ৰান্ট দিব লাগে বুলি পৰামৰ্শ দিছে। স্কুল প্ৰাদেশীকৰণৰ ক্ষেত্ৰত শিক্ষকৰ লগতে মাটি, বিল্ডিং, ছাত্ৰ-ছাত্ৰী সংখ্যা আৰু আৱশ্যকীয় চৰ্ত্তসমূহ পূৰ কৰিব পাৰিলেহে প্ৰাদেশীকৰণ কৰিব পৰা নাযায়। প্ৰাদেশীকৰণ আৰু চৰকাৰীকৰণৰ মাজত পাৰ্থক্য আছে। আচলতে শিক্ষা বিভাগত কাম আছে। পুঁজিৰ অভাৱতে অসুবিধা হৈছে। মাননীয় শ্ৰীগিৰিণ বৰুৱাই কলেজৰ কথা উল্লেখ কৰিছে যিটো এতিয়া ইয়াত আহিব নালাগিছিল। এইটো চেকেণ্ডাৰী গ্ৰেন্টৰ কথা। টোটেল লিটাৰেচি প্ৰগ্ৰেমৰ কথা কৈছে। টোটেল লিটাৰেচি শিক্ষা বিভাগে ৰূপায়ন কৰি আছো। হিচাপ-নিকাচত খেলি-মেলি দেখা গৈছে। শিক্ষা বিভাগত ডি, পি, ই, পি, এডাল্ট এডুকেচন, ই,এল, টি, আই আদি কৰি বহুতো আঁচনি আহিছে। এই প্ৰগ্ৰামবিলাক একত্ৰিত ব্যৱস্থাৰ যোগে ননাৰ কাৰণে অলপ অসুবিধা হৈছে। আডাৰ এক্সপেনডিচাৰ বাজেটত ধৰা হয়। হাইকোৰ্টত কেছ চলি থাকে। সেইকাৰণে বাজেট প্ৰভিজন কৰিব লগা হয়। ইউ, জি, চিৰ কথা কৈছে। পলিটেকনিক আৰু ইঞ্জিনিয়াৰিং কলেজৰ শিক্ষকৰ কথা কৈছে। এই ক্ষেত্ৰত অল ইণ্ডিয়া কাউন্সিল অব টেকনিকেল এডুকেচনে কৰে। তেওঁলোকে নতুন পে স্কেল ৰিকোমেন্ডচন কৰা নাই। ইউ, জি, চি য়ে নতুন পে স্কেল কৰিলে আমি কৰিবলৈ ৰাজি আছো।

* **শ্ৰী শৰৎ বৰকটকী ঃ** স্ক্ৰীনিং কমিটিৰ কথা উল্লেখ নকৰিলে।

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষামন্ত্ৰী) ঃ** স্ক্ৰীনিং কমিটিৰ কাম সম্পূৰ্ণ হৈছে। তথ্য সম্পূৰ্ণ হৈছে। বিষয়টোৰ ওপৰত বিভাগত আলোচনা কৰা হৈছে। যিবিলাক সিক্ষক নিয়মীয়া কৰিব লাগে। সেইটো আমি বন্ধ কৰা নাই।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** পেঞ্চনৰ বিষয়ে কিবা ক'ব নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (শিক্ষামন্ত্ৰী) ঃ** ৰুলচ সলনি কৰা হ'ব। কম সময়ৰ ভিতৰতে পেঞ্চনৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা হ'ব। মাননীয় সদস্য নিশ্চয় সন্তুষ্ট হৈছে। আশা কৰিছো কৰ্ত্তন প্ৰস্তাৱ উঠাই ল'ব।

**Mr. Speaker :** Will you withdraw your cut motion?

* **Shri Binod Gayari :** Mr. Speaker Sir, so per I know the time I became

* Speach not corrected

an MLA, I have found that it has become a convention thet of whatever is moved by an opposition member is not admitted by the Govt. whatever I spoke against the proposal of the Govt. It can not be admitted. So, it has been aconvention I have witness since the time I became an MLA. So, Ithink will be withdrawn later but before that I would like to have some clarification from the Hon'ble Minister that the teachers appointed under operations Black Board either in M.E. or L.P. schools will get their salaries and their services will be regularised if we grant this proposal prepared by the Govt. So, I would like to get assurence from the Hon'ble Minister regarding amount meant for BAC which has already been included in the proposal. So, I would like to know from the Hon'ble Minister whether BAC will get benefit they will get their share from this Suplimentary Budget. That is all.

